www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এজন মানুহে তেওঁ অনুভৱ কৰা সুখহে উপভোগ কৰে, এজন তিৰোতাই নিজে আনক দিয়া সুখহে উপভোগ কৰে। — পি. চি. ডি. লাক'লচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ প্ৰথম বছৰ ❑ সংখ্যা- ১৭৫ ❑ শুকুৰবাৰ ❑ ২৪ এপ্ৰিল, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 175 ❑ Friday ❑ 24th April, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8





■ পশ্চিমবংগ, তামিলনাডুত ৯১.৩৫ আৰু ৮৪.২৯ শতাংশ সৰ্বাধিক ভোটদান ■

# পশ্চিমবংগ, তামিলনাডুত অভিলেখ ভোটদান

মমতাৰ দাবী 'তৃণমূলৰ জয় নিশ্চিত', মোদীৰ দাবী 'পৰিৱৰ্তনৰ সপক্ষে স্পষ্ট ৰায়'

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** পশ্চিমবংগ আৰু তামিলনাডুৰ বিধানসভা নিৰ্বাচনত ৰাইজে ঐতিহাসিক সঁহাৰি জনাইছে। ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে জানিবলৈ দিয়া মতে, ১৯৪৭ চনত দেশ স্বাধীন হোৱাৰ পাছত এইবাৰ পশ্চিমবংগ আৰু তামিলনাডুত সৰ্বাধিক ভোটদানৰ অভিলেখ সৃষ্টি হৈছে। সন্ধিয়া ৭ বজালৈ সংগৃহীত প্ৰতিবেদন অনুসৰি, পশ্চিমবংগত ৯১.৩৫ শতাংশ আৰু তামিলনাডুত ৮৪.২৯ শতাংশ ভোটাৰে নিজৰ ভোটাধিকাৰ প্ৰয়োগ কৰে। মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে এই ঘটনাক ভাৰতীয় গণতন্ত্ৰৰ বাবে এক 'গৌৰৱৰ ক্ষণ' বুলি অভিহিত কৰি দুয়োখন ৰাজ্যৰ ভোটাৰক শলাগ লয়। পশ্চিমবংগৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সন্ধিয়া ৬ বজাত সামৰণি পৰে। ❑ ৬ পৃষ্ঠাত

শ্যামকানু মহন্তৰ পত্নীৰ মন্তব্যক প্ৰত্যাহ্বান জুবিনৰ ভগ্নী পামী বৰঠাকুৰৰ

## জুবিন গাৰ্গৰ নামত আকৌ নতুন খেলা আৰম্ভ কৰাৰ চেষ্টা নকৰিব !

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ এপ্ৰিল ঃ** অসমৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গক লৈ পুনৰ বিতৰ্কই মূৰ দাঙি উঠিছে। এইবাৰ বিতৰ্কৰ সূত্ৰপাত ঘটিছে উদ্যোক্তা শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তৰ এক মন্তব্যৰ পৰা। অনিতা ডেকাই দাবী কৰে যে, জুবিন গাৰ্গক ❑ ৬ পৃষ্ঠাত

❑ গাৰো পাহাৰত অনা-গাৰো প্ৰৱেশত বাধা ❑

## মেঘালয়ত অসমৰ শ্ৰমিক-ব্যৱসায়ীক নিৰ্যাতন ! আমছুৰ অৰ্থনৈতিক অৱৰোধ


**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** মেঘালয়ত অসমৰ শ্ৰমিক আৰু ক্ষুদ্ৰ ব্যৱসায়ীৰ ওপৰত নিৰ্যাতন আৰু অনা-গাৰো লোকৰ প্ৰৱেশত বাধা দিয়াৰ তীব্ৰ প্ৰতিবাদত দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ আমছু (অসম গণ সংগ্ৰাম পৰিষদ)ই আজি মেঘালয়ৰ সৈতে অনিৰ্দিষ্টকালৰ বাবে অৰ্থনৈতিক অৱৰোধ ঘোষণা কৰিছে। ❑ ৬ পৃষ্ঠাত

■ ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ আদালতত চূড়ান্ত ৰায়দান ■

## আজি কংগ্ৰেছ নেতা পৱন খেড়াৰ জামিন আবেদনৰ ৰায় ঘোষণা কৰিব গুৱাহাটী উচ্চ ন্যায়ালয়ে

২১ এপ্ৰিলত শুনানি সম্পন্ন হৈ সংৰক্ষিত ৰখা হৈছিল ৰায়

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ এপ্ৰিল ঃ** আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে জ্যেষ্ঠ কংগ্ৰেছ নেতা পৱন খেড়াৰ আগজামিন আবেদনৰ ওপৰত চূড়ান্ত ৰায়দান ঘোষণা কৰিব। ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ একক বিচাৰপীঠত এই ৰায়দান হ'ব। উল্লেখযোগ্য যে, ২১ এপ্ৰিলত উচ্চ ন্যায়ালয়ে পৱন খেড়াৰ আগজামিন আবেদনৰ শুনানি গ্ৰহণ কৰিছিল। ❑ ৬ পৃষ্ঠাত



ভাৰতক 'Hell-Hole' বুলি ট্ৰাম্পৰ মন্তব্যক লৈ বিতৰ্ক

## 'তেওঁ ভাৰতক মহান দেশ বুলি কৈছে'; দূতাবাসৰ স্পষ্টীকৰণ


ট্ৰাম্পৰ ভাৰতীয় নেতৃত্বৰ সৈতে অতি ভাল বন্ধুত্ব

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** শেহতীয়াকৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সামাজিক মাধ্যমৰ এক পোষ্টে বিশ্বজুৰি তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। ট্ৰাম্পে শ্বেয়াৰ কৰা এটা ভিডিঅ'ত ❑ ৬ পৃষ্ঠাত

তিনিলাখৰো অধিক পৰীক্ষাৰ্থীলৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

## ২৮ এপ্ৰিলত ঘোষণা হ'ব উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** অসমৰ প্ৰায় তিনি লাখ শিক্ষাৰ্থীৰ বাবে সকাহৰ বাতৰি। অহা ২৮ এপ্ৰিলত ৰাজ্যত ঘোষণা কৰা হ'ব উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে ❑ ৬ পৃষ্ঠাত




## ভাৰত 'নৰককুণ্ড' বুলি ট্ৰাম্পৰ বিতৰ্কিত মন্তব্য, লেপটপ মাফিয়াৰ অভিযোগ


**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এইবাৰ ভাৰতক লৈ অত্যন্ত আপত্তিজনক বৰ্ণবাদী মন্তব্য কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। এছিয়াৰ বিভিন্ন প্ৰান্তৰ পৰা আমেৰিকালৈ অহা অনুপ্ৰৱেশকাৰীৰ প্ৰসংগ উত্থাপন কৰি তেওঁ ভাৰতক 'নৰককুণ্ড' (হেলহ'ল) ❑ ৬ পৃষ্ঠাত

দেওবাৰৰ ধাৰাসাৰ বৰষুণত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ভয়াৱহ পৰিস্থিতি

## গুৱাহাটীত কৃত্ৰিম বানৰ পাছত নলা নিষ্কাশন অবহেলা কৰা প্ৰতিষ্ঠানলৈ কাৰণ দৰ্শোৱাৰ জাননী

বন্ধ হৈ পৰা ক্ৰছ-কালভাৰ্ট বোৰেই মূল কাৰণ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ এপ্ৰিল ঃ** গুৱাহাটী মহানগৰীত দেওবাৰে নিশা হোৱা ধাৰাসাৰ বৰষুণৰ পাছত সৃষ্টি হোৱা ভয়াৱহ কৃত্ৰিম বানৰ ঘটনাই প্ৰশাসনক সচেতন কৰি তুলিছে। ৰাজ্য চৰকাৰৰ মুখ্য সচিবৰ নিৰ্দেশ পাছতে প্ৰতিটো বিভাগই তৎপৰতা অৱলম্বন কৰিছে। এই কৃত্ৰিম বানৰ মূল কাৰণ হিচাপে নলা নিষ্কাশন ব্যৱস্থাত ❑ ৬ পৃষ্ঠাত



বিভিন্ন জিলা ভ্ৰমণ কৰি ষ্ট্ৰং ৰুম পৰিদৰ্শন আৰু প্ৰশাসনৰ সৈতে মত বিনিময় কৰিব দলসমূহে

## ভোটগণনাৰ পূৰ্বে অসম কংগ্ৰেছে গঠন কৰিলে ৭টা বিশেষ প্ৰতিনিধি দল



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ পাছত ভোটগণনাৰ সময়ত যাতে কোনো ধৰণৰ অনিয়ম বা খেলিমেলি সংঘটিত হ'ব নোৱাৰে, সেই লক্ষ্যৰে অসম প্ৰদেশ কংগ্ৰেছে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। ইয়াৰ বাবে দলটোৱে ❑ ৬ পৃষ্ঠাত

১৫ হাজাৰ ভক্তৰ সমাগম

## বদ্ৰীনাথ মন্দিৰৰ দুৱাৰ মুকলি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** বাৰ্ষিক গ্ৰীষ্মকালীন তীৰ্থযাত্ৰা আৰম্ভ হোৱাৰ উপলক্ষে বৃহস্পতিবাৰে পুৱা ৬: ১৫ বজাত বদ্ৰীনাথ মন্দিৰৰ ❑ ৬ পৃষ্ঠাত

❑ ৩৩ শতাংশ আসন সংৰক্ষণৰ দাবী ❑

## মহিলা সংৰক্ষণ বিধেয়কক লৈ বিজেপিৰ খানাপাৰাত প্ৰতিবাদ সভা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ২৩ এপ্ৰিল ঃ** সংসদত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ সংক্ৰান্তিয় বিধেয়কখন গৃহীত নোহোৱাক লৈ ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে। এই ❑ ৬ পৃষ্ঠাত



কৃষ্ণনগৰৰ বিজয় সংকল্প সভাত মোদীৰ আক্ৰমণাত্মক ভাষণ

## 'ঝালমুৰি মই খালোঁ, জ্বলা-পোৰা অনুভৱ টিএমচিৰ হৈছে'



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৩ এপ্ৰিল ঃ** পশ্চিমবংগত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ চলি থকাৰ মাজতে বৃহস্পতিবাৰে কৃষ্ণনগৰত অনুষ্ঠিত বিজয় সংকল্প সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্যমন্ত্ৰী ❑ ৬ পৃষ্ঠাত



# নাজিৰাত প্ৰাক্তন মুখ্যমন্ত্ৰী কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ ৩০ তম্ মৃত্যু বাৰ্ষিকী পালন

**অসম বাৰ্তা, নামতি, ২২ এপ্ৰিল ঃ** অসম তথা ভাৰতবৰ্ষৰ সমাজ আৰু ৰাজনৈতিক ক্ষেত্ৰখনৰ অন্যতম পুৰুধা, অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা মিজোৰামৰ প্ৰথম গৰাকী ৰাজ্যপাল কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ ৩০ তম মৃত্যু বাৰ্ষিকী আজি নাজিৰাত বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে পালন কৰে। পুৱা কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ সমাধিস্থলী " সংহতি ক্ষেত্ৰ" ত পুষ্প মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে তেখেতৰ সুযোগ্য জ্যেষ্ঠ সন্তান বিধায়ক তথা অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আৰু প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ পু-বোৱাৰী বন্দনা শইকীয়াই। নাজিৰা পৌৰসভাৰ প্ৰাক্তন পৌৰপতি আব্দুৰ ৰহমানে আঁত ধৰা অনুষ্ঠানত প্ৰয়াত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ সহকৰ্মী অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক লক্ষ্মীনাথ সন্দিকৈয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ কৰ্ম, সমাজ দৰ্শনৰ ওপৰত আলোকপাত কৰি বক্তব্য দাঙি ধৰে। অনুষ্ঠানত জাকিউৰ হুছেইন, ব্লক কংগ্ৰেছ কমিটীৰ সভাপতি দিগন্ত সন্দিকৈ, সাধাৰণ সম্পাদক ক্ৰমে অপূৰ্ব বৰুৱা, মদন ৰয়, হেমন্ত শইকীয়া, শৰৎ গগৈ, পলাশ পৱন শইকীয়া, আলতাফ হুছেইন, অতুল হ'ৰ আদিকে ধৰি ভালেকেইজনে কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াৰ সমাধিস্থলীত ধূপ, মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ইয়াৰ পিছতে সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠানত গীতা পাঠ কৰে ৰাজু ফুকনে, কোৰান পাঠ কৰে মৌলানা খালিদ আহমদে আৰু বাইবেল পাঠ কৰে ৰাজেন তাঁনীয়ে। ইয়াৰ পিছতে নাজিৰা এম চি ক্লাৱত সমষ্টি যুৱ কংগ্ৰেছৰ উদ্যোগত অনুষ্ঠিত ৰক্তদান অনুষ্ঠান শুভাৰম্ভ কৰি বিধায়ক তথা অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বক্তব্যৰ প্ৰসংগত অসমত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াই ৰক্তদান কৰিছিল মানুহৰ জীৱন ৰক্ষাৰ স্বাৰ্থত কিন্তু সন্ত্ৰাসবাদীয়ে সেই সময়ত ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীৰ দৰে মহান মানৱৰ তেজ আৰু জীৱন কাঢ়ি নিছিল। কিন্তু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়াই সন্ত্ৰাসবাদক প্ৰত্যাহ্বান জনাই অসমত ৰক্তদানৰ প্ৰসাৰ ঘটাইছিল বুলি মত পোষণ কৰে। অনুষ্ঠানত জয়সাগৰস্থ শিৱসাগৰ জিলা অসামৰিক চিকিৎসালয় ডাঃ অনুশ্ৰী সিংঘানীয়াই ৰক্তদানৰ বিষয়ে বক্তব্য দাঙি ধৰে আৰু চিকিৎসালয়ৰ কৰ্মচাৰী ক্ৰমে উপেন গগৈ, নিতুমণি সোণোৱাল, অভিনৱ চেতিয়া, তপন কৈৰী আৰু চম্পক চেতিয়াই ৰক্তদান কাৰ্যত সহযোগিতা আগবঢ়ায়। পিছত হাতিপট্টিস্থ মহিলা মানসিক ৰোগী পৰিচৰ্যা কেন্দ্ৰ "জ্যোতি গৃহ" আৰু বৃদ্ধা আৱাসত খাদ্য সামগ্ৰী বিতৰণ কৰাৰ লগতে লিগিৰী পুখুৰীস্থ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়ত ৰোগী সকলক ফল-মূল বিতৰণ কৰে।



# বাণীপুৰ শাখা সাহিত্য সভাৰ উদ্যোগত নিজৰ দিন পালন

## আঠগৰাকী বিশিষ্ট ব্যক্তিক সন্মান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২২ এপ্ৰিল ঃ** অসমীয়া জাতীয় জীৱনক সমৃদ্ধ কৰা আঠজন বিশিষ্ট ব্যক্তিক বাণীপুৰ শাখা সাহিত্য সভাৰ সদস্যসকলে যথা সময়ত তেখেতসকলৰ স্বগৃহত উপস্থিত হৈ পৰিয়াল-স্বজনেৰে পৰিবেষ্টিত এক গাম্ভীৰ্যপূৰ্ণ পৰিবেশত এই অনুষ্ঠানৰ কাৰ্যসূচী সমাপন কৰে। সম্বৰ্ধনা জনোৱা ব্যক্তি আঠ গৰাকী হৈছে- অমৃত কুমাৰ শইকীয়া, বিশিষ্ট সমাজকৰ্মী, হৰেন বৰা বিশিষ্ট সমাজকৰ্মী তথা নামাচাৰ্য উত্তৰ বাণীপুৰ বৈষ্ণৱ নামঘৰ, ধনেশ্বৰ শইকীয়া'ড়বিশিষ্ট সমাজকৰ্মী তথা নামাচাৰ্য পূৱ বাণীপুৰ নামঘৰ, গমন চন্দ্ৰ ফুকন নামাচাৰ্য বাণীপুৰ বৈষ্ণৱ নামঘৰ, সদানন্দ দাস বিশিষ্ট সমাজকৰ্মী তথা নামাচাৰ্য নতুন অমৰাগুৰি বৈষ্ণৱ নামঘৰ, বাণীপুৰ, বীৰেন দুৱৰা নামাচাৰ্য তথা সমাজ সেৱক মায়ামৰা বৈষ্ণৱ নামঘৰ, বাণীপুৰ; ৰমেশ লহকৰ নামাচাৰ্য তথা সমাজকৰ্মী শংকৰী নামঘৰ, বাণীপুৰ, তিলক গগৈ, বিশিষ্ট সমাজকৰ্মী তথা নামাচাৰ্য, এক শৰণ নামঘৰ, বাণীপুৰ। উল্লেখযোগ্য যে এইবেলি বাণীপুৰ শাখা সাহিত্য সভাই, বৃহত্তৰ বাণীপুৰ অঞ্চলৰ বিভিন্ন নামঘৰ সমূহৰ নামাচাৰ্য সকলক 'নিজৰ দিন' কাৰ্যসূচীৰ অন্তৰ্গত হিচাপে সন্মান জনাবলৈ স্থিৰ কৰিছিল। কাৰণ তেওঁলোকে নামঘৰ সমূহৰ কাম কাজসমূহ সুচাৰুৰূপে সম্পাদন কৰাৰ উপৰিও সমাজৰ সকলো দিশতে আগভাগ লয়। বৰ্তমানৰ ক্ষয়িষ্ণু সমাজত মূল্যবোধ আৰু আধ্যাত্মিক চেতনাৰ প্ৰসাৰ আৰু প্ৰচাৰত তেওঁলোকৰ অৱদান অনবদ্য। লগতে তেওঁলোকে গুৰু দুজনাৰ মহৎ সাহিত্যৰ চৰ্চাৰ লগতে ব্যাখ্যা আগবঢ়াই সমাজ জীৱনক পথ প্ৰদৰ্শকৰ ভূমিকাৰে সঠিক পথৰ সন্ধান দিছে। তেওঁলোকৰ এই মহান কৰ্ম আৰু জাতীয় জীৱনলৈ আগবঢ়োৱা অৱদানৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি এখনি ওলগনি পত্ৰ, মান্যবস্ত্ৰ, গ্ৰন্থৰ টোপোলা আৰু গুৱা-পাণেৰে সন্মান আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়। সম্বৰ্ধনা গ্ৰহণৰ পিছত তেওঁলোকে আশীৰ্বাদসূচক হিচাপে আগবঢ়োৱা দিহা-পৰামৰ্শ সমূহক অনাগত দিনত বাণীপুৰ শাখা সাহিত্য সভাই আন্তৰিকতাৰে কাৰ্যকৰী কৰিবলৈ বদ্ধপৰিকৰ। এই অনুষ্ঠানত বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্ত, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ইন্দ্ৰ গগৈ, বাণীপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দীপক কুমাৰ দত্ত, বিশিষ্ট লেখক তথা বাণীপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পদ্মা শইকীয়া খনিকৰ, বাণীপুৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদিকা নিভা বৰুৱা, বাণীপুৰ মহিলা সমিতি সভানেত্ৰী তথা বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্য হিৰণ্য দত্ত (ঊষা), বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্য নমিতা বৰুৱা, বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্য তথা বাণীপুৰ মহিলা সমিতিৰ সম্পাদিকা পুৰবী বৰুৱা চাংমাই, বাণীপুৰ শাখা সাহিত্য সভাৰ আজীৱন সদস্য জুৰি কোঁৱৰ বৰুৱা আৰু বাণীপুৰ শাখা সাহিত্য সভাৰ সম্পাদিকা ড° দিব্যজ্যোতি বৰা উপস্থিত আছিল।

# Gen-Zৰ যুগত ৰূপহীহাটৰ বিভিন্ন এলেকাত ৰিলায়েন্স জিঅ'ৰ 4G-5G সেৱাৰ নামত প্ৰতাৰণা

**অসম বাৰ্তা, ৰূপহীহাট, ২২ এপ্ৰিল ঃ** ডিজিটেল ইণ্ডিয়া বুলি ভাৰত চৰকাৰে সৰ্বত্ৰে ডাক-ঢোল বজাই সকলো ইণ্টাৰনেট সেৱা অধিক সুলভ আৰু সস্তা কৰাৰ দাবী কৰি আহিছে যদিও নগাঁও জিলাৰ ৰূপহীহাট-চামগুৰিৰ বহু এলেকাত তাৰ বিপৰীত দৃশ্য দেখা গৈছে। হাতে হাতে ম'বাইল ফোন আৰু ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা বৃদ্ধি পোৱাৰ সময়তে গ্ৰামাঞ্চলত এটা সময়ত বিনামূলীয়া সেৱা দিয়া জিঅই সামগ্ৰিকভাৱে অধিক গ্ৰাহকক আকৰ্ষণ কৰি উপভোক্তাৰ তালিকাত সন্নিৱিষ্ট কৰিছে যদিও ইণ্টাৰনেট আজিও অতি নিম্নমানৰ আগবঢ়োৱা পৰিলক্ষিত হৈছে। 5জি সেৱাৰ জৰিয়তে অধিক মূল্যত ৰিচাৰ্জ আদায় কৰা ৰিলায়েন্স জিঅ'ৰ সেৱাৰ নামত ৰূপহীহাট আৰু চামগুৰিৰ বহু এলেকাত প্ৰতাৰণা চলি আছে। ৰূপহীহাট-চামগুৰিৰ ৰূপহী, গেৰেকী, বৰঘাট, জিউমাৰী, শিঙিমাৰী, গেৰুৱাআটি, বৰঙাতলি, আমলতা, ফুটালঝাৰ, হাতিপুখুৰী, ৰৌমাৰী আদি অসংখ্য অঞ্চলত 5জি সেৱাতো দূৰৈৰে কথা 4জি সেৱাও সুচাৰুৰূপে উপভোক্তাই লাভ কৰিবলৈ সক্ষম হোৱা নাই। বিপৰীতে প্ৰায়েই 4-জি সেৱাৰ নিম্নমানৰ ইণ্টাৰনেট সেৱাও 782125 এলেকাত বিকল হৈ থাকে। একাংশ গ্ৰাহকে দুখনকৈ জিঅ চিম কাৰ্ড ব্যৱহাৰ কৰি আছে যদিও প্ৰায়েই দুয়োখন চিমকাৰ্ডৰেই নেটৱৰ্ক ঘণ্টাৰ পাছত ঘণ্টা নাইকিয়া হৈ থকাত বিভাগীয় টোল-ফ্ৰী নম্বৰত অভিযোগ কৰিও কোনো ধৰণৰ সুফল লাভ নকৰাৰ অভিযোগ উঠিছে। আজিৰ তাৰিখত সকলোবিলাক কাম ডিজিটেলী কৰাৰ বাবে চৰকাৰেও জনতাক উৎসাহিত কৰাৰ সময়তে বহু গ্ৰাহকৰ মবাইলত নগণ্য পৰিমাণৰ নেটৱৰ্ক উপলব্ধ অৱস্থাত ডাটাঅন থকাৰ পাছতো "No Internet Connection" বুলিও হাৰাশাস্তি কৰিছে। ইয়াৰোপৰি 5-জি মবাইল 4-জি সেৱাও অতি নিম্মমান হোৱা বাবেই গ্ৰাহকে বিভিন্ন কাম কাজত অসুবিধাৰ সন্মুখীন হৈ আহিছে। এইদৰে ৰূপহীহাট-চামগুৰিৰ হাজাৰ হাজাৰ গ্ৰাহকক ৰিলায়েন্স জিঅই দিনে নিশা ৰামঠগন দি মুনাফা আদায় কৰি আহিছে। একাংশ এলেকাত সামান্য বৰষুণ বা বতাহ হ'লেও জিঅ'ৰ নেটৱৰ্ক অন্তৰ্ধান হৈ পৰাক লৈও গ্ৰাহকৰ প্ৰচণ্ড খুব দেখা গৈছে। বিগত কিছুমাহ পূৰ্বেই ৰূপহীহাটৰ গড়াজানত জিঅৰ নিম্নমানৰ সেৱাৰ বিৰুদ্ধে ৰাইজ ৰাজপথলৈ ওলাই অহা দেখা গৈছিল। বৰ্তমানেও ৰূপহীহাটৰ একাধিক এলেকাত জিঅ'ৰ কাচৰ গতিৰ সেৱাৰ সংস্কাৰ ঘটাবলৈ টেলিকম বিভাগৰ সংশ্লিষ্ট কৰ্তৃপক্ষই বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে নকৰে সেয়া লক্ষণীয় হ'ব।

## ▢ প্ৰদৰ্শন হ'ব ঐতিহাসিক গ্ৰন্থ ▢

# যোৰহাটত ভিণ্টেজ গ্ৰন্থমেলা

**অসম বাৰ্তা, যোৰহাট, ২২ এপ্ৰিল ঃ** যোৰহাটত ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ গ্ৰন্থমেলাৰ বাটকটীয়া আৰু ১৩ খনকৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ গ্ৰন্থমেলা সফলতাৰে অনুষ্ঠিত কৰা অসম শৈক্ষিক কেন্দ্ৰই প্ৰথমবাৰৰ বাবে ঐতিহ্যবাহী, পুৰণি গ্ৰন্থৰ গ্ৰন্থমেলা আয়োজন কৰিছে। "যোৰহাট গ্ৰন্থমেলা ভিণ্টেজ" নামকৰণেৰে ২৬-২৯ এপ্ৰিললৈ অসম শৈক্ষিক কেন্দ্ৰৰ যোৰহাট মহানগৰীৰ প্ৰধান ডাকঘৰ পথৰ স্থায়ী কাৰ্য্যালয়ত এই গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। প্ৰদৰ্শন হ'বলগীয়া গ্ৰন্থসমূহৰ সংগ্ৰহৰ কাম পূৰ্ণ গতিত আগবাঢ়িছে আৰু বহু প্ৰতিষ্ঠানে আশাপদ সঁহাৰি আগবঢ়াইছে। গ্ৰন্থমেলাত ১৯৭০ চনৰ পূৰ্বৰ ঐতিহাসিক গুৰুত্ব থকা পুথি প্ৰদৰ্শনৰ ব্যৱস্থাৰ লগতে বিক্ৰীৰো ব্যৱস্থা থাকিব বুলি আয়োজকসকলে জনাইছে। ঐতিহ্যবাহী গ্ৰন্থৰ প্ৰদৰ্শনৰ বাবে ইচ্ছুকসকললৈ বিনামূলীয়াকৈ প্ৰদৰ্শনৰ ব্যৱস্থা কৰাৰ ব্যৱস্থাও কৰিছে। যোৰহাট গ্ৰন্থমেলা ভিণ্টেজ ২৬ এপ্ৰিলৰ দিনৰ ১১-০০ বজাত উদ্বোধন কৰিব গৱেষক, সাহিত্যিক, যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° পবিত্ৰ প্ৰাণ গোস্বামীয়ে। উদ্বোধনী অনুষ্ঠানত স্মাৰক গ্ৰন্থ উন্মোচনৰ লগতে যোৰহাটৰ অগ্ৰজ পুথি বিক্ৰেতা আৰু প্ৰকাশকক সম্বৰ্ধনা জনাব। প্ৰথম দিনা সন্ধিয়া অন্তৰংগ আলাপ আৰু ভিণ্টেজ কবিতা আবৃত্তিৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। ২৭ এপ্ৰিলৰ বিয়লি ৩-০০ বজাৰ পৰা যোৰহাট জিলা মইনা পাৰিজাতৰ সক্ৰিয় সহযোগত ১১ বছৰলৈকে নিম্ন আৰু ১২-১৪ বছৰৰ শিশুক উচ্চ শাখা ৰূপে লৈ সাধু কোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধ্যা হাস্য ৰসৰ সমাহাৰ শীৰ্ষক অনুষ্ঠান হ'ব। ২৮ এপ্ৰিলত অসম শৈক্ষিক কেন্দ্ৰৰ প্ৰতিষ্ঠা দিৱস ৰূপে পালন কৰা হ'ব। পুৱা ৯-০০ বজাত কেন্দ্ৰৰ পতাকা উত্তোলনেৰে শুভাৰম্ভ হ'ব লগীয়া কাৰ্য্যসূচীৰ দিনৰ ২-০০ বজাত প্ৰতিষ্ঠা দিৱসৰ বক্তৃতা প্ৰদান কৰিব অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অন্তিম দিনা বিয়লি গ্ৰন্থমেলাৰ সামৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব। নৱপ্ৰজন্ম আৰু অধ্যয়নপিপাসু গ্ৰন্থপ্ৰেমীক আপুৰুগীয়া গ্ৰন্থসম্ভাৰৰ লগত পৰিচিত কৰোৱাৰ মানসেৰে যোৰহাটত প্ৰথমবাৰলৈ আয়োজিত গ্ৰন্থমেলাৰ চাৰি দিনৰ কাৰ্য্যসূচীত গ্ৰন্থপ্ৰেমীৰ উপস্থিতি অসম শৈক্ষিক কেন্দ্ৰৰ সম্পাদক ড° অশোক কুমাৰ বৰঠাকুৰ, যোৰহাট গ্ৰন্থমেলা ভিণ্টেজৰ সমন্বয়ক ৰমেন গগৈয়ে কামনা কৰিছে।

## তামিলনাডু ৰে'লৰে ষ্টেচনৰ পৰা সন্ধানহীন লকেন টুডু

# কেৰেলাত কামলৈ গৈ নিৰুদ্দেশ শিঙৰীৰ ধলগুৰি গাঁৱৰ যুৱক

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২২ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শিঙৰী আৰক্ষী চকী এলেকাৰ ধলগুৰি গাঁৱৰ নিবাসী বাচিয়া টুডুৰ পুত্ৰ লকেন টুডু (৩২) যোৱা ১৭ এপ্ৰিল ২০২৬ তাৰিখে বহিঃৰাজ্য কেৰেলালৈ কামৰ সন্ধানত ঘৰৰ পৰা ৰওনা হৈছিল যদিও মধ্যপথত ৰহস্যজনকভাৱে নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি একে গাঁৱৰ বাসিন্দা কমল মূৰ্মু নামৰ এজন লোকৰ সৈতে লকেন টুডু কেৰেলালৈ যাত্ৰা কৰিছিল। দুয়ো ৰে'লযোগে গৈ থকা অৱস্থাত তামিলনাডুৰ এখন ৰে'লৱে ষ্টেচনত উপস্থিত হয়। অভিযোগ অনুসৰি সেই ঠাইতে কমল মূৰ্মুয়ে লকেন টুডুক এজন অচিনাকি লোকৰ সৈতে চিনাকি কৰি দিয়ে। ইয়াৰ পিছতেই ৰহস্যজনকভাৱে লকেন টুডু নিৰুদ্দেশ হৈ পৰে। লকেনৰ পৰিয়ালৰ লোকে জনোৱা মতে, এই ঘটনাৰ বিষয়ে তেওঁলোকে ১৯ এপ্ৰিলত ম'বাইলযোগে খবৰ লাভ কৰে। ইয়াৰ পিছৰে পৰা পৰিয়ালটোৱে বিভিন্ন ঠাইত সন্ধান চলোৱাৰ উপৰি আত্মীয়-স্বজন আৰু চিনাকি লোকসকলৰ সৈতে যোগাযোগ কৰিছে যদিও এতিয়ালৈকে কোনো ধৰণৰ শুংসূত্ৰ উলিয়াব পৰা নাই। সেয়েহে উপায়ন্তৰ হৈ ভুক্তভোগী পৰিয়ালটোৱে ঘটনাটোৰ সন্দৰ্ভত শিঙৰী আৰক্ষী চকীত লিখিত অভিযোগ দাখিল কৰিছে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে। এতিয়া লকেন টুডুৰ সন্ধান বিচাৰি পৰিয়ালটোৱে সকলোৰে সহায় বিচাৰিছে। কোনো সদাশয় লোকে যদি লকেন টুডুৰ বিষয়ে কোনো তথ্য লাভ কৰে তেন্তে অনুগ্ৰহকৰি ৭০৯৯৪৫৪১৯৫ অথবা ৭৮১২৮৭৫৬২৫ নম্বৰত যোগাযোগ কৰিবলৈ কাতৰে অনুৰোধ জনাইছে পৰিয়ালৰ লোকে।

## দুধনৈৰ কেন্দ্ৰীয় ৰঙালী বিহুৰ মঞ্চ ধ্বংস; গছ বাগৰি স্তব্ধ যাতায়ত

# গোৱালপাৰাত প্ৰচণ্ড ধুমুহাৰ তাণ্ডৱ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২২ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ দুধনৈ আৰু কৃষ্ণাই অঞ্চলত সোমবাৰে নিশা অহা এক প্ৰচণ্ড ধুমুহা-বৰষুণে বিস্তৰ ক্ষতিসাধন কৰে। নিশা প্ৰায় ৯ঃ৩০ বজাত হঠাতে অহা এই ধুমুহাজাকৰ ফলত জনজীৱন ব্যাহত হোৱাৰ লগতে অঞ্চলটোৰ বিভিন্ন প্ৰান্তত সা-সম্পত্তিৰো ব্যাপক লোকচান হয়। দুধনৈ কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনীৰ বাবে নিৰ্মাণ কৰা অস্থায়ী বিহু মঞ্চখন প্ৰচণ্ড ধুমুহাৰ ফলত মাটিত বাগৰি পৰে। মঞ্চখন ভাঙি পৰাৰ ফলত সোমবাৰৰ নিশাৰ সকলো কাৰ্যসূচী তাৎক্ষণিকভাৱে বাতিল কৰিবলগীয়া হয়। বিহুৰ আনন্দ-উল্লাসৰ মাজতে এনেদৰে মঞ্চখন ভাঙি পৰাত বিহু আয়োজক সমিতিৰ লগতে স্থানীয় ৰাইজৰ মাজত ব্যাপক নিৰাশাই বিৰাজ কৰিছে। প্ৰচণ্ড ধুমুহা বতাহৰ কোবত অঞ্চলটোৰ বিভিন্ন ঠাইত প্ৰকাণ্ড প্ৰকাণ্ড গছ উভলি পৰাত যাতায়ত ব্যৱস্থা সম্পূৰ্ণৰূপে স্তব্ধ হৈ পৰে। ১৭নং ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰত গছ পৰি থকাৰ ফলত বহু সময় ধৰি যান-বাহন চলাচল বন্ধ হৈ থাকে। কেৱল ঘাইপথেই নহয়, ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী কেইবাটাও গ্ৰাম্য পথতো গছ পৰি থকাৰ বাবে যাতায়ত বিচ্ছিন্ন হৈ পৰে। ধুমুহা বতাহৰ ফলত দুধনৈ উচ্চ মাধ্যমিক বিদ্যালয় চৌহদৰ বেৰ বাগৰি পৰাৰ লগতে বিদ্যালয় চৌহদত থকা গছ ভাঙি বৈদ্যুতিক খুঁটা বাগৰি পৰাত বিদ্যুত সংযোগ বিছিন্ন হয়। ধুমুহা বতাহৰ ফলত বিদ্যুত সৰবৰাহ বন্ধ হোৱাৰ পিচত আজিও বিদ্যুৎ সৰবৰাহ নিয়মীয়া হোৱা নাই। বৃহত্তৰ দুধনৈ অঞ্চলত বিদ্যুত সৰবৰাহ কৰা খুটা ভাঙি বাগৰি পৰাত বিদ্যুত বিভাগ ব্যাপক লোকচানৰ সন্মুখীন হয়। ইয়াৰ উপৰিও একেজাক ধুমুহাই কৃষ্ণাইৰ ভেলাখামাৰ গাঁৱতো তাণ্ডৱ চলায়। জানিব পৰা মতে, গাঁওখনত কেইবাটাও ঘৰৰ পকী দেৱাল খহি পৰাৰ লগতে তামোল, নাৰিকল আৰু অন্যান্য ফল-মূলৰ গছ ভাঙি পৰিছে। বহু পৰিয়ালে ইয়াৰ ফলত আৰ্থিকভাৱে যথেষ্ট লোকচানৰ সন্মুখীন হৈছে। বৰ্তমান স্থানীয় প্ৰশাসনে পথসমূহৰ পৰা গছ-গছনি আঁতৰাই যাতায়ত স্বাভাৱিক কৰাৰ লগতে বিদ্যুত সৰবৰাহ নিয়মীয়া কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে বিদ্যুত বিভাগে। বতৰ বিভাগৰ জাননী অনুসৰি পৰৱৰ্তী তিনিদিন মুষলধাৰ বৰষুণ আৰু ধুমুহা বৰষুণৰ আগজাননী প্ৰকাশ হোৱাত ৰাইজ চিন্তিত হৈ পৰিছে।

# শিক্ষক সুৰেশ গগৈৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, নামতি, ২২ এপ্ৰিল ঃ** নাজিৰা প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত মৰি নামদাং প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক সুৰেশ গগৈয়ে আজি নিশা এক বজাত নাজিৰাৰ অভয়াপুৰীয়া দেওবিল গাঁৱৰ নিজা বাসগৃহত ইহলীলা সম্বৰণ কৰে। তেখেতে আজি ৫৯ বছৰ ১মাহ ২১ দিনীয়া জীৱন যাত্ৰা সামৰণি মাৰে। শিক্ষাদানৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সমাজৰ বিভিন্ন উন্মৃনয়নমূলক কাম-কাজত নিজকে আত্মনিয়োগ কৰি মৃত্যুৰ আগলৈকে সমাজৰ সেৱাতে ব্ৰতী সহকাৰী শিক্ষক সুৰেশ গগৈৰ মৃত্যুৰ সময়ত ইহসংহাৰত তেখেতে পত্নী, দুজন পুত্ৰ, বোৱাৰী, এগৰাকী কন্যা এৰি থৈ গৈছে। তেখেতৰ মৃত্যুত মৰি নামদাং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৈলেন্দ্ৰ কলিতাক, সমূহ শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে যৌন প্ৰাৰ্থনাৰে ভগৱাৰ ওচৰত সেৱা জনাইছে। তেখেতৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## ৰোগীক স্পৰ্শ নকৰাকৈয়ে ৩টা কৈ বেজী দিয়াৰ নিৰ্দেশ দি শুবলৈ গ'ল চিকিৎসক

# হাজোত চিকিৎসকৰ চৰম গাফিলতিত ৰোগীৰ মৃত্যু

**অসম বাৰ্তা, হাজো, ২২ এপ্ৰিল ঃ** হাজোৰ বিষ্ণুৰাম মেধি সামূহিক স্বাস্থ্য কেন্দ্ৰত আজি এগৰাকী ৰোগীৰ মৃত্যুক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। কৰ্তব্যৰত চিকিৎসকৰ চৰম দায়িত্বহীনতা আৰু গাফিলতিৰ বাবেই এগৰাকীয় ব্যক্তিয়ে মৃত্যুক সাৱটি ল'বলগীয়া হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত খবৰ অনুসৰি, আজি পুৱা প্ৰায় ৭ বজাত হাজো ভৰালীটোলাৰ নিবাসী উমেশ আঠপৰীয়া (৬৫) নামৰ ব্যক্তিজন হঠাৎ পেটৰ বিষত আক্ৰান্ত হয়। পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ হাজো এফ আৰ ইউত ভৰ্তি কৰায়। সেই সময়ত চিকিৎসালয়খনত কৰ্তব্যৰত অৱস্থাত আছিল ডাঃ হৃদয় বৰুৱা। মৃতকৰ আত্মীয়ই অভিযোগ কৰা মতে, হাস্পতালত ভৰ্তি কৰাৰ পাছত ডাঃ হৃদয় বৰুৱাই ৰোগীজনক এবাৰো চুই নোচোৱাকৈ বা শাৰীৰিক পৰীক্ষা নকৰাকৈয়ে কৰ্তব্যৰত নাৰ্ছক তিনিটাকৈ বেজী দিবলৈ নিৰ্দেশ দিয়ে আৰু নিজে শুবলৈ গুচি যায়। আনকি ৰোগীগৰাকী উচ্চ ৰক্তচাপৰ ৰোগী বুলি পৰিয়ালে অৱগত কৰাৰ পাছতো চিকিৎসকজনে তেওঁৰ ৰক্তচাপ পৰীক্ষা কৰাৰ সামান্য সৌজন্যও নেদেখুৱালে। দুৰ্ভাগ্যজনকভাৱে, বেজী লোৱাৰ কিছু সময় পিছতেই ৰোগীগৰাকীৰ স্বাস্থ্যৰ অধিক অৱনতি ঘটে আৰু পুৱা ৮ বজাত হাস্পাতালতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ৰোগীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে উত্তেজিত পৰিয়ালে চিকিৎসকজনক আৱদ্ধ কৰি জবাবদিহি কৰে। পৰিস্থিতি ইমানেই উত্তপ্ত হৈ পৰে যে একাংশ ৰাইজে হাস্পতাল চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। জানিব পৰা মতে, উত্তেজনাৰ মাজতে চিকিৎসকগৰাকীয়ে নিজৰ ভুল স্বীকাৰ কৰিবলৈ বাধ্য হয়। পৰৱৰ্তী সময়ত মহকুমা স্বাস্থ্য বিষয়া তথা চিকিৎসালয়খনৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডাঃ মাছুদ ইকবাল ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। তেওঁ ভুক্তভোগী পৰিয়ালক সমগ্ৰ ঘটনাটোৰ এক উচ্চস্তৰীয় তদন্ত কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। এতিয়া স্থানীয় ৰাইজে দোষী চিকিৎসকজনৰ বিৰুদ্ধে কঠোৰ আইনী আৰু বিভাগীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## 'নাৰী শক্তি'ৰ হুংকাৰত কঁপিল বৰপেটাৰোড

# বৰপেটাৰোডত কংগ্ৰেছৰ বিৰুদ্ধে মহিলাৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, বৰপেটাৰোড, ২২ এপ্ৰিল ঃ** নাৰী সংৰক্ষণ বিধেয়কক লৈ ৰাজ্যৰ ৰাজনীতি পুনৰ গৰম হৈ পৰিছে। আজি বৰপেটাৰোডৰ জি এল চি (GLC) কলেজৰ সন্মুখত সচেতন মহিলা আৰু স্থানীয় ৰাইজ একগোট হৈ কংগ্ৰেছ দলৰ বিৰুদ্ধে এক তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলৰ অভিযোগ অনুসৰি, কংগ্ৰেছ দলে সদায় মহিলাৰ সপক্ষে কথা ক'লেও বাস্তৱত নাৰী সংৰক্ষণ আইনৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰি আহিছে। মহিলাৰ অধিকাৰ আৰু আসন সংৰক্ষণৰ বিৰোধিতা কৰা কংগ্ৰেছৰ "মহিলা বিৰোধী" স্থিতিৰ বিৰুদ্ধে ক্ষোভ উজাৰিবলৈ আজি বৰপেটাৰোডৰ শতাধিক মহিলা ৰাজপথলৈ ওলাই আহে। প্ৰতিবাদকাৰীসকলে হাতত প্লে'কাৰ্ড লৈ বিভিন্ন শ্ল'গানেৰে আকাশ-বতাহ কঁপাই তোলে। "কংগ্ৰেছ মুৰ্দাবাদ" "কংগ্ৰেছ হায় হায়" "মহিলা বিৰোধী স্থিতিয়ে নচলিব" আদি ধ্বনিৰে জি এল চি কলেজৰ সমীপৱৰ্তী অঞ্চল উত্তাল কৰি তোলে। প্ৰতিবাদত অংশগ্ৰহণ কৰা সচেতন মহিলাসকলে সংবাদ মাধ্যমৰ আগত কয় যে— "কংগ্ৰেছে সদায় মহিলাসকলক কেৱল ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। যেতিয়াই নাৰীৰ সৱলীকৰণৰ বাবে আসন সংৰক্ষণৰ প্ৰসংগ আহে, তেতিয়াই তেওঁলোকে ইয়াৰ বিৰোধিতা কৰে। কংগ্ৰেছৰ এই দুমুখীয়া চৰিত্ৰ বৰপেটাৰোডৰ সচেতন ৰাইজে কেতিয়াও সহ্য নকৰে। "প্ৰতিবাদী কাৰ্যসূচীৰ ফলত অঞ্চলটোত কিছু সময়ৰ বাবে তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। সচেতন মহিলাসকলে স্পষ্ট কৰি দিয়ে যে নাৰীৰ অধিকাৰ খৰ্ব কৰিব খোজা যিকোনো শক্তিৰ বিৰুদ্ধে তেওঁলোকৰ এই সংগ্ৰাম অব্যাহত থাকিব।

# ডিগবৈ থানাৰ অন্তৰ্গত পাৱৈত হত্যাকাণ্ড

## প্ৰতিবাদী জনতাই জ্বলাই দিয়ে বাহন, বাসগৃহ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২২ এপ্ৰিল ঃ** ডিগবৈ থানাৰ অন্তৰ্গত পাৱৈত আজি এক বৰ্বৰ হত্যাকাণ্ড সংঘটিত হয়। জানিব পৰা মতে আকাশ সিঙ নামৰ লোকজনে মুন্না তিৱাৰী নামৰ এজন লোকক ট্ৰাকে মহতিয়াই হত্যা কৰে। প্ৰথমাৱস্থাত দুয়ো পক্ষৰ মাজত তৰ্কাতৰ্কি হৈ কাজিয়া সূত্ৰপাত হয়। পৰৱৰ্তী সময়ত ট্ৰাকেৰে খুন্দিয়াই খুন্দিয়াই হত্যা কৰে লোকজনক। পাৱৈ অঞ্চলত সংঘটিত এই ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ডিগবৈ থানাৰ অন্তৰ্গত পাৱৈত সুনিল সিঙ, বিকাশ সিঙ আৰু আকাশ সিঙয়ে মুন্না তিৱাৰী লগত কাজিয়াৰ সূত্ৰপাত হয়। পিছত মুন্না তিৱাৰীয়ে গাড়ী পৰা সামগ্ৰী নমাই থকাৰ সময়ত সম্পূৰ্ণ পৰিকল্পিত ভাবে মাৰপিট কৰি AS 01SC 1951 নম্বৰৰ ট্ৰাক খনেৰে আকাশ সিংয়ে একাধিক বাৰ খুন্দিয়াই খুন্দিয়াই মুন্না তিৱাৰীক হত্যা কৰে। এই ঘটনা সংঘটিত হোৱাৰ পাছতেই আকাশ সিং যে মাৰ্ঘেৰিটা থানাত আত্মসমৰ্পণ কৰে যদিও ঘটনাটো ডিগবৈ থানাত হোৱাৰ হেতুকে ডিগবৈ আৰক্ষীয়ে আকাশ সিংক চমজি লয় ঘটনাৰ তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰে। পৰৱৰ্তী সময়ত উত্তেজিত জনতা প্ৰতিবাদ মুখৰ হৈ পৰে। মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পাছত আহি পোৱাৰ লগে লগে ৰাইজে পথৰ ওপৰত ৰাখি প্ৰতিবাদ সাব্যস্ত কৰে। উত্তেজিত জনতাই এখন অটো, এখন কাৰ আৰু অভিযুক্তৰ বাসগৃহত আক্ৰমণ কৰি ক্ষতি সাধন কৰে। আৰক্ষীয়ে পৰৱৰ্তী সময়ত পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে। বাতৰি যুগুত কৰা সময়লৈকে পথ অৱৰোধ চলি আছে।

# লাহৰীঘাটত গ্ৰেপ্তাৰ দুই মহিলা সহ চাৰি ড্ৰাগছ সৰবৰাহকাৰী

**অসম বাৰ্তা, ভুৰাগাঁও, ২৩ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত আজি আৰক্ষীয়ে চলোৱা এক ড্ৰাগছৰ বিৰোধী অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছ, নগদ ধন আৰু বহু কেইটা ম'বাইল জব্দ কৰাৰ উপৰিও মহিলা সহ চাৰিজনকৈ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এক গোপন খবৰৰ ভিত্তিত আজি লাহৰীঘাট সমজিলা আৰক্ষী অধীক্ষক অমৰজ্যোতি শইকীয়া আৰু লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আদিত্য বৰাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটা দলে লাহৰীঘাটৰ বৰবৰিত ড্ৰাগছৰ বিৰুদ্ধে চলাই এই বৃহৎ অভিযান। অভিযান কালত বৰবৰি গাঁৱৰ আচৰ আলী নামৰ এজন ব্যক্তিৰ ঘৰৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰে ৯৫টা নিষিদ্ধ ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ আৰু ড্ৰাগছ ভৰ্তি কেইবাটাও চাবোনৰ বাকচৰ লগতে নগদ ধনসহ ১২ টাকৈ ম'বাইল জব্দ কৰে। আনহাতে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা সৰবৰাহকী কেইজন ক্ৰমে ফুলবানু, মহিবুৰ ৰহমান, এমৰাণ হুছেইন আৰু চুস্মা বেগম। বৰ্তমান এই সন্দৰ্ভত লাহৰীঘাট আৰক্ষীয়ে এটি গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# ৰহাৰ টোপাকুছিত উদ্‌যাপন বীৰাঙ্গনা সতী সাধনী দিৱস

**অসম বাৰ্তা, বেবেজীয়া, ২৩ এপ্ৰিল ঃ** বুৰঞ্জীবিদ, বিশিষ্ট গৱেষক প্ৰয়াত বেণুধৰ শৰ্মাই কৈছিল, মোৰ জন্ম যি জাতিতেই নহওক কিয় মোৰ শৰীৰত আকুহি বাকুহি দিলে চুতীয়াৰ তেজেই প্ৰবাহিত হ'ব। অসমৰ জনজীৱন, সংস্কৃতি, লোকাচাৰ আদিৰ অসমীয়াৰ যি পৰম্পৰা তাৰ বহুলাংশ আছিল চুতীয়া জাতিৰ। কিন্তু কালৰ সোঁতত চুতীয়া ৰাজ্যৰ বিলুপ্তিৰ পিছত জাতিটোৰ ইতিহাসৰ বহু জীয়া কাহিনী কালৰ সোঁতত হেৰাই গল। এই মন্তব্য ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰাপ্ত চিত্ৰ পৰিচালক, হস্তীৰ কন্যা আৰু বহু তথ্য চিত্ৰ নিৰ্মাতা, পৰিচালক প্ৰবীণ হাজৰিকাৰ। যোৱা মংগলবাৰে নগাঁও জিলাৰ ৰহাৰ পূৱ টোপাকুছিবুঢ়া নামঘৰ প্ৰাঙ্গণত নগাঁও জিলা চুতীয়া জাতি সন্মিলন, ৰহা আঞ্চলিক চুতীয়া জাতি সন্মিলন আৰু পূৱ টোপাকুছি অঞ্চলৰ ৰাইজৰ সৌজন্যত অনুষ্ঠিত বীৰাঙ্গনা সতী সাধনীৰ ৫০২ সংখ্যক স্মৃতি দিৱস উপলক্ষে আয়োজিত মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত এনেদৰে মন্তব্য প্ৰকাশ কৰি হাজৰিকাই আৰু কয় আজি ইতিহাস উন্মোচন কৰিবলৈ চুতীয়াৰ নৱ-প্ৰজন্মই কান্ধত দায়িত্বৰ বোজা ল'ব লাগিব। বিচক্ষণ, যুঁজাৰু আৰু পৰাক্ৰমী জাতিটোৰ ইতিহাস উন্মোচনে নৱ প্ৰজন্মক মুৰ তুলি জগত সভাত চিনাকি দিবলৈ অনুপ্ৰাণিত কৰিব। খৃষ্টীয় অষ্টম নৱম শতিকাত বৰ্তমান অৰুণাচল প্ৰদেশৰ কিছু অংশত মাটিৰ ইটাৰ স্থাপত্য আৰু অনেক ঐতিহাসিক সমল শদিয়াৰ বীস্তিৰ্ণ অঞ্চলত আজিও সিঁচৰতি হৈ আছে। যি বোৰৰ ঐতিহাসিক বিচাৰ আজিও হোৱা নাই। যি গৰাকী বীৰঙ্গনাই সাহস কৰিছিল নাৰী সেনাক সংগঠিত কৰি আহোমৰ বিৰুদ্ধে যুঁজ দিবলৈ, তেনে ৰাজশক্তি বা বীৰগাঠাই অনুপ্ৰাণিত কৰা আজিৰ চুতীয়া জাতিৰ সামাজিক স্থিতিয়ে বহু প্ৰশ্নৰেই উদ্ৰেক কৰে, সেয়েহে জাতিটোৰ নব প্ৰজন্ম ৰাজনৈতিকভাৱে শক্তিশালী হোৱাৰ গত্যন্তৰ নাই। সভাখনত ভাষণ দি সমাজ কৰ্মী, কবি ৰসধৰ বৰদলৈয়ে কয় যে পূবে হিমালয়ৰ পাদদেশ, উত্তৰে হাবুঙ, লখিমপুৰ, ঢকুৱাখনা, দক্ষিণে নগা পৰ্বত আৰু পশ্চিমে কমতা পৰ্যন্ত বিশাল ভূমিখণ্ডত অষ্টম নৱম শতিকাতে শাসন কৰা চুতীয়া ৰাজবংশৰ সা-সম্পদ আহোমৰ হাতলৈ গ'লেও আহোমে সাংস্কৃতিক বা ঐতিহাসিক সমল সমূহ ধ্বংস কৰা নাছিল, মাথোঁ এক উমৈহতীয়া জাতি সত্ত্বাত বিলীন কৰিছিল। আই সাধনীৰ আত্ম ত্যাগৰ পিছত অলিখিত ইতিহাস অনুসৰি স্বৰ্গদেউ চুহুংমুঙে আই সাধনীৰ নাবালক ভাতৃ সাধক কুমাৰক লগত১২ ঘৰ মানুহ দি বৰ্তমানৰ ৰৌতাত সংস্থাপিত কৰিছিল। সভাত বিশিষ্ট অতিথিৰ আসনৰ পৰা অসমৰ ৰাজভৱনৰ বঁটাপ্ৰাপ্ত সৈনিক শিক্ষা বিষয়া দেৱনাথ বৰদলৈয়ে কয় যে বীৰাঙ্গনা সতী আই সাধনী দিৱস উদ্‌যাপনৰ প্ৰাসঙ্গিকতাই জাতিটোৰ প্ৰতিজনকে অনুপ্ৰাণিত কৰে। ক্ষয়িষ্ণু জাতি সত্ত্বাক উজ্জীৱিত কৰিবৰ বাবে আই সাধনীৰ আত্মত্যাগ আজিৰ সন্ধিক্ষণত কেৱল চুতীয়া জাতি বুলিয়েই নহয় প্ৰতিজন লোকেই বিশ্লেষণ কৰাৰ প্ৰয়োজন। সভাত ভাষণ দি বিজ্ঞানী যুগল প্ৰসাদ বৰদলৈয়ে কয় যে বিভিন্ন জাতি জনগোষ্ঠীৰ মিলন ভূমিত মিলিত হৈয়ো নিজৰ স্বকীয়তা, স্বাভিমান আৰু পৰম্পৰা ৰক্ষাত আজিৰ চুতীয়াৰ অনেক কৰণীয় আছে। মুকলি সভাৰ আৰম্ভ ণিতে স্থানীয় শিল্পী সকলে আই সাধনীৰ বীৰগাঠা সোঁৱৰণ কৰি লিখা বিমান গাঁও খোৱাৰ সঙ্গীত পৰিচালনাত এটি সমবেত সঙ্গীত পৰিবেশন কৰে। সভাখন উদ্বোধন কৰে নগাঁও জিলা চুতীয়া জাতি সন্মিলনৰ প্ৰাক্তন সভাপতি কিনাৰাম বৰদলৈয়ে। সভাত গুৱাহাটীৰ আই আই টিত গবেষণা কৰি থকা চুতীয়া যুৱক দীপাংকৰ বৰদলৈৰ লগতে জাতিটোৰ অগ্ৰণী কেইবাজনকো সম্বৰ্ধনা জনোৱা হয়। সভাখন সঞ্চালনা কৰে নগাঁও জিলা চুতীয়া জাতি সন্মিলনৰ সভাপতি সোমেশ্বৰ বৰদলৈয়ে। সভাত ফুলগুৰিৰ কিশোৰ আৰু শিশু শিল্পী সকলে বিহু নৃত্য প্ৰদৰ্শন কৰে। পুৱা সতী সাধনী ক্ষেত্ৰৰ দ্বাৰ উদঘাটন কৰে চুতীয়া উন্নয়ন পৰিষদৰ সদস্য পঙ্কজ বৰদলৈয়ে। পতাকা উত্তোলন কৰে সোমেশ্বৰ বৰদলৈয়ে, বন্তি প্ৰজ্বলন কৰে উমেশ বৰদলৈয়ে, সতী সাধনীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু স্মৃতি তৰ্পণ মুকলি কৰে ক্ৰমে নগাঁও জিলা চুতীয়া জাতি সন্মিলনৰ সম্পাদক উত্তম কুমাৰ শইকীয়াই। বীৰাঙ্গনা সতী সাধনী দিৱস উপলক্ষে চুতীয়া জাতিৰ পৰম্পৰা আৰু সংস্কৃতি প্ৰতিনিধিত্ব কৰা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে চুতীয়া জাতি মহিলা সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী হেমপ্ৰভা বৰদলৈয়ে। নিশা সাংস্কৃতিক অনুষ্ঠানত প্ৰবীণ হাজৰিকাৰ দ্বাৰা চুতীয়া জাতিৰ বুৰঞ্জী পৰম্পৰা আৰু সাংস্কৃতিক সামাজিক ক্ষেত্ৰৰ ওপৰত নিৰ্মিত তথ্য চিত্ৰ প্ৰদৰ্শনী কৰা হয়। কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰাৰ বাবে সকলোলৈকে ৰহা আঞ্চলিক চুতীয়া জাতি সন্মিলনৰ তৰফৰ পৰা কৃতজ্ঞতা প্ৰকাশ কৰে।

# 'বিশ্ব গ্ৰন্থ দিৱস'ত প্ৰাক্তন অধ্যক্ষ পদ্মধৰ শইকীয়াৰ মাজুলী মহাবিদ্যালয়লৈ গ্ৰন্থ দান

**অসম বাৰ্তা, মাজুলী, ২৩ এপ্ৰিল ঃ** মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান মাজুলী মহাবিদ্যালয়ে বিগত ন বছৰে একাধাৰে ৰূপায়ণ কৰি অহা গ্ৰন্থ-সংগ্ৰহ কাৰ্যসূচী 'গ্ৰন্থদান মহান দান'ত ভাগ লৈ মাজুলীৰ শ্ৰীৰামপুৰ ভলুকাগুৰি গাঁও নিৱাসী মহাবিদ্যালয়খনিৰ প্ৰাক্তন কৃতী ছাত্ৰ তথা শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, শিক্ষাবিদ পদ্মধৰ শইকীয়াই আজি পঁচপন্ন হাজাৰ টকা দান কৰে। আজি বিশ্ব গ্ৰন্থ দিৱসৰ দিনটোতে প্ৰাক্তন অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয় পুথিভঁৰাললৈ তেওঁ পিতৃ প্ৰয়াত চেনিৰাম শইকীয়া আৰু মাতৃ প্ৰয়াত টিলিকি শইকীয়াৰ স্মৃতিত তিনিটা কিতাপ থোৱা আলমিৰা ৰ্বয় কৰিবলৈ উক্ত ধনৰ চেক অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ হাতত অৰ্পণ কৰে। শিক্ষাবিদ পদ্মধৰ শইকীয়াৰ এনে বদান্যতাৰ কৃতজ্ঞতা জ্ঞাপন কৰি আজি দিনৰ বাৰ বজাত অধ্যক্ষৰ কক্ষত আহ্বান কৰা বিশেষ সভাখনিৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই পদ্মধৰ শইকীয়া আৰু তেওঁৰ সহধৰ্মিণী কৰুণা বৰা শইকীয়াক অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু মহাবিদ্যালয়ৰ স্মাৰকেৰে সম্বৰ্ধনা জনায়। নিজৰ পেঞ্চনৰ ধনৰ পৰা মহাবিদ্যালয়লৈ আগবঢ়োৱা এই দানে দুখীয়া শিক্ষাৰ্থীসকলৰ পৰম উপকাৰ সাধিব বুলি মন্তব্য কৰাৰ লগতে অনাগত সময়তো মহাবিদ্যালয়খনিক পদ্মধৰ শইকীয়াই চেনেহৰ চকুৰে চাব বুলি আশা প্ৰকাশ কৰে। পদ্মধৰ শইকীয়াৰ এই বদান্যতাৰ কথা কেতিয়াও পাহৰিব নোৱাৰি বুলি মন্তব্য কৰি ড° শইকীয়াই কয়, "গ্ৰন্থাগাৰ হৈছে শিক্ষানুষ্ঠান এটিৰ হৃৎপিণ্ডস্বৰূপ। মাজুলী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটি সমৃদ্ধ কৰিবলৈ বিগত নটা বছৰে শুভাকাংক্ষীসকলে যেনে মহানুভৱতা প্ৰদৰ্শন কৰিছে, তাৰ তুলনা পাবলৈ টান। ৰাইজৰ এই বদান্যতাই শিক্ষাৰ্থীসকলক কিতাপ পঢ়িবলৈ অনুপ্ৰাণিত কৰি এক মহৎ উদ্দেশ্য সিদ্ধি কৰিছে।" সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত

## 'গ্ৰন্থাগাৰ শিক্ষানুষ্ঠান এটাৰ হৃৎপিণ্ড'

অধ্যক্ষত্ৰয় সৰ্বেশ্বৰ হাজৰিকা, নৰেন চন্দ্ৰ ঠাকুৰীয়া আৰু ভোলা বৰা, প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সম্পাদক ড° ৰাজেন চন্দ্ৰ বৰা, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, বিভাগীয় মুৰব্বী ক্ৰমে অপূৰ্বজ্যোতি হাজৰিকা, ড° দুলাল হাজৰিকা, সুৰেন চন্দ্ৰ দাস, ড° প্ৰফুল্ল বৰা, কৰ্মচাৰী গোটৰ ভাৰপ্ৰাপ্ত সভাপতি উৎপল বৰুৱা, দাতা-শিক্ষাবিদগৰাকীৰ সহধৰ্মিণী কৰুণা বৰা শইকীয়া প্ৰমুখ্যে লোকসকল উপস্থিত থাকে। নিজে পঢ়ি যোৱা শিক্ষানুষ্ঠানটোৰ প্ৰতি শিক্ষাবিদ পদ্মধৰ শইকীয়াই প্ৰদৰ্শন কৰা বদান্যতাৰ বাবে মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামী, মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, উপ-সভাপতি ড°ৰূপজ্যোতি বৰা, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সন্থাৰ সভাপতি-দিবাকৰ শইকীয়া, ডিম্বেশ্বৰ দত্ত, মহাবিদ্যালয়ৰ প্ৰাক্তন সংগীত সম্পাদক তথা জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূএগ, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা আপকুৰ সভাপতি ৰঞ্জন বৰা, অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সম্পাদক ড° দেৱজ্যোতি ভট্টাচাৰ্য প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে শিক্ষাবিদগৰাকীক ধন্যবাদ জনাই বাৰ্তা প্ৰেৰণ কৰিছে।

# নতুন দিল্লীত জিলিকিল দেৰগাঁৱৰ সন্তান

**অসম বাৰ্তা, দেৰগাঁও, ২৩ এপ্ৰিল ঃ** ইংৰাজী ১৬ৰ পৰা ২২ এপ্ৰিললৈ নতুন দিল্লীৰ ঠিয়াগৰাজ ষ্টেডিয়ামত Director Of Education, GNCT Of Delhiয়ে অনুষ্ঠিত কৰা School Games Federation OF Indiaৰ 69Th National School Games 2025-2026ত গোলাঘাট তথা দেৰগাঁও সম জিলাৰ এক অগ্ৰণী সমৰ কলা প্ৰশিক্ষণ কেন্দ্ৰ, দেৰগাঁও ষ্টাৰ স্পৰ্টছ মাৰ্চিয়েল আৰ্টছ একাডেমিৰ মুখ্য প্ৰশিক্ষক ৰঞ্জিত ৰিস্কু বৰাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি থকা, একাডেমিৰ জেষ্ঠ্য প্ৰশিক্ষাৰ্থী-ভৈৰৱ ৰিস্কু বৰা আৰু উজ্জ্বল কুমাৰ দাস দুয়ো দেৰগাঁও ৰেডিয়েণ্ট কলেজ, ৰয়েল একাডেমিৰ দ্বাদশ শ্ৰেণীৰ কলা শাখাৰ ছাত্ৰই গোলাঘাট জিলাৰ পৰা অসম দলক প্ৰতিনিধিত্ব কৰি KALARIPPAYTU-Neduvadippayattu (Long Staff Fight)ত অংশগ্ৰহণ কৰি



ব্ৰঞ্জ পদক প্ৰাপ্তিৰে অসমৰ লগতে গোলাঘাট জিলা-দেৰগাঁও সম জিলাৰ ক্ৰীড়া ক্ষেত্ৰলৈ সুনাম অৰ্জনে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত নিজ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰিয়ালবৰ্গৰ লগতে শুভাকাংক্ষী সকল উৎফুল্ল হৈ দুই পদক প্ৰাপ্তি উদীয়মান খেলুৱৈক আজি প্ৰশিক্ষণ কেন্দ্ৰৰ দেৰগাঁও লঠাগাঁও স্থিত মুখ্য প্ৰশিক্ষণ স্থলীত অভিনন্দন সহ শুভেচ্ছা জনাই অনাগতলৈ এনেদৰেই একাগ্ৰতাৰে ক্ৰীড়া সাধনাৰে অনুশীলন অব্যাহত ৰাখি সফলতা প্ৰাপ্তিৰে আগুৱাই যোৱাৰ আজিৰ এই অনুষ্ঠানত উপস্থিত থাকে একাডেমীৰ প্ৰতিষ্ঠাপক সভাপতি, লঠাগাঁৱৰ গাঁও প্ৰধান- দ্বিপেন বৰা, ক্ৰীড়া ভাৰতীৰ গোলাঘাট জিলাৰ সম্পাদক-ৰমেশ বৰাকে প্ৰমুখ্য কৰি গোলাঘাট জিলাৰ বিষয়-ববীয়া বিৰেণ গগৈ, ৰাষ্ট্ৰীয় পদকপ্ৰাপ্ত কালাৰিপাইট্টু-চয়নিকা দত্ত, বক্সিং প্ৰশিক্ষক-দিগন্ত নাথ, ৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ- প্ৰণৱজ্যোতি বৰা, যুৱ ক্ৰীড়া সংগঠক-পুৰুষোত্তম বসুমতাৰী, অমৰ বৰুৱা, বাসন্তী নাথ, যুৱ নেতা- ৰূপম বৰা, নিতুল বৰাৰ লগতে একাডেমিৰ বিষয়ববীয়া, প্ৰশিক্ষক-প্ৰশিক্ষাৰ্থী আৰু স্থানীয় শুভাকাংক্ষীসকল।

# শিৱসাগৰত ভোটগণনা প্ৰক্ৰিয়াৰ প্ৰস্তুতি সন্দৰ্ভত বৈঠক সম্পন্ন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ২৩ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ তিনিখন বিধানসভা সমষ্টি ক্ৰমে ৯৫-ডিমৌ, ৯৬- শিৱসাগৰ আৰু ৯৭-নাজিৰাৰ বাবে অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আগন্তুক ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া ভোটগণনা প্ৰক্ৰিয়াৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰাৰ অৰ্থে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখনি গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া মৃদুল য়াদৱৰ অধ্যক্ষতাত তথা জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত ভোটগণনা প্ৰক্ৰিয়াৰ নিয়মাৱলী সম্পৰ্কে বিস্তৃতভাৱে অৱগত কৰা হয়। উল্লেখ্য যে ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা মৰ্মে অহা ৪ মে'ত পুৱা ৮ঃ০০ বজাৰ পৰা ভোটগণনা প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। ভোটগণনা প্ৰক্ৰিয়া সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে নিয়োজিত নিৰ্বাচনী বিষয়ববীয়াসকলৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদানৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি বৈঠকত জনোৱা হয়। তদুপৰি ভোটগণনা প্ৰক্ৰিয়াৰ সফল পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ৰেণ্ডমাইনেচন প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰতিটো টেবুলত একোগৰাকীকৈ কাউণ্টিং ছুপাৰভাইজাৰ, কাউণ্টিং সহায়ক আৰু মাইক্ৰ অবজাৰ্ভাৰ নিয়োজিত কৰা হৈছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া গৰাকীয়ে সংশ্লিষ্ট সকলোকে নিজ নিজ কৰ্তব্য নিষ্ঠা আৰু দায়িত্ব সহকাৰে পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে সংশ্লিষ্ট নিয়মাৱলী সম্পৰ্কে ৰাজনৈতিক দলৰ প্ৰতিনিধিসকলক আগতীয়াকৈ বিষদভাৱে অৱগত কৰিবলৈ কয়। এই বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা ৯৫-ডিমৌ বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, জিলা উন্নয়ন আয়ুক্ত তথা ৯৭-নাজিৰা বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া পবিত্ৰ কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত তথা ৯৬-শিৱসাগৰ বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়া মীনাক্ষী পেৰ্মে, অতিৰিক্ত জিলা আয়ুক্ত তথা নিৰ্মাণ শাখাৰ ভাৰপ্ৰাপ্ত বিষয়া লুকুমণি বড়া, অতিৰিক্ত জিলা আয়ুক্ত সকল ক্ৰমে গৌৰীপ্ৰিয়া দেউৰী, সোণতৃষ্ণা ঘৰফলীয়া আৰু ৰণন্ময় ভৰদ্বাজ, সহকাৰী ৰিটাৰ্ণিং বিষয়াসকল, নিৰ্বাচনী বিষয়া অদিতি নেওগ, জিলা তথ্য প্ৰযুক্তি বিজ্ঞান বিষয়া জগদীশ বুঢ়াগোহাঁই প্ৰমুখ্যে বিভিন্ন নিৰ্বাচনী কোষৰ ন'ডেল আৰু সহকাৰী ন'ডেল বিষয়াসকলৰ লগতে জিলা পৰ্যায়ৰ মাষ্টাৰ ট্ৰেইনাৰ উপস্থিত থাকে।

# স্ৰোতস্বিনীৰ তৰংগত সাহিত্য সংস্কৃতিৰ মঞ্চৰ ২য় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অসম বাৰ্তা, বেবেজীয়া, ২৩ এপ্ৰিল ঃ** স্ৰোতস্বিনীৰ তৰংগত সাহিত্য আৰু সংস্কৃতিৰ স্নেহবন্ধন মঞ্চ, অসমৰ দ্বিতীয় বাৰ্ষিক প্ৰতিষ্ঠা দিৱসটি অহা ২৬ এপ্ৰিল, দেওবাৰে নগাঁও প্ৰেছ ক্লাবত দিনজোৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ দিহা কৰা হৈছে। অনুষ্ঠানটিৰ প্ৰতিষ্ঠাপক তথা সম্পাদক দীপ দাসে জনোৱা মতে প্ৰতিষ্ঠা দিৱসৰ এই শুভ ক্ষণত কেইবাগৰাকীও বিশিষ্ট আৰু উদীয়মান সাহিত্য-সাংস্কৃতিক কৰ্মীক বিশেষ বঁটাৰে সন্মানিত কৰা হ'ব। তাৰ ভিতৰত স্ৰোতস্বিনী সাহিত্য বঁটা যোৰহাট এলেঙি সত্ৰৰ সত্ৰাধিকাৰ ড° জগন্নাথ দেৱ মহন্তক, স্ৰোতস্বিনীৰ সুৰ-মঞ্জৰী বঁটা জাঁজীৰ কণ্ঠশিল্পী ভাৰ্গৱ জ্যোতি দাসক, অভিনয় তৰংগ সন্মান কামপুৰৰ পুতুল ভূএগক আৰু ইয়াৰ উপৰিও ৭০ গৰাকী ন-পুৰণি লেখক সাহিত্যিকক সাহিত্য সন্মান প্ৰদান কৰা হব আৰু বিভিন্ন অনলাইন প্ৰতিযোগিতা পুৰস্কাৰ বিতৰণ কৰা হ'ব। এই অনুষ্ঠানতে "স্ৰোতস্বিনী লহৰ" শীৰ্ষক স্মৃতিগ্ৰন্থ আৰু ক্ৰমে দীপ দাসৰ গল্প সংকলন "ঠিকনাৰ সিপাৰে তুমি" বন্তি শইকীয়াৰ কাব্য পুথি "সেউজী পাতৰ পৰা শেষ নিশাৰ অতিথিলৈ" মেঘালী দেৱীৰ কাব্যগ্ৰন্থ "অনুভৱৰ দলিচাত জীৱন বাট" আৰু অনুপ গোস্বামীৰ কাব্য সংকলন "নীৰৱ শব্দৰ কোলাহল" উন্মোচন কৰা হ'ব।

# প্ৰাকৃতিক পৰিৱেশত দেৱকান্ত বৰদলৈৰ গ্ৰন্থ "অতীতৰ সন্ধানত-৪ৰ্থ খণ্ড উন্মোচন

**অসম বাৰ্তা, বেবেজীয়া, ২৩ এপ্ৰিল ঃ** ঐতিহাসীক সোণাই পাৰৰ প্ৰচাৰ বিমুখ লেখক, অৱসৰপ্ৰাপ্ত শিক্ষক দেৱকান্ত বৰদলৈৰ শেহতীয়া গ্ৰন্থ "অতীতৰ সন্ধানত- ৪ৰ্থ খণ্ড" দেওবাৰে এক ব্যতিক্ৰমী পৰিৱেশত উন্মোচন কৰা হয়। মুকলি আকাশৰ তলত এক প্ৰাকৃতিক পৰিৱেশত বহু কেইগৰাকী বিশিষ্টব্যক্তিৰ উপস্থিতিত তথ্য সমৃদ্ধ গ্ৰন্থখনি উন্মোচন কৰে তিৱা সাহিত্য সভাৰ প্ৰাক্তণ সভাপতি দিপেন্দ্ৰ নাথ বৰদলৈয়ে। গ্ৰন্থখনি



উন্মোচন কৰি বিশিষ্ট সাহিত্যিক গৰাকীয়ে কয়- দেৱকান্ত বৰদলৈৰ ব্যক্তিগত প্ৰয়াস নৱ প্ৰজন্মৰ আদৰ্শ স্বৰূপ। বৰদলৈয়ে সোণাই নদীৰ বৃহত্তৰ অঞ্চলটোৰ ভিতৰুৱা গাঁওবোৰ, জাতি-জনগোষ্ঠীৰ ঐতিহ্য-পৰম্পৰা, সামাজিক ৰীতি-নীতি আটাইবোৰ খুচৰি "অতীতৰ সন্ধানত" গ্ৰন্থখনি ইতিমধ্যেই চাৰিটা খণ্ডত প্ৰকাশ কৰি পাঠক ৰাইজলৈ আগবঢ়াই দিছে। এয়া তেখেতৰ মহান আৰু সামাজিক প্ৰয়াস। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে বিশিষ্ট সমাজকৰ্মী নোমল বৰা, আব্দুছ ছাত্তাৰ, সাংবাদিক ৰাহুল দেৱ বৰদলৈ, জাজৰি শাখা সাহিত্য সভাৰ প্ৰাক্তণ সভাপতি নৰেন ডেকা, অৱসৰপ্ৰাপ্ত শিক্ষক সুৰেন চন্দ্ৰ দাস, সমাজকৰ্মী পুতুকন বৰদলৈ, শ্ৰীকান্ত হীৰা, পৰমানন্দ ডেকা, লিখাৰাম পুমা, শৰৎ ডেকা, শৈল্য ডেকাৰজা, সূৰুজ বৰদলৈ, পবিত্ৰ বৰদলৈকে ধৰি স্থানীয় লোকসকল। অনুষ্ঠানৰ অন্তত দেৱকান্ত বৰদলৈয়ে পৰৱৰ্তী সময়ত "অতীতৰ সন্ধানত ৫ম খণ্ড"টি প্ৰকাৰ ইচ্ছা প্ৰকাশ কৰে।

# নাজিৰা লিগিৰী পুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়ত অঘটন

**অসম বাৰ্তা, গেলেকী, ২৩ এপ্ৰিল ঃ** নাজিৰাৰ লিগিৰীপুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া অসামৰিক চিকিৎসালয়ত চাঞ্চল্যকৰ ঘটনা সংঘটিত হয়। চিকিৎসালয়খনৰ জৰুৰীকালীন কক্ষত স্থানীয় এজন যুৱকৰ আত্মহননৰ ঘটনাক লৈ চাঞ্চল্যৰ সৃষ্টি হয়। যুৱক জনৰ নাম মিণ্টু দত্ত (৩৭) বুলি জানিব পৰা গৈছে। পুৱাৰ ভাগত প্ৰায় ৬ মান বজাত এগৰাকী কৰ্তব্যৰত নাৰ্চে এই ঘটনা প্ৰত্যক্ষ কৰি চিকিৎসালয়খনৰ নিৰাপত্তাৰক্ষীক খবৰ দিয়ে বুলি জানিব পৰা গৈছে। নিশা চিকিৎসালয়খনত নিৰাপত্তাৰক্ষী থকাৰ লগতে কৰ্তব্যৰত চিকিৎসক, নাৰ্চ থকাৰ পাছতো স্থানীয় এজন যুৱকে কেনেদৰে কোঠাৰ ভিতৰত চৰমপন্থা ল'লৈ তাক লৈ সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে যুৱকজনে কিয় এই পন্থা বাচি ল'লৈ সেই বিষয়েও জানিব পৰা হোৱা নাই বাতৰি যুগুত কৰাৰ পৰলৈকে। চিকিৎসালয় খনত নিৰাপত্তা শিথিলতাৰ বাবেই এনেধৰণৰ ঘটনা সংঘটিত হোৱাৰ আংশকা কৰা হৈছে। ইতিমধ্যে যুৱক জনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অহাৰ পিছতহে সমগ্ৰ ঘটনা পোহৰলৈ অহাৰ আশংকা কৰা হৈছে।

**একাংশৰ ষড়যন্ত্ৰৰ বাবে ৰাভা বড়োৰ মাজত সংঘাত সৃষ্টি হৈছিল ঃ তুলসীধৰ বড়ো**

# দুধনৈ শ্বহীদ নগৰত ২৪ গৰাকী ৰাভা জাতীয় বীৰ শ্বহীদক স্মৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ২৩ এপ্ৰিল ঃ** ৰাভা জাতীয় সংগ্ৰামৰ ২৪ গৰাকী বীৰ শ্বহীদক স্মৰণ কৰি আজি গোৱালপাৰা জিলাৰ দুধনৈৰ শ্বহীদ নগৰত ২২ সংখ্যক "ৰাভা জাতীয় শ্বহীদ দিৱস" তথা স্মৃতিচাৰণ সভা পালন কৰা হয়। নিখিল ৰাভা ছাত্ৰ সন্থা (আৰছু), নিখিল ৰাভা মহিলা পৰিষদ আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে এইশ্বহীদ দিৱস উদ্‌যাপন কৰা হয়। পুৱা ১০ বজাত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল ৰাভা, নিখিল ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী ললিতা ৰাভা আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভাই যুটীয়াভাৱে পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাই শ্বহীদ তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰে। ৰাভা জাতীয় সংগ্ৰামৰ ২৪ গৰাকী অমৰ শ্বহীদ— অনুকূল ৰাভা, পৱন ৰাভা, ৰবীন্দ্ৰ ৰাভা, সুবান ৰাভা, লবিন উৰাও, পঞ্চমী ৰাভা, কামিনী ৰাভা, পতন ৰাভা, মনোৰঞ্জন ৰাভা, বিচিত্ৰা ৰাভা, নিকন ৰাভা, বিনয় ৰাভা, ধৰণীধৰ ৰাভা, ৰবীন ৰাভা, অমৃত ৰাভা, ঝাৰেবালা ৰাভা, প্ৰফুল্ল ৰাভা, প্ৰবীন ৰাভা, অলকা ৰাভা, পাতেশ্বৰী ৰাভা, হৰেণ ৰাভা, অমিয়া ৰাভা, ৰবিৰাম উৰাও আৰু ৰমেন ৰাভাৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্জ্বলন কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষা অলকা ৰাভাই। শ্বহীদসকলৰ স্মৃতিত বৃক্ষৰোপণ কৰে আৰছুৰ উপদেষ্টা চিৰাজ ৰংদুং আৰু ষষ্ঠ অনুসূচী দাবী সমিতিৰ মুখ্য উপদেষ্টা মহীধৰ ৰাভাই। অনুষ্ঠানত শ্বহীদ পৰিয়ালসমূহক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। পৰৱৰ্তী সময়ত তিনি ৰাভা জাতীয় সংগঠন ক্ৰমে আৰছু, ষষ্ঠ অনুসূচী দাবী সমিতি আৰু নিখিল ৰাভা মহিলা পৰিষদৰ সভাপতিত্ৰয়ৰ যৌথ পৌৰাহিত্যত অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাত ৰাভা জাতীয় সংগঠনৰ নেতৃত্বই চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে ২০০৪ চনত ৩ গৰাকী, ২০১০ চনত ১ গৰাকী আৰু ২০১৩ চনত ২০ গৰাকীকে ধৰি মুঠ ২৪ গৰাকী সংগ্ৰামীয়ে জাতিৰ হকে প্ৰাণ আহুতি দিছিল। সভাত আৰছুৰ সম্পাদক ড° সুভাষ ৰাভাই কয়, "প্ৰাপ্তিৰ দাবীত প্ৰাণ আহুতি দিয়া এই বীৰসকলৰ সপোন আজিও পূৰণ হোৱা নাই। আমি অসম আৰু ভাৰত চৰকাৰক অতি সোনকালে ৰাভা হাছঙক ষষ্ঠ অনুসূচী প্ৰদান কৰিবলৈ আহ্বান জনাইছো।" নেতৃত্বই স্পষ্ট কৰি দিয়ে যে যেতিয়ালৈকে ষষ্ঠ অনুসূচীৰ দাবী পূৰণ নহয়, তেতিয়ালৈকে ১৮টা জাতি-জনগোষ্ঠীৰে গঠিত যুটীয়া সংগ্ৰাম সমিতিয়ে আন্দোলন অব্যাহত ৰাখিব। স্মৃতিচাৰণ সভাত কামৰূপ আৰু দক্ষিণ গোৱালপাৰা বড়ো সমন্বয়ৰক্ষী সমিতিৰ কাৰ্যকৰী সভাপতি তুলসীধৰ বড়োৱে ভাষণ প্ৰসংগত কয় যে, একাংশই ৰাভা, বড়ো জনগোষ্ঠীৰ সমন্বয় বিঘ্নিত কৰাৰ কৌশল ৰচনা কৰাত ব্যস্ত হৈ পৰিছে। আমি সেয়া কেতিয়াও সফল হবলৈ নিদিওঁ। আজি দুষ্ট চক্ৰক পৰাভুত কৰি ৰাভা বড়োৰ মিলন হৈছে। একাংশৰ ষড়যন্ত্ৰৰ বাবে ৰাভা বড়োৰ মাজত ইমানদিনে সংঘাত হৈ আছিছিল। এতিয়া আমি একেলগে কামকৰাৰ বাবে সাজু হৈছো। সভাৰ মাজতে শ্বহীদ সকলক সন্মান জনাই ৰাভা সকলৰ পৰম্পৰাগত 'ফাৰকান্তি' নৃত্যও প্ৰদৰ্শন কৰা হয়। আজিৰ এই কাৰ্যসূচীত সহস্ৰাধিক ৰাভা জনগোষ্ঠীয় লোকৰ লগতে বিভিন্ন সংগঠনৰ বিষয়ববীয়া সকল উপস্থিত থাকে।

# বাক্সাৰ পূৱ বগৰীবাৰী ৰঙালী বিহু উদ্‌যাপনৰ সফল সামৰণি

**অসম বাৰ্তা, বাগানপাৰা, ২৩ এপ্ৰিল ঃ** বাক্সা জিলাৰ পূৱ বগৰীবাৰী ৰঙালী বিহু ২১ আৰু ২২ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা ২২ সংখ্যক ৰঙালী বিহু সন্মিলনৰ কালি নিশা সামৰণি পৰে। বিহু উপলক্ষে প্ৰথম দিনা পূৱ বগৰীবাৰী ৰঙালী বিহু উদযাপন সমিতিৰ সাংস্কৃতিক বিভাগৰ সভাপতি অমিন্দ্ৰ বৈশ্যই পৰিৱেশ নিকাকৰণেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত পূৱ বগৰীবাৰী ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি হৰমোহন সাউদে বিহু পতাকা উত্তোলন কৰে। পূৱ বগৰীবাৰী গাঁও উন্নয়ন সমিতিৰ সভাপতি ধীৰেশ্বৰ বৈশ্যই বৃক্ষৰোপণ কৰে। অনুষ্ঠিত হয় বিভিন্ন খেল-ধেমালি। সন্ধিয়া অতুল বৈশ্য, যতীন বৈশ্য, গোলোক বৈশ্য, আৰু বাবুল বৈশ্যই বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পিছত প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ একঁাজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। 'বাটৰে শেষত' অসমীয়া আধুনিক গীতৰ আধাৰত একক নৃত্য প্ৰদৰ্শন কৰা হয়। দ্বিতীয় দিনা পুৱাৰ ভাগত পূৱ বগৰীবাৰী বিহু উদযাপন সমিতিৰ সাংস্কৃতিক বিভাগৰ সম্পাদক পংকজ বৈশ্যই পৰিৱেশ নিকাকৰণ, উত্তৰকুছি গাঁও প্ৰধান সদানন্দ দাসে বৃক্ষৰোপণ কাৰ্য সম্পন্ন কৰে। অনুষ্ঠিত হয় বিভিন্ন খেল-ধেমালি, ভেশচন, কুইজ প্ৰতিযোগিতা। সন্ধিয়া পুনৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। সমূহীয়া বন্তি প্ৰজ্বলন কৰে ক্ৰমে অজিত সাউদ, বসন্ত বৈশ্য, বসন্ত বৈশ্য (বাবুলী) দিগন্ত বৈশ্য, ভুৱনেশ্বৰ বৈশ্য আৰু গিৰেন বৈশ্যই। কৃতী শিক্ষক কালিন্দ্ৰ বৈশ্যই সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত বিহু দল শ্ৰীপুৰদেওৰৰ বৰদৈছিলা বিহু হুঁচৰি দল বৰদলৈ বিহু হুঁচৰি দল, কুৱৰি চ'কৰ সমন্বয় বিহু হুঁচৰি দল, জাগীৰোডৰ ৰিমঝিম বাৰেৰহনীয়া সাংস্কৃতিক গোষ্ঠী, ভাওৰাগুৰিৰ খেৰাই নৃত্য, তেতেলিগুৰিৰ চাওঁতালী নৃত্য, মধ্য বগৰীবিৰীৰ ৰাভা নৃত্য প্ৰদৰ্শন কৰে। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ আমন্ত্ৰিত শিল্পী তপন ত্ৰিদিপ আৰু কাজল প্ৰিয়াৰ গীতৰ শৰাই। সাংস্কৃতিক সন্ধিয়াৰ পূৰ্বে অঞ্চলৰ কেইগৰাকী বিশিষ্ট অতিথিক সম্বৰ্ধনা জনোৱাৰ লগতে সাংবাদিক খগেন ভূএগ, শিক্ষক মোহন গৌতমক সম্বৰ্ধনা জনোৱা হয়। পূৱ বগৰীবাৰী ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি হৰমোহন সাউদ, উপ-সভাপতি প্ৰণৱ বৈশ্য, সম্পাদক যুৱৰাজ বৈশ্য আৰু ভৱেশ বৈশ্যক সহঃ সম্পাদক হিচাপে লৈ বিহু উদযাপন সমিতিখন গঠন কৰা হৈছে। ঢোল, পেপা গগনা, খাম, চিফুং, মাদলৰ ধ্বনিত মুখৰিত হৈছে পূৱ বগৰীবাৰী নামঘৰ প্ৰাংগনৰ বিহুতলী। দুপৰ নিশিলৈকে বিহুবলীয়া ৰাইজে অতি আনন্দৰে উপভোগ কৰিছে ৰঙালী বিহুৰ সাংস্কৃতিক অনুষ্ঠান।

## সম্পাদকীয়

# আশা-নিৰাশাৰ মাজেৰে নতুন ভিত্তি

অসমৰ প্ৰায় তিনি লাখ শিক্ষাৰ্থীৰ বাবে বহুদিনৰ অপেক্ষাৰ অন্ত পেলাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২৮ এপ্ৰিলত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব বুলি জনাইছে। সমগ্ৰ ৰাজ্যৰ ৮২১টা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাত কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিমুখী শাখাত মুঠ ৩, ৩০, ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ছাত্ৰীৰ সংখ্যা ছাত্ৰতকৈ অধিক— যিটো অসমৰ শিক্ষাক্ষেত্ৰৰ বাবে ইতিবাচক দিশ।

প্ৰথমবাৰৰ বাবে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (ASSEB) উচ্চতৰ মাধ্যমিক পৰীক্ষা সম্পন্ন কৰিলে। পূৰ্বৰ AHSEC আৰু SEBA বিলুপ্ত কৰি গঠিত এইনতুন সংস্থাটোৱে HSLC আৰু HS উভয় পৰীক্ষাৰ দায়িত্ব পালন কৰিছে। পৰীক্ষা সুকলমে কৰিবলৈ চৰকাৰে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছিল: প্ৰতিটো কেন্দ্ৰত চিচিটি.ভি. কেমেৰা, ফ্লাইং স্কোৱাড, আৰু ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা বলৱৎ। এই পদক্ষেপসমূহে নকলমুক্ত পৰীক্ষাৰ প্ৰতি চৰকাৰৰ দৃঢ়তা দেখুৱাইছে। তথাপি সাধাৰণ মানুহৰ মনত কেইবাটাও প্ৰশ্নৰ উত্থাপিত হৈছে। প্ৰথমতে, নতুন পৰিষদটোৱে সময়মতে ফলাফল দিব পাৰিব নে? কাৰণ বিগত বৰ্ষত প্ৰশাসনিক জটিলতাত ফলাফল পলম হৈছিল। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত তাৰিখ ঘোষণা কৰিলেও, পৰিষদৰ আনুষ্ঠানিক ৱেবছাইটৰ স্থিতি আৰু ফলাফলৰ নিৰ্ভৰযোগ্যতা সম্পৰ্কে শিক্ষাৰ্থীসকল দুশ্চিন্তাগ্ৰস্থ।

দ্বিতীয়তে, পৰীক্ষাৰ গুণগত মান নিৰ্ধাৰণৰ বাবে কি ব্যৱস্থা লোৱা হৈছে? অতীতত বহুতে অভিযোগ দিছিল যে মূল্যায়নত স্বচ্ছতাৰ অভাৱ আছে। নকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱা ভাল, কিন্তু ইয়াৰ বাবেই বহু সৎ পৰীক্ষাৰ্থীও মানসিক চাপত পৰিছিল। চৰকাৰে এতিয়া নিশ্চিত কৰিব লাগিব যে মূল্যায়ন ন্যায্য আৰু সময়ানুগত হয়।

তৃতীয় প্ৰশ্নটো অতি গুৰুত্বপূৰ্ণ। ফলাফল ঘোষণাৰ পিছত উত্তৰৰ প্ৰতিলিপি (মাৰ্কশ্বীট) আৰু পাছযোগ্যতাৰ প্ৰমাণপত্ৰ কেতিয়া বিতৰণ কৰা হ'ব? উচ্চশিক্ষা বা কৰ্মসংস্থাপনৰ বাবে এই কাগজপত্ৰ জৰুৰী। বহু বছৰ ধৰি প্ৰমাণপত্ৰ বিলম্বে পোৱাৰ অভিযোগ আছে। আশা কৰোঁ, নতুন পৰিষদে এইক্ষেত্ৰত উন্নতি দেখুৱাব।

ইয়াৰ লগতে কেইটামান সামাজিক দিশো মন কৰিব লগা হৈছে। কলা শাখাত ছাত্ৰীৰ সংখ্যা ছাত্ৰতকৈ প্ৰায় ৪২ হাজাৰ বেছি— এই প্ৰৱণতাই অসমৰ মহিলা সাক্ষৰতাৰ উন্নতিৰ লগতে চাকৰিৰ বজাৰত ছাত্ৰীসকলৰ বাবে সুযোগৰ প্ৰশ্নও তুলিছে। আনহাতে, বিজ্ঞান আৰু বাণিজ্য শাখাত ছাত্ৰৰ আধিক্যই পৰিৱৰ্তিত অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ ইংগিত দিয়ে।

বৃত্তিমুখী শাখাত পৰীক্ষাৰ্থী মাত্ৰ ১, ৫০৫ গৰাকী—এই সংখ্যা অতি নগণ্য। অসম চৰকাৰে যুঁজাৰু, ডিজিটেল নৰ্থ ইষ্ট আদি পদক্ষেপ লৈছে, তথাপি বৃত্তিমুখী শিক্ষাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ অধিক উদ্যোগৰ প্ৰয়োজন। শিক্ষাৰ্থীসকলে যাতে কেৱল পৰীক্ষা পাছ কৰাৰ বাবেই নহৈ, দক্ষতা অৰ্জনৰ বাবে শিক্ষা গ্ৰহণ কৰে— সেয়া নিশ্চিত কৰাটো প্ৰয়োজন।

শেষত, আমি মুখ্যমন্ত্ৰীৰ শুভেচ্ছা সাদৰে গ্ৰহণ কৰোঁ। কিন্তু কেৱল ফলাফল ঘোষণা কৰিলেই নহয়, যাতে দুৰ্বল ফল কৰাসকলে পুনৰ সুযোগ পায়, উজ্জ্বল ফল কৰাসকলে সঠিক কাউন্সেলিং লাভ কৰে— তাৰ বাবেও পৰিষদ আৰু চৰকাৰক আগুৱাই আহিব লাগিব। সকলো শিক্ষাৰ্থীৰ ভৱিষ্যত উজ্জ্বল হওক— এই কামনাৰে।

# আধুনিকতাৰ মাজত ৰঙালী বিহুৰ পৰম্পৰাৰ সুৰক্ষা

**কমলেশ কাঞ্চন**

সময়ৰ পৰিৱৰ্তনৰ লগে লগে ব'হাগ বিহুৰ ৰূপো কিছু পৰিৱৰ্তন হোৱা দেখা গৈছে। আধুনিক যুগত এই উৎসৱ অধিক জাকজমক আৰু প্ৰদৰ্শনমুখী হৈ উঠিছে। বৰ্তমান বিহু মানে মঞ্চ, লাইট, কেমেৰা আৰু প্ৰতিযোগিতাৰ বৃহৎ পৰিসৰ। চহৰসমূহত বৃহৎ মঞ্চ, সংগীতানুষ্ঠান আৰু প্ৰতিযোগিতাৰ জৰিয়তে বিহুক নতুন ৰূপত উপস্থাপন কৰা হৈছে। পৰম্পৰাগত বিহুৱানৰ লগতে আধুনিক ফেশ্বনৰ মিশ্ৰণ ঘটিছে। পৰম্পৰাগত ঢোল-পেঁপাৰ ঠাইত আধুনিক বাদ্যযন্ত্ৰৰ ব্যৱহাৰ হোৱা দেখা গৈছে। মহানগৰীত বহু দিনীয়াকৈ সাংস্কৃতিক অনুষ্ঠান, আলোকসজ্জা আৰু ব্যৱসায়িক দৃষ্টিভংগীৰে বিহু উদযাপন কৰিবলৈ ধৰিছে। আকৌ টেলিভিছন আৰু সামাজিক মাধ্যমৰ প্ৰভাৱত বিহু আজি বিশ্বমঞ্চতো পৰিচিত হৈছে। এই পৰিৱৰ্তনে ৰঙালী বিহুক জনপ্ৰিয়তা প্ৰদান কৰিছে, কিন্তু ইয়াৰ সৰলতা আৰু মৌলিক সৌন্দৰ্য্য কিছু পৰিমাণে ক্ষীণ কৰিছে। এই পৰিস্থিতিত আমাৰ আগত গুৰুত্বপূৰ্ণ প্ৰশ্ন উঠে যে, "আমি আমাৰ ঐতিহ্য সঠিকভাৱে সংৰক্ষণ কৰি আছোঁ নে?" যদি এই বিহু কেৱল বাহ্যিক আড়ম্বৰ আৰু বিনোদনৰ মাজতেই সীমাবদ্ধ হৈ পৰে, তেন্তে ইয়াৰ অন্তৰ্নিহিত মূল্যবোধ হেৰাই যাব পাৰে। সেই বাবে আধুনিকতাৰ সৈতে খাপ খুৱাইও আমি বিহুৰ মূল আদৰ্শসমূহ সমন্বয়, সৰলতা, প্ৰকৃতিৰ প্ৰতি সন্মান আৰু সামাজিক ঐক্য অবিকৃত ৰাখিব লাগিব। আমাৰ দায়িত্ব হৈছে অতীতৰ ঐতিহ্য আৰু বৰ্তমানৰ আধুনিকতাৰ মাজত এক সুন্দৰ সমন্বয় স্থাপন কৰা। কিয়নো গাঁৱৰ সৰলতা আৰু চহৰৰ উন্নত চিন্তাধাৰাৰ সংমিশ্ৰণেহে বিহুক অধিক অৰ্থবহ আৰু জীৱন্ত কৰি ৰাখিব পাৰে।




সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰে যুৱ প্ৰজন্মৰ মানসিক দিশৰ ওপৰতো বিশেষ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। সামাজিক মাধ্যমত অধিক সক্ৰিয় হৈ থকাৰ ফলত যুৱ প্ৰজন্মৰ সুস্থ মানসিকতাত বিভিন্ন পৰিৱৰ্তন আহিছে। যি সকল কিশোৰ -কিশোৰীয়ে সামাজিক মাধ্যম অত্যধিক ব্যৱহাৰ কৰে তেওঁলোকে বাস্তৱ জীৱনত আমনি পোৱা পৰিলক্ষিত হয়। তেওঁলোক হতাশা, উদ্বেগ আৰু একাকিত্বৰ দৰে মানসিক সমস্যাৰ কৱলত সহজে আক্ৰান্ত হয়। মানসিক সন্তুলন হেৰুৱাই পেলোৱাৰ বাবে নিজকে নিঃশেষ কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। টোপনিত ব্যাঘাত জন্মা, খাদ্যাভাসৰ পৰিৱৰ্তন, দৈনন্দিন ব্যক্তিগত কাৰ্যকলাপৰ প্ৰতি অনীহাৰ সৃষ্টি কৰিছে সামাজিক মাধ্যমৰ অপৰিমিত ব্যৱহাৰে। গুৰুত্বপূৰ্ণ কামত পলম কৰি সামাজিক মাধ্যম ব্যৱহাৰত অধিক মনোনিৱেশ কৰাৰ অভ্যাস গঢ় লৈ উঠা বাবে স্বাভাৱিক জীৱন ব্যাহত হৈছে।

# সামাজিক মাধ্যম আৰু আজিৰ প্ৰজন্ম

**নিবেদিতা হাজৰিকা**

সামাজিক মাধ্যম বা ছ'চিয়েল মিডিয়া আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে। বৰ্তমান সময়ত প্ৰায় সকলো মানুহেই সামাজিক মাধ্যম ব্যৱহাৰ কৰে বুলি ক'লেও অত্যুক্তি কৰা নহয়। বৰ্তমান সময়ত সমাজখন বিজ্ঞান-প্ৰযুক্তিৰ ওপৰতে নিৰ্ভৰশীল। সেয়ে প্ৰতিজন মানুহেই সামাজিক মাধম্যৰ জৰিয়তে মনৰ ভাৱৰ আদান-প্ৰদান কৰে, সংযোগ ৰক্ষা কৰে। সামাজিক মাধ্যমৰ প্লেটফৰ্মে মানুহৰ ইজনৰ লগত সিজনৰ যোগাযোগ আৰু সংযোগ কৰণৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তন আনিবলৈ সক্ষম হৈছে বুলি ক'ব পাৰি। বৰ্তমান whats app, Face book, Instragram আদিৰ যুগ। এইবোৰে আমাৰ জীৱন শৈলী সলনি কৰি পেলালে। বৰ্তমান সকলোৰে যেন এইবোৰৰ কবলত।

এই সামাজিক মাধ্যমৰ জৰিয়তে সাহিত্য-সংস্কৃতি, খেলা-ধূলা, মনোৰঞ্জন, ব্যক্তিগত ধাৰণা, ইচ্ছা, সৃষ্টিশীল কৰ্ম, মতামত বা ভাব বিনিময় কৰাৰ এখন মঞ্চ উপলব্ধ হৈছে। যাৰ জৰিয়তে বিভিন্ন জনে বিভিন্ন দিশৰ প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰিছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী সকলে সহজতে বিভিন্ন বিষয়ৰ জ্ঞান লাভৰ সুবিধা হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে যুৱক-যুৱতী সকলে নিজৰ সৃষ্টিশীলতা আৰু প্ৰতিভা প্ৰকাশ আৰু বিকাশৰ এখন উপযুক্ত মঞ্চ লাভ কৰিছে। ইয়াত তেওঁলোকে নিজৰ শিল্পকৰ্ম, ফটোগ্ৰাফী, লেখা তথা অন্যান্য ধৰণৰ প্ৰকাশভংগী শ্বেয়াৰ বা আদান-প্ৰদান কৰিব পাৰে। ই এখন বিশাল মঞ্চ হোৱা বাবে বহুল ভাৱে দৰ্শক বা তেওঁলোকৰ মনে মিলা বন্ধু বৰ্গৰ পৰা স্বীকৃতি আৰু সমৰ্থন লাভ কৰিব পাৰে। জ্ঞানৰ বিস্তাৰ বা প্ৰসাৰ ঘটোৱাৰ ক্ষেত্ৰত সামাজিক মাধ্যম সমূহ অদ্বিতীয়, অনন্য। শিক্ষা লাভ তথা শিক্ষা প্ৰদানৰ বেলিকা এক শক্তিশালী সঁজুলি হিচাপে আত্ম প্ৰকাশ কৰা সামাজিক মাধ্যম সমূহে জ্ঞান আহৰণৰ বেলিকা তথা জ্ঞান প্ৰদানৰ বেলিকা ভাগ-বতৰা, সহযোগিতা তথা অভিনৱ কৌশল প্ৰয়োগেৰে শিক্ষাৰ বিভিন্ন সমল বা সঁজুলি সমূহৰ সৈতে জড়িত হোৱাৰ এক গতিশীল মঞ্চ প্ৰদান কৰিছে। যিয়ে শিক্ষা লাভৰ ক্ষেত্ৰ খনত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে।

সামাজিক মাধ্যমৰ বিভিন্ন ক্ষেত্ৰ সমূহৰ সঠিক ব্যৱহাৰৰ জৰিয়তে সৃষ্টিশীল ভাৱে কলাত্মক প্ৰকাশ কৰিব পাৰে, ব্যক্তিগত অভিজ্ঞতাৰ আদান-প্ৰদান কৰিবলৈ সুবিধা লাভ কৰে বা সেই ধৰণৰ সুবিধা আছে। সামাজিক মাধ্যম ব্যৱহাৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল নেটৱৰ্কিং তথা কেৰিয়াৰৰ উন্নতিত লাভান্বিত হ'ব পাৰে বা হ'ব পাৰিছে। সামাজিক মাধ্যমে উঠি অহা প্ৰজন্ম, শিক্ষাৰ্থী সকলক সমগ্ৰ বিশ্বৰ সহকৰ্মী সকলৰ সৈতে সংযোগ কৰি সাংস্কৃতিক বিনিময় আৰু বিশ্বব্যাপী সজাগতা বৃদ্ধিৰ বাট মুকলি কৰিছে। এই ক্ষেত্ৰত সামাজিক মাধ্যম সমূহৰ ভূমিকা উল্লেখনীয়। একমাত্ৰ সামাজিক মাধ্যমৰ বাবেই শিক্ষাৰ্থী সকলে সহযোগিতা, সৰ্বশ্ৰেষ্ঠ পদ্ধতি সমূহৰ আদান- প্ৰদান আৰু নিৰন্তৰ শিকাৰ বাবে এখন মঞ্চ লাভ কৰিবলৈ সক্ষম হৈছে। সামাজিক মাধ্যমে শিক্ষাৰ্থী সকলক জ্ঞানৰ গণতান্ত্ৰিক ব্যৱস্থাৰ লগত জড়িত হোৱাৰ সুবিধা প্ৰদান কৰিছে। যি ব্যৱস্থাই সকলো বৰ্গৰ শিক্ষাৰ্থীক পাঠ্যপুথি তথা শ্ৰেণীকোঠাৰ বক্তৃতাৰ সীমাৰ বাহিৰতো বহুতো তথ্য লাভৰ সুবিধা দিছে।

যুৱক-যুৱতী সকলক আত্ম প্ৰকাশ, সৃষ্টিশীলতা আৰু ব্যক্তিগত যোগাযোগৰ সুবিধা প্ৰদান কৰা সামাজিক মাধ্যম সমূহ বৰ্তমান প্ৰজন্মৰ মাজত খুবেই জনপ্ৰিয় বুলি ক'ব পাৰি। যুৱক-যুৱতী সকলৰ ওপৰত এই সামাজিক মাধ্যম সমূহে গভীৰ ভাৱে প্ৰভাৱ বিস্তাৰ কৰা পৰিলক্ষিত হৈছে। ই তেওঁলোকৰ আচৰণ, মনোভাৱ তথা অভিজ্ঞতাক ভিন্ন ধৰণে গঢ় দিয়ে। আত্ম অভিব্যক্তিৰ সুযোগ দিয়া তথা তথ্যৰ প্ৰৱেশাধিকাৰৰ সুবিধা থকা বা সুবিধা পোৱা সামাজিক মাধ্যম সমূহৰ পৰা উঠি অহা প্ৰজন্ম বিশেষ ভাৱে উপকৃত হৈছে বুলি ক'ব পাৰি। সামাজিক মাধ্যম ব্যৱহাৰ কৰা যুৱক-যুৱতী সকলৰ সংখ্যাই হয়তো আজিৰ তাৰিখত অধিক বুলি ক'ব পাৰি। আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ হৈ পৰা সামাজিক জীৱন অবিহনে যেন আমাৰ জীৱন অন্ধকাৰ। বিশেষকৈ উঠি অহা প্ৰজন্ম।

বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰী বা যুৱ প্ৰজন্মৰ লগতে প্ৰায়বোৰ লোকৰ হাততে ম'বাইল উপলব্ধ। সামাজিক মাধ্যম ব্যৱহাৰ নকৰা লোকৰ সংখ্যা আজিৰ তাৰিখত আঙুলিৰ মূৰত লিখিব পৰা। সামাজিক মাধ্যমৰ লগতেই দিনৰ বেছি ভাগ সময় অতি বাহিত কৰা বুলি উঠি অহা প্ৰজন্মৰ বিষয়ে প্ৰায়ে অভিযোগ শুনা যায়। অৱশ্যে সেই অভিযোগ ভিত্তিহীন নহয়। কিয়নো আজিৰ একাংশ ছাত্ৰ-ছাত্ৰী বা উঠি অহা প্ৰজন্ম সামাজিক মাধ্যমত ইমানেই সক্ৰিয় হৈ থাকে যে এনেদৰে ভাবিবলৈ অৱশ্যেই বাধ্য হয়। অপ্ৰিয় হ'লেও সত্য যে বৰ্তমান যুৱক -যুৱতীৰ মাজত ম'বাইল প্ৰীতি উদ্বেগজনক ভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। যিটো সচেতন মহলৰ বাবে এটা অতি উদ্বেগৰ বিষয় হৈ পৰিছে। সামাজিক মাধ্যমৰ মূল্য নুবুজা আৰু সামাজিক মাধ্যমৰ অপপ্ৰয়োগ কৰা নৱপ্ৰজন্মক মাৰ্গ দৰ্শন নকৰিলে ইয়াৰ কুফল ভোগ কৰিবলৈ সাজু হৈ থাকিব লাগিব। এটা কথা সঁচা যে অপৈনত অৱস্থাতে সামাজিক মাধ্যমৰ লগত জড়িত হোৱাৰ ফলত বা সোমাই পৰাৰ ফলত বৰ্তমান প্ৰজন্মৰ বহুতেই বিপথগামী হৈছে, অসামাজিক কাৰ্যত লিপ্ত হৈছে।

বৰ্তমানৰ নৱ-প্ৰজন্মৰ কেইজনে সামাজিক মাধ্যমৰ সৎ প্ৰয়োগ কৰিছে বুলি উঠা অভিযোগ মুঠেই অযুক্তিকৰ নহয় বা ই অপ্ৰাসংগিকো নহয়। কিন্তু সেই অভিযোগ খণ্ডন কৰি কওঁ যে হয় আজিৰ প্ৰজন্মৰ বহুতেই সামাজিক মাধ্যমৰ প্ৰতি আসক্ত, সামাজিক মাধ্যমৰ লগত জড়িত। অৱশ্যে এইটোও সত্য যে সামাজিক মাধ্যমত দিনটোৰ অধিকাংশ সময় ব্যস্ত থকা এই সকল উঠি অহা প্ৰজন্মৰ মাজৰে বহুজনে কিন্তু এই সামাজিক মাধ্যমৰ জৰিয়তে বহু গঠনমূলক কাম কৰি আছে। বহু দায়বদ্ধতাৰে সমাজত সুন্দৰ বাৰ্তা প্ৰেৰণ কৰা কাৰ্যত ব্ৰতী হৈ আছে একমাত্ৰ সামাজিক মাধ্যমৰ পৰা লাভ কৰা মঞ্চৰ জৰিয়তে। সামাজিক মাধ্যমক এক মঞ্চ হিচাপে লৈ আজিৰ প্ৰজন্মৰ বহুজনে গল্প, কবিতা, ধাৰাবাহিক উপন্যাস আদিৰ চৰ্চা কৰি আহিছে। বহু তৰুণ প্ৰতিভা সম্পন্ন লেখক-লেখিকাই এনেদৰে সামাজিক মাধ্যমৰ জৰিয়তে সাহিত্য চৰ্চা বা অনুশীলন কৰিয়ে নিজৰ প্ৰতিভা প্ৰকাশ আৰু বিকাশৰ সুবিধা লাভ কৰিছে, সাহিত্যিক ৰূপত আত্মপ্ৰকাশ কৰিছে আৰু সাহিত্যৰ ক্ষেত্ৰ খনত প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। কেৱল সেয়ে নহয়, বহু উদীয়মান যুৱক-যুৱতীয়ে সামাজিক মাধ্যমতে ভাষা-সাহিত্যৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ আৰু প্ৰমাণ কৰিবলৈ সক্ষম হৈছে। উদীয়মান যুৱ প্ৰজন্মৰ অধিকাংশই সামাজিক মাধ্যম ব্যৱহাৰ কৰে। সামাজিক মাধ্যমত সক্ৰিয় হৈ নিজৰ ভাল লগা ফটো, ৰীলছ আদি শ্বেয়াৰ কৰে হয়। ইয়াৰ মাজৰে বহুজন কিন্তু জাতীয় কৃষ্টি, সংস্কৃতি আদিৰ সৈতেও একাত্ম হৈ থাকে।

সময়ৰ লগে-লগে যুৱক-যুৱতী সকলৰ চিন্তাধাৰা, মানসিকতাৰ পৰিৱৰ্তন ঘটিছে। আজিৰ যুৱক-যুৱতী সকলৰ বহু সংখ্যকেই দায়িত্বশীল, বিচক্ষণ, সচেতন আৰু উন্নত মানসিকতাৰ তথা মানৱীয় গুণসম্পন্ন। তেওঁলোকৰ এই প্ৰেৰণাদায়ক, আদৰণীয়, আদৰ্শনীয় কাম সমূহৰ আভাস বা প্ৰমাণ সামাজিক মাধ্যমতেই পোৱা যায়। বহু সময়ত এই কাম সমূহ নিজে সামাজিক মাধ্যমত প্ৰচাৰ নকৰিলেও তেওঁলোকৰ সতীৰ্থ বা বন্ধু বৰ্গই এই শলাগ ল'ব লগীয়া কাম সমূহ ৰাইজৰ মাজলৈ প্ৰেৰণ কৰে। সামাজিক মাধ্যমত সক্ৰিয় হৈ থাকিলে বুলিয়ে আমি তেওঁলোকৰ প্ৰতি বেয়া মত পোষণ কৰা উচিত নহয়। উঠি অহা প্ৰজন্মৰ ম'বাইল প্ৰীতি বা সামাজিক মাধ্যমত অত্যধিক জড়িত কৰণ কাৰ্য মুঠেই সন্তোষ জনক নহয়। এই কথা অনস্বীকাৰ্য যে বহু ছাত্ৰ-ছাত্ৰীয়ে যি দৰে সামাজিক মাধ্যম ব্যৱহাৰৰ কৌশল বা প্ৰয়োগৰ ক্ষেত্ৰত সচেতন হৈছে আন একাংশই আকৌ জীৱনৰ আটাইতকৈ মূল্যবান সময়খিনিতেই ইলেক্ট্ৰিক মাধ্যম সমূহৰ লগত অত্যধিক ভাৱে জড়িত হৈ, অধিক সময় জড়িত হৈ সময়ৰ অপব্যৱহাৰ কৰিছে। মূল্যবোধ তথা গভীৰতাৰ কথা চিন্তা নকৰি খন্তেকীয়া লাহ-বিলাহত সময় অপচয় কৰিছে বা কৰিবলৈ লৈছে। এই সকল ছাত্ৰ-ছাত্ৰী বা যুৱক -যুৱতীৰ জীৱন সম্পৰ্কে কোনো উপলব্ধি নাই। কেৱল মাত্ৰ ৰং-চঙীয়া সপোনবোৰৰ মাজতে তেওঁলোক ব্যস্ত। য'ত কোনো উজ্জ্বল ভৱিষ্যত গঢ়াৰ সপোন নাই।

অত্যধিক সামাজিক মাধ্যমৰ ব্যৱহাৰৰ ফলত নৱ প্ৰজন্মৰ কিন্তু বহু ক্ষতি হৈছে। অত্যধিক ভাৱে সামাজিক মাধ্যমত ব্যস্ত হৈ থকাৰ ফলত তেওঁলোকৰ মাজত উদ্বেগজনক ভাৱে গ্ৰন্থ অধ্যয়নৰ প্ৰতি চূড়ান্ত অৱহেলা ভাৱ গঢ় লৈ উঠিছে। গ্ৰন্থ অধ্যয়নৰ প্ৰতি ৰাপ বা আকৰ্ষণ নোহোৱাৰ বাবেই আজিৰ প্ৰজন্মই গভীৰ জ্ঞান লাভ কৰাৰ বিপৰীতে লাভ কৰিছে কিছুমান বজৰুৱা উপৰুৱা জ্ঞান। শিক্ষাৰ্থী সকল গ্ৰন্থ জগতৰ প্ৰতি আগ্ৰহহীন হোৱা, গ্ৰন্থ জগতৰ পৰা আঁতৰি যোৱাটো এক অশুভ লক্ষণ আৰু সমগ্ৰ ছাত্ৰ সমাজৰ বাবেই ই এক উদ্বেগৰ বিষয়।

সামাজিক মাধ্যমত প্ৰয়োজনতকৈ অধিক সময় ব্যস্ত থকাৰ বাবেই একাংশ যুৱক-যুৱতী শাৰীৰিক শ্ৰম বিমুখ হৈ পৰা পৰিলক্ষিত হৈছে। অত্যধিক সামাজিক মাধ্যমৰ ব্যৱহাৰে তেওঁলোকক নিঃসংগ আৰু সামাজিক ভাৱে বিচ্ছিন্ন কৰি তুলিছে। শৈক্ষিক কাম-কাজ, ব্যক্তিগত চখ বা বাস্তৱ জগতৰ পাৰস্পৰিক ক্ৰিয়া-কলাপত যথোচিত মনোযোগ দিয়াৰ ক্ষেত্ৰত ব্যৰ্থ হয়। তেওঁলোক উৎপাদনশীল বা উৎপাদনমুখী কামৰ পৰা আঁতৰি গৈ থাকে। উঠি অহা প্ৰজন্মৰ এনে মানসিকতা এখন সমাজ, দেশ বা ব্যক্তিগত ক্ষেত্ৰতো কোনো ফালে মংগল জনক বুলি ক'ব নোৱাৰি। সামাজিকভাৱে অনাকাংক্ষিত, অগ্ৰহণযোগ্য বহু স্থিৰ চিত্ৰ, চলন্ত চিত্ৰ সামাজিক মাধ্যমত আজি-কালি বিশেষ ভাৱে সুলভ বুলি ক'ব পাৰি। কম বয়সতে এই সমূহ চাবলৈ পোৱা বাবে যুৱ সমাজৰ একাংশ ইয়াৰ প্ৰতি অধিক আকৰ্ষিত হৈছে আৰু অবাটে বাট বুলিছে। যাৰ ফলত যুৱক সমাজৰ বহুতেই বিপথগামী হ'বলৈ, অসামাজিক কাৰ্য কৰিবলৈ বিশেষ ভাৱে প্ৰৰোচিত হোৱা দেখা গৈছে। চাইবাৰ ক্ৰাইমৰ দৰে যেনে- বেংক হৰলুকী, চাইবাৰ উৎপীড়ন, ব্যক্তিগত তথ্য আহৰণ, যৌনতাৰ পয়োভৰ আদিৰ প্ৰসাৰ আৰু প্ৰচাৰত সামাজিক মাধ্যমে বিশেষ অৰিহনা যোগাইছে। যিয়ে সমাজত বিৰূপ তথা নকাৰাত্মক প্ৰভাৱ পেলাইছে। এই সমূহৰ দ্বাৰা আজিৰ প্ৰজন্ম বিশেষ ভাৱে ক্ষতিগ্ৰস্ত হৈছে।

সামাজিক মাধ্যমৰ অত্যধিক ব্যৱহাৰে যুৱ-প্ৰজন্মৰ মানসিক দিশৰ ওপৰতো বিশেষ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। সামাজিক মাধ্যমত অধিক সক্ৰিয় হৈ থকাৰ ফলত যুৱ প্ৰজন্মৰ সুস্থ মানসিকতাত বিভিন্ন পৰিৱৰ্তন আহিছে। যি সকল কিশোৰ-কিশোৰীয়ে সামাজিক মাধ্যম অত্যধিক ব্যৱহাৰ কৰে তেওঁলোকে বাস্তৱ জীৱনত আমনি পোৱা পৰিলক্ষিত হয়। তেওঁলোক হতাশা, উদ্বেগ আৰু একাকিত্বৰ দৰে মানসিক সমস্যাৰ কৱলত সহজে আক্ৰান্ত হয়। মানসিক সন্তুলন হেৰুৱাই পেলোৱাৰ বাবে নিজকে নিঃশেষ কৰিবলৈও কুণ্ঠাবোধ নকৰা হৈছে। টোপনিত ব্যাঘাত জন্মা, খাদ্যাভাসৰ পৰিৱৰ্তন, দৈনন্দিন ব্যক্তিগত কাৰ্যকলাপৰ প্ৰতি অনীহাৰ সৃষ্টি কৰিছে সামাজিক মাধ্যমৰ অপৰিমিত ব্যৱহাৰে। গুৰুত্বপূৰ্ণ কামত পলম কৰি সামাজিক মাধ্যম ব্যৱহাৰত অধিক মনোনিৱেশ কৰাৰ অভ্যাস গঢ় লৈ উঠা বাবে স্বাভাৱিক জীৱন ব্যাহত হৈছে। উদ্বেগজনক কথা এয়ে যে সামাজিক জীৱনৰ লগত আজিৰ প্ৰজন্ম এনেদৰে সংপৃক্ত হৈ পৰিছে যে কিবা কাৰণত সামাজিক মাধ্যমৰ পৰা দূৰত থাকিব লগা হ'লে তেওঁলোকে বিৰক্তি অনুভৱ কৰে। অত্যধিক ম'বাইল প্ৰীতি, সামাজিক মাধ্যমৰ প্ৰতি আগ্ৰহী হোৱা বাবে অধ্যয়নৰ প্ৰতি যি অনীহাৰ সৃষ্টি হৈছে ই এক গুৰুত্বৰ সমস্যা হৈ পৰিছে। সামাজিক মাধ্যম সমূহ বহু সময়ত সামাজিক সুস্থতা বৰ্তাই ৰখাত ব্যৰ্থ হোৱা দেখা যায় বা ব্যৰ্থ হৈছে। সামাজিক মাধ্যম সমূহ ব্যৱহাৰৰ ক্ষেত্ৰত সেয়ে সকলোৰে সতৰ্ক হোৱা উচিত। দেশৰ যুৱ প্ৰজন্ম সামাজিক মাধ্যমৰ প্ৰতি অত্যধিক আকৰ্ষিত হোৱাটো মুঠেই শুভ লক্ষণ নহয়। নিজৰ জীৱন, নিজৰ ভৱিষ্যত গঢ়াৰ সময়ত সামাজিক মাধ্যমত অধিক সময় ব্যয় কৰা মানে নিজৰ ধ্বংস নিজেই মাতি অনাৰ দৰে হ'ব। সামাজিক মাধ্যম সঠিক সময়ত ব্যৱহাৰ কৰাটো বেয়া নহয়। কিন্তু এই ক্ষেত্ৰত নিজেই সচেতন হ'ব লাগিব।

কোনো এটা বস্তু ব্যৱহাৰৰ ওপৰত বস্তুটোৰ গুণাগুণ বহু পৰিমাণে নিৰ্ভৰ কৰে। সামাজিক মাধ্যমৰ ক্ষেত্ৰতো সেই কথাখিনি প্ৰযোজ্য। হয়, বৰ্তমান সময়ত প্ৰায় সকলো লোকেই সামাজিক মাধ্যমৰ লগত জড়িত। কিয়নো ই যোগাযোগৰ এক অন্যতম মাধ্যম ৰূপে পৰিগণিত হৈছে। ভাৱৰ আদান-প্ৰদানৰ বাবে, আত্মপ্ৰকাশৰ বাবে ইয়াৰ ব্যৱহাৰ কৰিবই লাগিব। যদিহে আমি এই মাধ্যম সমূহ ব্যৱহাৰৰ ক্ষেত্ৰত সতৰ্ক হওঁ, ইয়াৰ পৰা বাছি থকাৰ কৌশল সমূহ আয়ত্ত কৰি ল'ব পাৰো তথা যদিহে আমি এই সমূহ ৰুচি পূৰ্ণ ভাৱে সু-প্ৰয়োগ কৰিবলৈ শিকো তেন্তে ইয়াৰ পৰা আমি অপৰিসীম ৰূপত লাভান্বিত হ'ব পাৰিম। অন্যথা ইয়াৰ বিপৰীতে যদিহে আমি সুবিধাটো আছে বুলিয়েই বা সুবিধাটো পালো বুলিয়েই হোৱাই-নোহোৱাই, সময়-অসময় নাই অযুক্তিকৰ ভাৱে ইয়াৰ ব্যৱহাৰ কৰো তেন্তে তাৰ পৰা হ'ব পৰা লোকচান আৰু কু-ফল সমূহো আমি ভোগ কৰিবলৈ সাজু থাকিব লাগিব।

# অসমত সমষ্টিৰ সীমা নিৰ্ধাৰণ খিলঞ্জীয়াৰ সুৰক্ষা কৱচ নে ৰাজনৈতিক মেৰপাক?

**কবিতা নাথ**

অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিৱেশত বৰ্তমান আটাইতকৈ চৰ্চিত আৰু বিতৰ্কিত শব্দটো হৈছে 'সীমা নিৰ্ধাৰণ' বা 'ডিলিমিটেচন'। শেহতীয়াভাৱে নিৰ্বাচন আয়োগে অসমৰ বিধানসভা আৰু লোকসভা সমষ্টিসমূহৰ সীমা পুনৰ নিৰ্ধাৰণৰ যি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি তুলিছে, তাক লৈ ৰাজ্যজুৰি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। একাংশৰ বাবে এয়া যদি খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ এক মহৌষধ, আন একাংশৰ বাবে এয়া হ'ল গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰাৰ এক সুপৰিকল্পিত ৰাজনৈতিক কৌশল। শ্বেক্সপীয়েৰৰ সেই বিখ্যাত উক্তি "To be or not to be" অৰ্থাৎ 'হ'ব নে নহ'ব' বা 'অস্তিত্ব ৰক্ষা হ'ব নে বিনাশ হ'ব'— এই দোমোজাই এতিয়া অসমৰ প্ৰতিটো সমষ্টিৰ ভোটাৰৰ মনত ক্ৰিয়া কৰি আছে।

সীমা নিৰ্ধাৰণৰ মূল ধাৰণাটো হ'ল জনসংখ্যাৰ বৃদ্ধি বা পৰিৱৰ্তনৰ লগত সংগতি ৰাখি সমষ্টিসমূহৰ ভৌগোলিক পৰিসীমা পুনৰ নিৰ্ধাৰণ কৰা, যাতে প্ৰতিগৰাকী বিধায়ক বা সাংসদে প্ৰায় সমসংখ্যক ভোটাৰক প্ৰতিনিধিত্ব কৰিব পাৰে। ভাৰতীয় সংবিধানৰ ৮২ আৰু ১৭০ অনুচ্ছেদ অনুসৰি প্ৰতিটো লোকপিয়লৰ পিছত এই প্ৰক্ৰিয়া চলিব লাগে। কিন্তু অসমৰ ক্ষেত্ৰত এই প্ৰক্ৰিয়াটো অতিশয় জটিল আৰু সংবেদনশীল। ১৯৭৬ চনৰ পৰা স্থগিত হৈ থকা এই প্ৰক্ৰিয়াটো যেতিয়া ২০২৩-২৪ বৰ্ষত কাৰ্যকৰী কৰা হ'ল, তেতিয়া ই কেৱল প্ৰশাসনিক বিষয় হৈ নাথাকি এক গভীৰ আৱেগিক আৰু ৰাজনৈতিক ইছ্যু হৈ পৰিল। শেহতীয়া নিৰ্বাচনী ফলাফল আৰু সমষ্টিৰ পুনৰ গঠনলৈ চালে দেখা যায় যে বহু ঐতিহাসিক সমষ্টিৰ অস্তিত্ব বিলীন হৈ গৈছে। উদাহৰণস্বৰূপে, চৰাইদেউ বা লাহোৱালৰ দৰে সমষ্টিৰ বিলুপ্তি বা জালুকবাৰীৰ দৰে হাই-প্ৰফাইল সমষ্টিৰ পৰিসৰৰ পৰিৱৰ্তনে স্থানীয় ৰাইজক এক পৰিচয়ৰ সংকটত পেলাইছে। এজন ভোটাৰৰ বাবে তেওঁৰ সমষ্টিটো কেৱল এটা নিৰ্বাচনী এলাকা নহয়, বৰঞ্চ এক সাংস্কৃতিক আৰু ভৌগোলিক পৰিচয়। যেতিয়া এটা পৰিচিত সমষ্টিৰ নাম সলনি হয় বা তাক আন এটা সমষ্টিৰ লগত চামিল কৰি দিয়া হয়, তেতিয়া জনসাধাৰণৰ মাজত এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাটো স্বাভাৱিক। এইক্ষেত্ৰত 'To be or not to be'ৰ প্ৰশ্নটোৱে জনমানসত তীব্ৰতা লাভ কৰিছে। এই সীমা নিৰ্ধাৰণ প্ৰক্ৰিয়াটো ২০০১ চনৰ লোকপিয়লৰ আধাৰত কৰাটো এক ডাঙৰ ত্ৰুটি। যিহেতু আমাৰ হাতত ২০১১ চনৰ লোকপিয়লৰ তথ্য উপলব্ধ আছিল আৰু ২০২৪ চনৰ প্ৰেক্ষাপটত আমি কাম কৰি আছোঁ, তেনেস্থলত ২০ বছৰ পুৰণি তথ্যৰ আধাৰত সমষ্টিৰ সীমা নিৰ্ধাৰণ কৰাটো কিমান যুক্তিসংগত? ইয়াৰ বিপৰীতে চৰকাৰ আৰু নিৰ্বাচন আয়োগৰ যুক্তি হ'ল যে যিহেতু দেশজুৰি ২০২৬ চনলৈ সমষ্টিৰ সংখ্যা বৃদ্ধি কৰিব নোৱাৰি, সেয়েহে পুৰণি তথ্যৰ আধাৰতে বৰ্তমানৰ সমষ্টিসমূহৰ ভিতৰতে সালসলনি কৰা হৈছে। কিন্তু এই যুক্তিৰ আঁৰত লুকাই থকা ৰাজনৈতিক অংকটোক নুই কৰিব নোৱাৰি। বিশেষকৈ অসমৰ জনগাঁথনিৰ যি পৰিৱৰ্তন হৈছে, তাক প্ৰতিহত কৰি খিলঞ্জীয়াৰ ৰাজনৈতিক আধিপত্য বজাই ৰখাৰ যি প্ৰয়াস এই সীমা নিৰ্ধাৰণৰ জৰিয়তে কৰা হৈছে বুলি দাবী কৰা হৈছে, সি সঁচাকৈয়ে সুফল দিবনে? অসমৰ ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত সমষ্টিৰ সীমা এনেদৰে সালসলনি কৰা হৈছে যে বহুতৰে মতে ই কোনো এক বিশেষ ৰাজনৈতিক পক্ষক সুবিধা কৰি দিবলৈ কৰা 'গেৰীমেণ্ডেৰিং' (Gerrymandering)। বহু সমষ্টিত সংখ্যালঘু ভোট বিভাজিত কৰি দিয়া হৈছে যাতে তেওঁলোকৰ নিৰ্ণায়ক শক্তি হ্ৰাস পায়। আনহাতে, উজনি অসমৰ বহু সমষ্টিত খিলঞ্জীয়াৰ প্ৰভাৱ অক্ষুণ্ণ ৰাখিবলৈ সমষ্টিৰ ভৌগোলিক অৱস্থানৰ জটিল সালসলনি কৰা হৈছে। ইয়াৰ ফলত ৰাজনৈতিক মেৰুকৰণ অধিক তীব্ৰতৰ হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। সীমা নিৰ্ধাৰণৰ এই সমগ্ৰ প্ৰক্ৰিয়াটোৱে অসমৰ জাতীয় জীৱনত এক গভীৰ প্ৰভাৱ পেলাইছে। এটা ফালৰ পৰা চালে দেখা যায় যে এই ব্যৱস্থাই খিলঞ্জীয়া ভূমিপুত্ৰসকলৰ বাবে বিধানসভাত আসন সংৰক্ষিত কৰাৰ দৰে কাম কৰিছে। বিশেষকৈ অনুসূচিত জাতি আৰু জনজাতিৰ বাবে আসন পুনৰ নিৰ্ধাৰণে বহু পিছপৰা শ্ৰেণীক নতুন আশাৰ ৰেঙণি দিছে। কিন্তু আনটো ফালৰ পৰা চালে, ই গণতন্ত্ৰৰ সেই মূল নীতিটোৰ ওপৰত আঘাত হানিছে নেকি য'ত কোৱা হয় 'এজন ব্যক্তি, এটা ভোট আৰু সমমূল্য?' যদি কোনো এক বিশেষ অঞ্চলৰ ভৌগোলিক পৰিসীমা কেৱল এটা বিশেষ গোষ্ঠীৰ ৰাজনৈতিক স্বাৰ্থৰ বাবে সলনি কৰা হয়, তেন্তে ভৱিষ্যতে ই সামাজিক বিভাজন বৃদ্ধি কৰাৰহে সম্ভাৱনা থাকে। বহুতো বিৰোধী দলেও এই প্ৰক্ৰিয়াটোক আদালতৰ মজিয়ালৈ লৈ গৈছিল। তেওঁলোকৰ অভিযোগ আছিল যে নিৰ্বাচন আয়োগে জনসাধাৰণৰ ওজৰ-আপত্তি শুনাতকৈ চৰকাৰী নিৰ্দেশনাকহে অধিক গুৰুত্ব দিছে। বিশেষকৈ বৰাক উপত্যকাৰ সমষ্টি হ্ৰাস পোৱা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমষ্টিৰ গাঁথনি সলনি হোৱা বিষয়টোৱে আঞ্চলিকতাবাদৰ এক নতুন জুই জ্বলাই দিছে। ইয়াৰ মাজতে খিলঞ্জীয়া সুৰক্ষাৰ নামত কৰা এই সীমা নিৰ্ধাৰণে কিমান দূৰ অসমীয়া জাতিক সুৰক্ষিত কৰিব পাৰিব, সেয়া সময়েহে ক'ব। কাৰণ ৰাজনৈতিক সুৰক্ষা কেৱল সীমা নিৰ্ধাৰণেৰে সম্ভৱ নহয়, ইয়াৰ বাবে লাগিব এক শক্তিশালী অৰ্থনৈতিক আৰু শৈক্ষিক ভেটি।

অসমত সীমা নিৰ্ধাৰণৰ বিষয়টো 'অস্তিত্ব ৰক্ষা' নে 'ৰাজনৈতিক কৌশল'— এই তৰ্ক চলি থাকিব। কিন্তু এটা কথা নিশ্চিত যে এই প্ৰক্ৰিয়াই অসমৰ নিৰ্বাচনী ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। সমষ্টিবোৰৰ নাম সলনি হ'ব পাৰে, ভূগোল সলনি হ'ব পাৰে, কিন্তু গণতান্ত্ৰিক ব্যৱস্থাটোত জনসাধাৰণৰ অংশগ্ৰহণ আৰু সজাগতাহে হ'ব আচল নিৰ্ণায়ক। "To be or not to be"ৰ এই দোমোজাত পৰি থকাতকৈ জনসাধাৰণে এতিয়া নতুন ভৌগোলিক পৰিসীমাৰ মাজতে নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ সাজু হ'ব লাগিব। ৰাজনৈতিক দলসমূহেও সমষ্টিৰ সীমাৰ অংকতকৈ উন্নয়ন আৰু জনকল্যাণৰ অংকত গুৰুত্ব দিলেহে সীমা নিৰ্ধাৰণৰ প্ৰকৃত উদ্দেশ্য সফল হ'ব। অন্যথা, ই কেৱল এক কাগজী খেল হৈয়ে ৰৈ যাব, যি জনসাধাৰণৰ মৌলিক সমস্যাসমূহ সমাধানত কোনো অৰিহণা যোগাব নোৱাৰিব। এক সুস্থ আৰু সবল গণতন্ত্ৰৰ বাবে সীমা নিৰ্ধাৰণ যিমান প্ৰয়োজনীয়, তাতকৈ অধিক প্ৰয়োজনীয় হ'ল এক নিৰপেক্ষ আৰু স্বচ্ছ প্ৰক্ৰিয়া, যিয়ে প্ৰতিজন নাগৰিকৰ মনত আস্থা গঢ়ি তুলিব পাৰে।

**বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ**

# ডবকা আৰক্ষীৰ জালত দুই গাঞ্জা সৰবৰাহকাৰী

**অসম বাৰ্তা, ডবকা, ২৩ এপ্ৰিল ঃ** ৰাজ্যত নিচাযুক্ত সামগ্ৰী সৰবৰাহকাৰীৰ সংখ্যা যিমানেই বৃদ্ধি পাই ছে, সিমানেই অসম আৰক্ষী কঠোৰ হোৱা পৰিলক্ষিত হৈছে। আজি ডবকা আৰক্ষীয়ে ডবকাৰ মিকিৰআটি টোলগেটত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে দুজনকৈ গাঞ্জা সৰবৰাহকাৰী যুৱকক আটক কৰিবলৈ সক্ষম হয়। এক গোপন সূত্ৰৰ ভিত্তিত ডবকা আৰক্ষীয়ে চলাই ছিল এই অভিযান। এ এছ ০২ এ চি ১৬৫৭ নম্বৰৰ বাছেৰে যাত্ৰী হিচাপে গৈ থকা অৱস্থাত ডবকাৰ টোলগেটত চাৰি কেজিতকৈ অধিক পৰিমাণৰ গাঞ্জা জব্দ কৰে ডবকা আৰক্ষীয়ে। হোজাইৰ পৰা নগাঁৱলৈ এই গাঞ্জাখিনি সৰবৰাহ কৰিব লৈছিল বুলি জানিব পৰা গৈছে। আটকাধীন যুৱকদ্বয়ৰ নাম ৰাজিৱ হুছেইন আৰু চামচুল ইছলাম বুলি জানিব পৰা গৈছে। উল্লেখ্য যে ডবকা আৰক্ষীৰ এই কঠোৰ পদক্ষেপক শলাগিছে ডবকা অঞ্চলৰ সচেতন মহলে।

# মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনত ধৰিত্ৰী মাতৃ বচাও শীৰ্ষক অভিযান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৩ এপ্ৰিল ঃ** ৰাসায়নিক সাৰৰ সুষম প্ৰয়োগ সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে মৰিগাঁও জিলা কৃষি বিভাগৰ অধীনত তথা কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণ উদ্যোগত বৃহস্পতিবাৰে এক বিশেষ কাৰ্যসূচী ৰূপায়ন কৰা হয়। ধৰিত্ৰী মাতৃ বচাও শীৰ্ষক অভিযানৰ অংশৰূপে জিলা কৃষি বিষয়া দিলীপ কুমাৰ বৰাৰ সঞ্চালনাত ৰজামায়ং কৃষি চক্ৰৰ অধীনৰ জ্ঞান প্ৰশিক্ষণ কেন্দ্ৰত আয়োজিত অনুষ্ঠানত ৰাসায়নিক সাৰৰ সঠিক ব্যৱহাৰ প্ৰসংগত কৃষক সকলৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। অনুষ্ঠানত জিলা কৃষি বিষয়া গৰাকীয়ে ৰাসায়নিক সাৰৰ সুষম প্ৰয়োগ, মাটিৰ উৰ্বৰতা শক্তি বাহাল ৰখা, ইউৰিয়া আৰু DAPৰ অবিবেচিত ব্যৱহাৰে মাটিৰ স্বাস্থ্য কি দৰে নষ্ট কৰিছে আদি বিষয়ত আলোকপাত কৰি ৰাসায়নিক সাৰৰ ওপৰত নিৰ্ভৰশীলতা পৰিহাৰ কৰি জৈৱিক সাৰ, কেচুঁসাৰ, মিশ্ৰ সাৰৰ ব্যৱহাৰ কৰি মাটিৰ উৰ্বৰতা বৃদ্ধি কৰাৰ বাবে কৃষক সকলক আহ্বান জনায়। ইয়াৰ উপৰিও ভূমি স্বাস্থ্য পৰীক্ষাৰ প্ৰয়োজন আৰু উপকাৰিতা সন্দৰ্ভত ব্যাপকভাৱে সজাগতা সৃষ্টিৰ প্ৰয়াস কৰে। প্ৰায় ডেৰ শতাধিক কৃষক ৰাইজৰ উপস্থিতিত আয়োজিত সজাগতা অনুষ্ঠানত মহকুমা কৃষি বিষয়া মেহেদী আৰিফ হুচেইন, মুছাহীদ ফাৰুকী, ৰজামায়ং কৃষি চক্ৰৰ উন্নয়ন বিষয়া জয়শ্ৰী টামলী, আত্মাৰ ডেপুটী প্ৰজেক্ট ডাইৰেক্টৰ হীৰা মণি দাস, মিডিয়া বিশেষজ্ঞ গৌতম কুমাৰ নাথ, কৃষি উপ পৰিদৰ্শক প্ৰনয় নাহা, কৃষি সম্প্ৰসাৰণৰ সহায়ক নীৰেন ডেকাৰ লগতে ATM চিন্তামণি বৰা উপস্থিত থাকে। অনুষ্ঠানৰ অংশ স্বৰূপে কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ অধীনত বৈজ্ঞানিকভাৱে জৈৱিক কৃষি, প্ৰাকৃতিক কৃষি আৰু পুষ্টি ব্যৱস্থাপনা বিষয়ত সজাগ সৃষ্টিৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী ৰূপায়ন কৰা হয়। কৃষি বিজ্ঞান কেন্দ্ৰৰ বিজ্ঞানী সৌৰভ বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকি জৈৱিক কৃষি, প্ৰাকৃতিক কৃষি আৰু পুষ্টি ব্যৱস্থাপনা বিষয়ত প্ৰশিক্ষণ আগবঢ়ায়।

# হৰিশিঙাৰ ঘোঁৰাডাকত ভেৰগাঁও জিলা বিষুৱা উৎসৱ পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৩ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ হৰিশিঙাৰ সমীপৰ ঘোঁৰাডাকত যোৱা ২০ এপ্ৰিলত দিনজোৰা কাৰ্যসূচীৰে ভেৰগাঁও জিলা কোচ ৰাজবংশী মূল, যুৱ আৰু মহিলা সন্মিলনীৰ উদ্যোগত পঞ্চম বাৰ্ষিক বিষুৱা উৎসৱ অনুষ্ঠিত হৈ যায়। ঘোঁৰাডাকৰ বৰঙাবাৰী ভাগৱত নামঘৰ প্ৰাংগণত ঘোঁৰাডাক আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সহযোগত অনুষ্ঠিত এই উৎসৱৰ বৰঙাবাৰী ভাগৱত নামঘৰৰ নামঘৰীয়া ধনেশ্বৰ ডেকাই বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰে। বিষুৱা উৎসৱৰ পতাকা উত্তোলন কৰে ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি দেৱজিৎ কুমাৰ ডেকাই। বিশিষ্ট সমাজসেৱক প্ৰভাত বৰুৱাই স্মৃতি তৰ্পণ কৰে। ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰীশংকৰ দাসে বিশ্ব মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ পিছতে কমতাৰত্ন অম্বিকাচৰণ চৌধুৰীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে টংলা বালিকা উচ্চ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী নিবেদিতা ডেকা বৰুৱাই। হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমাজসেৱক তাৰিণী ডেকাই। বৃক্ষৰোপণ কৰে সমাজসেৱক প্ৰদীপ ডেকা, ভাৰত ডেকা আৰু ঘোঁৰাডাক আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন সভাপতি চিত্ৰৰঞ্জন ডেকাই। কাৰ্যসূচীসমূহৰ আঁত ধৰে ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সম্পাদক জ্যোতিষ চন্দ্ৰ চৌধুৰীয়ে। বিশিষ্ট সাংস্কৃতিক কৰ্মী দুলাল কুমাৰ বৰুৱাই উদ্বোধন কৰা বিষুৱাতলীত উপস্থিত থাকে ঘোঁৰাডাক আমজুলি ভাগৱত চক্ৰ পৰিচালনা সমিতিৰ সভাপতি চম্পা কুমাৰ, ওদালগুৰি জিলা মহাপুৰুষীয়া সমাজৰ সম্পাদক প্ৰধান সতীশ বৈশ্য, টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘনকান্ত ডেকা, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন সভাপতি নীলধৰ ডেকা, হেমধৰ ডেকা, যোগেন শইকীয়া, শান্তিপুৰ ভি.চি.ডি.চিৰ অধ্যক্ষ খিতেশ্বৰ ৰামচিয়াৰী, গিৰীশ চন্দ্ৰ ডেকা, ধীৰেশ্বৰ ডেকা, মাতুল ডেকা, বসন্ত কলিতা, সমাজকৰ্মী ঘন কান্ত ডেকা, যোগেন বৰুৱা, বীৰেন শইকীয়া আদিয়ে। এই কাৰ্যসূচীত এটি বাৰেবৰণীয়া কৃষ্টিৰ উপৰি আন পাঁচটি দলে কোচ ৰাজবংশী নৃত্য প্ৰদৰ্শন কৰে। নৃত্যসমূহৰ মাজতে কেইবাগৰাকী বয়োজ্যেষ্ঠ লোকক সম্বৰ্ধনা জনোৱা হয়।

# নগাঁও জিলাত ভোট গণনাৰ প্ৰস্তুতিকলৈ দল-প্ৰাৰ্থীৰ প্ৰতিনিধিৰে বৈঠক

**মোবাইল ফোন লৈ গণনা কক্ষত প্ৰৱেশ নিষেধ**

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনৰ অহা ৪ মে'ত হ'বলগীয়া ভোট গণনাৰ প্ৰস্তুতি সম্পৰ্কে আলোচনাৰ বাবে আজি ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ প্ৰতিনিধি সকলৰ সৈতে নগাঁও জিলা প্ৰশাসনৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সকলো ৰাজনৈতিক দল আৰু প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ প্ৰতিনিধিসকলক স্পষ্ট কৰি দিয়া হয় যে, ভোটগণনা কক্ষত কোনেও মোবাইল ফোনলৈ প্ৰৱেশ কৰিব নোৱাৰিব আৰু নিৰ্বাচন উপলক্ষে দিয়া বৈধ পৰিচয় পত্ৰ অবিহনে কোনেও কেন্দ্ৰত প্ৰৱেশ কৰিব নোৱাৰিব। নগাঁও জিলাৰ সাতটা বিধানসভা সমষ্টিৰ বাবে তিনিটা কেন্দ্ৰ নিৰ্ধাৰণ কৰা হৈছে। ডছন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ধিং, ৰূপহীহাট আৰু চামগুৰি বিধানসভা সমষ্টিৰ ভোট গণনা সুকীয়া সুকীয়া কক্ষত একেসময়তে সমান্তৰালকৈ অনুষ্ঠিত হ'ব। একেদৰে নগাঁও - বটদ্ৰৱা আৰু ৰহা সমষ্টিৰ ভোট গণনা অনুষ্ঠিত হ'ব নগাঁও চৰকাৰী ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আৰু বঢ়মপুৰ আৰু কলিয়াবৰৰ ভোট গণনা হ'ব ল'ৰাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। প্ৰতিটো সমষ্টিৰ বাবে ১৪খন টেবুল থাকিব আৰু একেসময়তে প্ৰতিখন টেবুলতে গণনা চলি থাকিব। ৰাজনৈতিক দল বা প্ৰাৰ্থীসকলে প্ৰতিখন টেবুলৰ বিপৰীতে এজনকৈ এজেণ্ট নিয়োগ কৰিব পাৰিব। ৰিটাৰ্নিং অফিচাৰৰ টেবুলৰ বাবেও এজন এজেণ্ট, পোষ্টেল বেলটৰ গণনাৰ বাবে প্ৰতিখন টেবুলৰ বাবে একোজনকৈ এজেণ্ট আৰু ভোটিং মেচিনৰ কেয়াৰকোড পৰীক্ষাৰ বাবে প্ৰতিটো সমষ্টিৰ বিপৰীতে এজনকৈ এজেণ্ট নিয়োগ কৰিব পাৰিব। সংশ্লিষ্ট এজেণ্টসকলৰ নামৰ তালিকা, ফটো পৰিচয় পত্ৰৰ প্ৰতিলিপি আৰু পাছপোৰ্ট আকাৰৰ ফটোসহ অহা ২৭ এপ্ৰিলত দিনৰ ১২ বজাৰ ভিতৰত জিলা আয়ুক্তৰ কাৰ্যালয়ত জমা দিব লাগিব। ইভিএম মেচিনৰ পূৰ্বে পুৱা ৮ বজাৰ পৰা পোষ্টেল বেলটৰ গণনা কৰা হ'ব। ভোট গণনাৰ পিছত ৰাজনৈতিক দলসমূহক বিজয় শোভাযাত্ৰা উলিওৱা, ফটকা-আটছবাজি ফুটুৱা আদি কাৰ্যৰ পৰা আঁতৰি থাকিবলৈ জিলা আয়ুক্তই আহ্বান জনাইছে। তেওঁ ভাৰতৰ গণতান্ত্ৰিক পৰম্পৰাৰ ঐতিহ্য বৰ্তাই ৰাখি গণনা পৰ্বটো শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাত সকলোৰে আন্তৰিক সহযোগিতা কামনা কৰে। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰিয়া, জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰীৰ উপৰি অতিৰিক্ত আয়ুক্তসকল, নিৰ্বাচন বিষয়া আদিও বিষয়াসকল আৰু সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি উপস্থিত থাকে।

**বন্ধ কৰাৰ দাবীত "আটছা"ৰ অনিৰ্দিষ্টকালীন পথ অৱৰোধ কাৰ্যসূচী; স্মাৰক পত্ৰ প্ৰদান**

# নাজিৰাৰ বিহুবৰ ঔগুৰিজান চাহ বাগিচাৰ চাহ গছ উচ্ছেদ কৰি নগাৰ অবাধ শিল খনন




**অসম বাৰ্তা, নামতি, ২৩ এপ্ৰিল ঃ** নাজিৰা সমজিলাৰ অন্তৰ্গত চণ্টক বিহুবৰৰ ঔগুৰিজান চাহ বাগিচাৰ চাহ গছ উচ্ছেদ কৰি শ্ৰমিক সকলৰ জীৱন আৰু জীৱিকাৰ পথ ৰুদ্ধ কৰাৰ লগতে নাগালেণ্ডৰ নগা লোক আৰু অসমৰ একাংশ শিল মাফিয়াই অবৈধ শিল খনন কৰা কাৰ্য বন্ধ কৰাৰ দাবীত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নাজিৰা শাখাৰ উদ্যোগত অনিৰ্দিষ্টকালীন পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰে। অসম নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চল চণ্টক বিহুবৰ ঔগুৰিজানত বছৰ বছৰ ধৰি কেইজনমান অসাধু ভূ-মাফিয়াই অবৈধ ভাৱে চাহ বাগিচা উচ্ছেদ কৰি শিল খননৰ কাৰ্য সম্পাদন কৰি আহিছে। অসম চাহ জনজাতি ছাত্ৰ সন্থা(আটছা)ই কেইবাবাৰো জিলা আয়ুক্ত, বন বিভাগক অৱগত কৰাৰ পিছতো আজি পৰ্যন্ত বন্ধ কৰিব নোৱাৰিলে। কেইজনমান অসাধু ব্যৱসায়ীয়ে নগা দুৰ্বৃত্তৰ লগত মিতিৰালি কৰি অবাধে শিল খননৰ কৰি আহিছে। বন বিভাগৰ কাৰ্যালয় তথা বিহুবৰ আৰক্ষী থানাৰ প্ৰায় ২০০ মিটাৰ দূৰত্বত অসমৰ মাটিত কেনেদৰে নগা দুৰ্বৃত্তই আহি চাহ গছ উচ্ছেদ কৰি শিল খননৰ কৰিবলৈ সাহস পালে তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে আটছাই লগতে তেওঁলোকে দাবী কৰে যে অতি শীঘ্ৰে অসম নাগালেণ্ড সীমান্ত নিৰ্ধাৰণৰ ব্যৱস্থা কৰা, ঔগুৰিজানত অবৈধ শিল খনন বন্ধ কৰা, চাহ বাগিচা উচ্ছেদ আৰু অবৈধ শিল খনন চলোৱা দুষ্কৃতিকাৰিক চিনাক্ত কৰি কৰায়ত্ত কৰিবলৈ নাজিৰা সমজিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰে। অন্যথা অনাগত দিনত অসম নাগালেণ্ড মূল সীমান্ত তুলী পথ বন্ধ কৰিবলৈ বাধ্য হ'ব বুলি কয় অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নাজিৰা শাখাৰ সম্পাদক ভূপেন ঘাটোৱাৰ আৰু সভাপতি সঞ্জয় গোৱালাই।

# ৰূপহীহাটৰ লাইলুৰিত পথ দুৰ্ঘটনাত নিহত এজন

**অসম বাৰ্তা, ৰূপহীহাট, ২৩ এপ্ৰিল ঃ** ৰূপহীহাটৰ লাইলুৰিত আজি দুপৰীয়া এক পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ-০২-এই উ-৬৮১৯ নম্বৰৰ এখন বাইকে নিয়ন্ত্ৰণ হেৰুৱাই এজন পথচাৰীক খুন্দা মাৰে। ফলত পথচাৰীজনৰ লগতে বাইক আৰোহীজনো গুৰুতৰভাৱে আহত হয়। আহত হোৱা লোক দুজনক ৰাইজৰ তৎপৰতাত কাৰৈমাৰী নুৰুল হুছেইন এফআৰইউত ভৰ্তি কৰোৱা হয় যদিও পথচাৰীজনৰ মৃত্যু হয়। মৃত্যু হোৱা পথচাৰীজনৰ নাম মহম্মদ আলী বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

# আমগুৰিত বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী উদ্ধাৰ; চোৰ গ্ৰেপ্তাৰ

**অসম বাৰ্তা, চেলেংহাট, ২৩ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষীয়ে যোৱা নিশা গোপনসূত্ৰৰ পম খেদি চলোৱা এক অভিযানত দুটাকৈ চুৰি ৰন্ধনগেছৰ চিলিণ্ডাৰ, ১টা পানী মটৰ আৰু অন্যান্য কেইবাটাও চুৰি সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে এটা চোৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গ্ৰেপ্তাৰ কৰা চোৰটো আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পূব মানটনীয়াৰ জয়ন্ত গগৈৰ পুত্ৰ ঐশ্বৰ্য্য গগৈ(১৯) বুলি জানিব পৰা গৈছে। ইতিমধ্যে আমগুৰি আৰক্ষীয়ে এই সংক্ৰান্তত ০৯/২০২৬ নম্বৰৰ এটা গোচৰ পঞ্জীয়ন কৰি অভিযুক্তক জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

**১০ টাকৈ চোৰাং গৰুসহ বাহন জব্দ**

# শ্ৰীৰামপুৰত আৰক্ষীৰ সফল অভিযান

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৩ এপ্ৰিল ঃ** গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত আৰক্ষীৰ এক বৃহৎ সফলতা। পুৱতি নিশা চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয় ১০টাকৈ চোৰাং গৰুভৰ্তি এখন ডি আই ভান। বিশেষভাৱে লক্ষণীয় যে, অতি কৌশলৰে পাচলিৰ বস্তাৰ তলত লুকুৱাই নিয়া হৈছিল এই গৰুসমূহ। গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া মণ্টুৰাম বৰা আৰু শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সনজিৱ সন্দিকৈৰ নেতৃত্বত আৰক্ষীৰ এটি দলে গোপন সূত্ৰৰ পম খেদি শ্ৰীৰামপুৰত এই অভিযান চলাইছিল। পুৱতি নিশা সন্দেহযুক্ত ডি আই ভানখনক অনুসৰণ কৰি আৰক্ষীয়ে কৰায়ত্ত কৰাৰ চেষ্টা চলায়। গৰু সৰবৰাহকাৰী দলে আৰক্ষীৰ চকুত ধূলি দিবলৈ ব্যৱহাৰ কৰিছিল এক অভিনৱ পদ্ধতি। AS19 AC 9232 নম্বৰৰ ডি আই ভানখনত থকা দহটাকৈ চোৰাং গৰু পাচলি ভৰ্তি বস্তাৰ তলত লুকুৱাই অনা হৈছিল। আৰক্ষীৰ অভিযানৰ উমান পাই চালকজনে চলিত গাড়ীখন 'মাণিক ডাবা'ৰ সন্মুখত ৰখাই আন্ধাৰৰ সুযোগ লৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰে। বৰ্তমান আৰক্ষীয়ে পলাতক চালকজনৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে।

# গড়কাপ্তানী বিভাগৰ চৰম আওকাণ; খাৰুপেটীয়া-দলগাঁও সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত মৰণফাণ্ডত

**অসম বাৰ্তা, দলগাঁও, ২৩ এপ্ৰিল ঃ** লোকনিৰ্মাণ বিভাগ গড়কাপ্তানী বিভাগৰ চৰম গাফিলতিৰ বাবে এতিয়া জম যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে খাৰুপেটীয়া আৰু দলগাঁও অঞ্চলৰ ৰাইজে। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ গুৰুত্বপূৰ্ণ পথটো দ-দ পুখুৰী সদৃশ গাঁতসমূহে এতিয়া যাত্ৰী আৰু চালকৰ বাবে কালৰূপ ধাৰণ কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, খাৰুপেটীয়া আৰু দলগাঁৱৰ মাজৰ এই পথছোৱাত সঘনাই সৰু-বৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। বিশেষকৈ বৰষুণৰ দিনত এই গাঁতবোৰ পানীৰে ভৰি পৰে, যাৰ ফলত বাইক আৰোহী আৰু সৰু বাহনসমূহ বিপদৰ সন্মুখীন হয়। নিশাৰ ভাগত এই পথছোৱা আৰু অধিক বিপদজনক হৈ পৰে। গড়কাপ্তানী বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে প্ৰতিদিনে এই পথেৰেই আহ-যাহ কৰে যদিও তেওঁলোকৰ চকুৰ সন্মুখতে থকা এই মৰণফাণ্ডসমূহ যেন তেওঁলোকৰ দৃষ্টিগোচৰ হোৱা নাই। বিভাগটোৰ এনে দুৰ্ভাগ্যজনক ভূমিকাৰ বিৰুদ্ধে এতিয়া তীব্ৰ ক্ষোভ উজাৰিছে সচেতন ৰাইজে। বিভাগে কিবা ডাঙৰ অঘটন ঘটাৰ বাবেহে অপেক্ষা কৰিছে নেকি? ৰাজপথৰ মাজত থকা এই দ-দ গাঁতবোৰ মেৰামতি কৰিবলৈ কিমান দিনৰ প্ৰয়োজন। অঞ্চলটোৰ ভুক্তভোগী ৰাইজে সংবাদ মাধ্যমৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষ তথা চৰকাৰক দাবী জনাইছে যে কোনো ধৰণৰ অজুহাত নেদেখুৱাই অতি শীঘ্ৰেই এই পথছোৱা মেৰামতি কৰি যাতায়তৰ উপযোগী কৰি তুলিব লাগে।

# বিশ্ব গ্ৰন্থ দিৱসত অকণিৰ সাহিত্য সভাৰ গ্ৰন্থ দান

**অসম বাৰ্তা, যোৰহাট, ২৩ এপ্ৰিল ঃ** আজি বিশ্ব গ্ৰন্থ দিৱস উপলক্ষে অকণিৰ সাহিত্য সভা, যোৰহাট জিলাই কেইবাখনো বিদ্যালয়, ব্যক্তি বিশেষক গ্ৰন্থ দান কৰে। ইতিমধ্যে অকণিৰ সাহিত্য সভাই সকলো সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত থাকি বৌদ্ধিক, মানসিক, সামাজিক উন্নয়নৰ বাবে কাম কৰি আহিছে। সভাৰ সভাপতি দিগন্ত বৰুৱা আৰু সম্পাদক, শিশু সাহিত্যিক অৰূপজ্যোতি হাজৰিকাই কৰি অহা গ্ৰন্থ পঢ়ক আৰু পঢ়ুৱাওক সজাগতাৰ কাৰ্যসূচীও অন্যতম। বিশ্ব গ্ৰন্থ দিৱসৰ দিনা বিদ্যালয়লৈ গ্ৰন্থ দান কৰি অৰূপজ্যোতি হাজৰিকাই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক একোখনকৈ শিশু আলোচনী আৰু একোখনকৈ বাতৰি কাকত ঘৰত ল'বৰ বাবে আহ্বান জনায়। এই দিৱসৰ লগত সংগতি ৰাখি অকণিৰ সাহিত্য সভা, যোৰহাট জিলাই যোৰহাট মকতব আদৰ্শ প্ৰাথমিক বিদ্যালয়, ৪ নং ৱাৰ্ড প্ৰাথমিক বিদ্যালয়ত গ্ৰন্থৰ টোপোলা আগবঢ়ায়। কাৰ্যসূচীত সহযোগিতা কৰে মনোৰঞ্জন শইকীয়া, অবিনাশ ফুকন আৰু আনন্দ বৰাই।

**হনুমানৰ নেগুৰত জুই জ্বলাই স্বৰ্ণলংকা ধ্বংস কৰাৰ দৰে চকুৰ সন্মুখতে এক্সকাভেটৰে চুৰ্ণ-বিচুৰ্ণ কৰিলে বিলাসী ঘৰ**

# মৈৰাবাৰীত আঢ্যৱন্ত ৱন্ত বেদখলকাৰীয়ে মুখ ঠেকেছা খালে উচ্চতম ন্যায়ালয়ত



**অসম বাৰ্তা, ভূৰাগাঁও, ২৩ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ মৈৰাবাৰীত ২৩ বছৰৰ অন্তত এটা পৰিয়ালে ন্যায় পালে উচ্চতম ন্যায়ালয়ৰ এক ঐতিহাসিক ৰায়ত। এটা আঢ্যৱন্ত বেদখলকাৰী পৰিয়ালে উচ্ছতম ন্যায়ালয়ত গোচৰ তৰি নিজেই মুখঠেকেছা খোৱা ঘটনাৰ পাছত দেশৰ ন্যায় ব্যৱস্থাৰ প্ৰতি কৃতজ্ঞতা জনালে এটি ভূক্তভোগী পৰিয়ালে। যাৰবাবে বেদখলকাৰীয়ে নিজে তৰা গোচৰৰ ৰায় দানে নিজৰ অহংকাৰৰ সৌধ ভাঙি চুৰ্ণ বিচুৰ্ণ কৰাৰ সাক্ষী হ'বলগা হ'ল। ঘটনাৰ বিৱৰণী মতে মৈৰাবাৰীৰ মৃত ইয়াকুব চৌধুৰীৰ পুত্ৰ আৰু জীয়ৰী ক্ৰমে ইমৰান হুছেইন চৌধুৰী, ইফটিকাৰ হুছেইন চৌধুৰী আৰু নাজমিন চৌধুৰীয়ে আজিৰ পৰা ২৪-২৫ বছৰৰ আগতে ৪ বিঘা ১ কঠা ১৪ লেছা মাটি বিক্ৰী কৰিছিল আবুল হাই নামৰ এজন লোকক। মাটিখিনি বিক্ৰীৰ পাছতে আবুল হাইয়ে ক্ৰয় কৰা মাটিখিনি দখল কৰাৰ লগতে সেই মাটিৰ কাষতে থকা অতিৰিক্ত ১ বিঘা ১৩ লেছা মাটি বলপূৰ্বক ভাৱে দখল কৰি একপ্ৰকাৰ গুণ্ডাৰাজ চলাইছিল মাটি বিক্ৰী কৰা পৰিয়াল টোৰ ওপৰত। মাটিখিনি বেদখল কৰিয়ে সন্তুষ্ট থকা নাছিল আবুল হাই। নিজে ক্ৰয় কৰা মাটি খিনিৰ বিপৰীতে অবৈধভাৱে দখল কৰা মাটি খিনিতহে বিলাসী ঘৰ সাঁজিছিল। কিন্তু অতিৰিক্ত মাটিত ঘৰ সাঁজিছিল যদিও সেই মাটিখিনি ক্ৰয় কৰাৰ কোনো বৈধ নথিপত্ৰ নথকাত নিজৰ নামত কাগজে কলমে বিভাগীয় ভাৱে লিখাব পৰা নাছিল মাতব্বৰ টোৱে। ফলত এই মাটি টুকুৰাক লৈ দুয়োটা পৰিয়ালৰ মাজত সংঘাতৰ সৃষ্টি হৈছিল। আনকি মাটি বাৰীক লৈ চলি থকা সংঘাতৰ মাজতে ৰহস্যজনক ভাৱে ইয়াকুব চৌধুৰীক হত্যা কৰিছিল দুস্কৃতিকাৰীয়ে। মাটি টুকুৰা নিজৰ বুলি দাবী কৰি আবুল হাইয়ে নিজৰ বাহু বলেৰে একো কৰিব নোৱাৰি অৱশেষত মৰিগাঁও আদালতত তৰিছিল এটা গোচৰ। মৰিগাঁও আদালতত তৰা গোচৰত জিকিব নোৱাৰি পুনৰ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। উচ্চ ন্যায়ালয়ত তৰা গোচৰতো হাৰি পৰিয়াল টোৰ বিৰুদ্ধে ইটোৰ পাছত সিটো গোচৰ তৰি হাৰাশাস্তি কৰে। অৱশেষত মাটিৰ লোভ সামৰিব নোৱাৰি কেৱল ধনবলৰ অহংকাৰত উচ্চতম ন্যায়ালয়ত এটা গোচৰ তৰে আবুল হাইয়ে। কিন্তু এইবাৰ হনুমানৰ নেগুৰত জুই জ্বলাই নিজৰ ৰাৱনে নিজৰ স্বৰ্ণলংকা নিজেই ধ্বংস কৰাৰ দৰে দশা হ'ল আবুল হাইৰ। এনে ভিত্তিহীন আৰু ভুৱা গোচৰৰ বাবে উচ্চতম ন্যায়ালয়ে আবুল হাইক ভৎসৰ্না কৰাৰ লগতে উক্ত বেদখলকৃত ভূমিত নিৰ্মিত ঘৰ আদি উচ্ছেদৰ নিৰ্দেশ দিয়াৰ লগতে বেদখলকৃত ১ বিঘা ১৩ লেছা মাটি ভোক্তভোগী পৰিয়াল টোক চমজাই দিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। উক্ত নিৰ্দেশ মৰ্মে আজি আৰক্ষী প্ৰশাসন আৰু স্থানীয় দণ্ডাধীশৰ উপস্থিতিত এক্সকাভেটৰে চুৰ্ণ-বিচুৰ্ণ কৰে আবুল হাইৰ বিলাসী ঘৰ। উচ্চতম ন্যায়ালয়ৰ এনে ৰায়ৰ বাবে ২৩ বছৰে নিৰ্যাতন খোৱা ভোক্তভোগী পৰিয়ালটোৱে আজি স্বস্তিৰ নিশ্বাস পেলোৱাৰ লগতে ন্যায়ালয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# মাকুম-ছৈখোৱা (শদিয়া) ৰে'লপথ সুৰক্ষা সমিতিৰ বৰ্ধিত সভা

**অসম বাৰ্তা, ছৈখোৱা, ২৩ এপ্ৰিল ঃ** মাকুম-ছৈখোৱৰ ৰে'লপথটি উজনি অসমৰ তিনিচুকীয়া জিলাৰ এটি গুৰুত্বপূৰ্ণ তথা ঐতিহাসিক ৰেলপথ। এই ৰে'ল পথটো ডিব্ৰু-শদিয়া ৰে'লৱে (Dibru - Sadiya Railway DSR )ৰ অধীনত আছিল। ১৮৮১ চনত ব্ৰিটিছ চৰকাৰে (Assam Railway Trading and Company)ৰ হতোৱাই ডিব্ৰুগড়ৰ পৰা ছৈখোৱালৈ অসমৰ প্ৰথম ৰেললাইন প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল উজনি অসমৰ পৰা কয়লা, চাহপাত, ইত্যাদি কঢ়িয়াই নিয়া। ১৮৮৪ চনত মাকুম ৰে'ল ষ্টেচন প্ৰতিষ্ঠা কৰে আৰু ১৯১০ চনত ৰে'ল লাইনটো ছৈখোৱালৈ সম্পসাৰণ কৰে। কিন্তু ১৯৫০ চনৰ বৰ ভুঁইকপত ছৈখোৱা টাউন আৰু ৰে'ল ষ্টেচনটো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায় লগতে কেইবাখনো দলং ভাঙি ৰে'লপথটি সম্পূৰ্ণ ধংসস্তুপত পৰিণত হয়। সেই যাউতিযুগীয়া পথটি পুনৰ নিৰ্মাণ তথা ৰে'ল চলাচলৰ দাবীত ছৈখোৱাৰ ধলা বজাৰত অৱস্থিত গোৰ্খা ভৱনত "মাকুম-ছৈখোৱা(শদিয়া) ৰে'লপথ সুৰক্ষা সমিতিৰ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে ছৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শান্তনু দাসে। সভাত বিগত বৰ্ষবোৰৰ কাম-কাজ তথা ভৱিষ্যত কৰ্মপন্থা সম্পৰ্কে সম্পাদক ধীৰেন ডেকাই বক্তব্য দাঙি ধৰে। সমিতিৰ কোষাধ্যক্ষ তথা কাৰ্যনিৰ্বাহক সভ্য ক্ৰমে, অৰ্জুন বৰুৱা আৰু প্ৰকাশ দত্তয়ো সমিতিৰ কাম-কাজ সম্পৰ্কে অভিমত দাঙি ধৰে। সভাত উপস্থিত থকা ছৈখোৱা অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ প্ৰতিনিধিসকলে মন্তব্য আগবঢ়োৱা লগতে ব্ৰিটিছ আমোলৰ ৰে'লপথটি পুনৰ নিৰ্মাণৰ দাবীত চৰকাৰক হেঁচা প্ৰয়োগ কৰিব বুলি আশ্বাস প্ৰদান কৰে। উল্লেখযোগ্য যে সদৌ অসম ছাত্ৰ সন্থাৰ লগতে বিভিন্ন দল-সংগঠনে এই ব্ৰিটিছ আমোলৰ ৰেল পথটি নিৰ্মাণ ও দূৰণিবটীয়া ৰে'ল চলাচলৰ দাবী উত্থাপন কৰি আহিছে যদিও আজিলৈকে বিভাগীয় কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল।

# দৰং জিলাত অহা ৯ মে'ত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰীয় লোক আদালত

**অসম বাৰ্তা, দেওমৰনৈ, ২৩ এপ্ৰিল ঃ** ৰাষ্ট্ৰীয় আইনসেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশত দৰং জিলা আইনসেৱা প্ৰাধিকাৰীৰ উদ্যোগত দৰং জিলাত অহা ০৯-০৫-২০২৬ তাৰিখে ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। উক্ত ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে ন্যায়িক আদালতসমূহত আপোচযোগ্য বিভিন্ন গোচৰ, যেনে- ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা সম্বন্ধীয় গোচৰ, চেক বাউন্সৰ গোচৰ ৰাজহ সংক্ৰান্তিয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও বেংকৰ লেন-দেন (ঋণ) সম্বন্ধীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাচুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ৰাইজৰ সুবিধাৰ্থে উক্ত গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। এই ধৰণৰ শুনানী বা লোক আদালতৰ সুযোগ গ্ৰহণ কৰি দৰং জিলাৰ জাননীপ্ৰাপ্ত লোকসকলে দৰং জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ দূৰভাষ নং ০৩৭১-৩৩৫৭৩৪৮ আৰু মোবাইল নং ৬৯০১২৮১৬২৫ তথা ৱাটছ এপ নং ১৮৬৪১৯৬৯৩২ত যোগাযোগ কৰি নিষ্পত্তিৰ সুবিধা ল'ব পাৰে। ইয়াৰ উপৰিও ই-মেইল disadarrang@gmail.com তো যোগাযোগ কৰিব পাৰিব। জাননী নাপালেও ইচ্ছুক ব্যক্তিয়ে দৰং জিলা কোষাগাৰৰ সমীপত অৱস্থিত দৰং জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগৰ জৰিয়তে বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰে। অহা ৯ মে', ২০২৬ তাৰিখে অনুষ্ঠিতব্য এই ৰাষ্ট্ৰীয় লোক আদালত সাফল্যমন্দিত কৰি তোলাৰ বাবে সমূহ দৰংবাসী ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰা হৈছে।

# মহিলা সংৰক্ষণ বিধেয়কক লৈ বিজেপিৰ খানাপাৰাত

প্ৰেক্ষাপটতে বৃহস্পতিবাৰে গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসালয় সংলগ্ন খেলপথাৰত বিজেপিয়ে এক বিশাল প্ৰতিবাদ সভাৰ আয়োজন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আগত হাজাৰ হাজাৰ মহিলাই এই সভাত অংশগ্ৰহণ কৰি বিৰোধী জোট INDI এলায়েন্সৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। বিজেপিৰ সভানেত্ৰীসকলে অভিযোগ উত্থাপন কৰে যে, কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী জোটটোৱে সংবিধানৰ ১৩১তম সংশোধনী বিধেয়ক, ২০২৬ সংসদত গৃহীত হোৱাত বাধাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, এই বিধেয়কখনে ২০২৯ চনৰ সাধাৰণ নিৰ্বাচনৰ আগতে লোকসভা আৰু ৰাজ্য বিধানসভাৰ মুঠ আসনৰ এক-তৃতীয়াংশ (৩৩ শতাংশ) মহিলাৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লক্ষ্য স্থিৰ কৰিছিল। কিন্তু লোকসভাত প্ৰয়োজনীয় দুই-তৃতীয়াংশ সাংসদৰ সমৰ্থন লাভ কৰিব নোৱাৰাত বিধেয়কখন পাছ কৰা সম্ভৱ নহ'ল। প্ৰতিবাদ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থকা বিজেপিৰ ৰাজ্যিক উপ-সভানেত্ৰী ৰত্না সিঙে কয়, "বিৰোধী দলসমূহে সদায় মহিলাৰ অধিকাৰক অৱজ্ঞা কৰি আহিছে। ২০২৩ চনত মাননিয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই গুৰুত্বপূৰ্ণ বিধেয়কখন সংসদত উত্থাপন কৰিছিল। কিন্তু কংগ্ৰেছ আৰু ইয়াৰ সহযোগীয় দলসমূহে কেৱল জনগণনা আৰু সীমা পুনৰ নিৰ্ধাৰণৰ দৰে কাৰিকৰী অজুহাত দেখুৱাই ইয়াৰ কাৰ্যকৰীকৰণ ৰোধ কৰি আহিছে। তেওঁলোকে এই বিধেয়ক পিছুৱাই দি মহিলাসকলক আৰু বহু বছৰ অপেক্ষা কৰিবলৈ বাধ্য কৰাইছে।" ইফালে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী দিলীপ শইকীয়াই কংগ্ৰেছক কটাক্ষ কৰি কয়, "কংগ্ৰেছৰ শাসনকালত মহিলাৰ অধিকাৰ কেতিয়াও সন্মান কৰা হোৱা নাছিল। তেওঁলোকে নাৰীক কেৱল ভোটবেংক হিচাপে ব্যৱহাৰ কৰিছিল। কিন্তু বিজেপি পৰিৱৰ্তনৰ দল, আমি মহিলাসকলক আত্মনিৰ্ভৰশীল, সন্মানিত আৰু ক্ষমতাশালী কৰি তোলাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।" অনুষ্ঠানটোত বিজেপিৰ মহিলা মিডিয়া মুখপাত্ৰ জেফ্ৰিন মেহজেবিনে উপস্থিত মহিলা সমাগমক সম্বোধন কৰি কয়, "এই প্ৰতিবাদ কেৱল বিজেপিৰ নহয়, গোটেই অসমৰ মহিলাৰ দাবী। ডাক্তৰ, শিক্ষয়িত্ৰী, গৃহিণী, উদ্যোগী — প্ৰতিটো স্তৰৰ মহিলাই আজি একত্ৰিত হৈ নিজৰ গণতান্ত্ৰিক অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ নামি আহিছে। কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ পৰা আৰম্ভ কৰি INDI অ'টৰ আন নেত্ৰীসকললৈকে আমি প্ৰশ্ন কৰো — মহিলাৰ সংৰক্ষণৰ বিৰুদ্ধে কিয় থিয় দিছে?" এই প্ৰতিবাদ সভাই অহা দিনবোৰত মহিলা সংৰক্ষণৰ ইছ্যুটো মুখ্য ৰাজনৈতিক অস্ত্ৰ হিচাপে গঢ় লৈ উঠিব বুলি ৰাজনৈতিক বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। উল্লেখ্য যে, অসম বিধানসভা নিৰ্বাচন ২০২৬ আগন্তুক মাহত অনুষ্ঠিত হ'বলৈ থকা প্ৰেক্ষাপটত এই ইছ্যুটো দলসমূহৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে বুলি অনুমান কৰা হৈছে।

# বদ্ৰীনাথ মন্দিৰৰ দুৱাৰ

পৰ্টেলসমূহ ভক্তসকলৰ বাবে মুকলি কৰি দিয়া হয়। প্ৰতিষ্ঠিত পৰম্পৰা অনুসৰি বৈদিক গীত আৰু পৰম্পৰাগত ৰীতি-নীতিৰ লগত সংগতি ৰাখি এই উদ্বোধনী অনুষ্ঠান সম্পন্ন কৰা হয়। দুৱাৰ খোলাৰ কিছু সময়ৰ পাছতে মন্দিৰৰ চৌহদত তীৰ্থযাত্ৰীসকলৰ যথেষ্ট আগমন ঘটে। বিষয়া সূত্ৰে জানিবলৈ দিয়া মতে, সমগ্ৰ ভাৰত আৰু বিদেশৰ পৰা প্ৰায় ১৫ হাজাৰ ভক্তই এই অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰাৰ্থনা জনায়। ভক্তসকলে ভগৱান বদ্ৰী বিশালৰ দৰ্শনৰ লগতে মন্দিৰত চিৰন্তন আধ্যাত্মিক উপস্থিতিৰ প্ৰতীক বুলি গণ্য কৰা অখণ্ড জ্যোতিৰ দৰ্শনত অংশগ্ৰহণ কৰে। এই উপলক্ষে উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নামত প্ৰথম মহাভিষেক পূজা সম্পন্ন কৰে। ৰাষ্ট্ৰ আৰু ৰাজ্যৰ সমৃদ্ধি, কল্যাণ আৰু সুস্থিৰতা কামনা কৰি এই ৰীতি পালন কৰা হৈছিল। ভ্ৰমণৰ সময়ছোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে লক্ষ্মী মন্দিৰ, গণেশ মন্দিৰ আৰু আদি শংকৰাচাৰ্য্যক উছৰ্গিত মন্দিৰকে ধৰি মন্দিৰ চৌহদৰ অন্যান্য গুৰুত্বপূৰ্ণ মন্দিৰসমূহত প্ৰাৰ্থনা জনায়। উল্লেখ্য যে, বদ্ৰীনাথ মন্দিৰ মুকলি হোৱাটো চাৰি ধাম তীৰ্থযাত্ৰাৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত। প্ৰতি বছৰে গ্ৰীষ্মকালত হাজাৰ হাজাৰ তীৰ্থযাত্ৰীয়ে এই তীৰ্থস্থান দৰ্শন কৰিবলৈ আগবাঢ়ে।

# 'তেওঁ ভাৰতক মহান দেশ

ভাৰত আৰু চীনৰ দৰে দেশৰ বৰ্ণনাৰ বাবে 'Hell-Hole' (নৰককুণ্ড)ৰ দৰে আপত্তিজনক শব্দ ব্যৱহাৰ কৰে। এই মন্তব্যৰ পাছতে সমগ্ৰ বিশ্বতে বিশেষকৈ ভাৰতত তীব্ৰ সমালোচনা আৰম্ভ হয়। ক্ৰমাৎ বৃদ্ধি পোৱা বিতৰ্কৰ পাছতে আমেৰিকাৰ দূতাবাসৰ মুখপাত্ৰগৰাকীয়ে এক গুৰুত্বপূৰ্ণ বিবৃতি প্ৰকাশ কৰে। মুখপাত্ৰগৰাকীৰ মতে, ট্ৰাম্পে ভাৰতক 'মহান দেশ' (Great Nation) বুলিয়েই অভিহিত কৰিছে আৰু তেওঁৰ মন্তব্যক বিকৃতভাৱে উপস্থাপন কৰা হৈছে। মুখপাত্ৰগৰাকীয়ে লগতে কয় যে ভাৰতৰ শীৰ্ষ নেতৃত্বৰ মাজত ট্ৰাম্পৰ এগৰাকী অতি ভাল বন্ধু আছে। দুয়ো দেশৰ মাজৰ সম্পৰ্ক অটুট আৰু সৌহাৰ্যপূৰ্ণ বুলিও দূতাবাসৰ তৰফৰ পৰা জানিবলৈ দিয়া হয়। ট্ৰাম্পৰ মন্তব্যৰ পাছতে ভাৰতৰ ৰাজনৈতিক আৰু কূটনৈতিক মহলত উদ্বেগৰ সৃষ্টি হৈছিল যদিও আমেৰিকান দূতাবাসৰ এই স্পষ্টীকৰণে পৰিস্থিতি কিছু পৰিমাণে শান্ত কৰাত সহায় কৰিছে। ইফালে, সমাজ মাধ্যমত এতিয়াও সমালোচনা অব্যাহত আছে যদিও দূতাবাসৰ বিবৃতিয়ে ট্ৰাম্পৰ ভাৰত সন্দৰ্ভত থকা ইতিবাচক দৃষ্টিভংগীৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

# গুৱাহাটীত কৃত্ৰিম বানৰ

হেমাহি কৰা এটা প্ৰতিষ্ঠানক দায়ী কৰি বৃহস্পতিবাৰে জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰে। জালুকবাৰীৰ পৰা খানাপাৰালৈকে বিস্তৃত ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ ক্ৰছ-কালভাৰ্টবোৰ পলস আৰু ধ্বংসাৱশেষৰে সম্পূৰ্ণৰূপে বন্ধ হৈ থকাৰ ফলতেই ঘাইপথত এই ভয়াৱহ কৃত্ৰিম বান হৈছিল বুলি প্ৰশাসনে চিনাক্ত কৰে। দায়ী কৰা প্ৰতিষ্ঠানটো হৈছে — M/S Dinesh Chandra Kamakhya Highway Consessions Pvt Ltd। জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই প্ৰতিষ্ঠানটোলৈ প্ৰেৰণ কৰা জাননীত উল্লেখ কৰে যে, বাৰিষা আৰম্ভ হোৱাৰ আগতেই ক্ৰছ-কালভাৰ্টবোৰ মুকলি কৰি দিয়াৰ বাবে 'মিছন ফ্লাড ফ্ৰী'ৰ অধীনত বহুবাৰ পৰ্যালোচনা বৈঠকত নিৰ্দেশনা দিয়া হৈছিল। সেই নিৰ্দেশ অমান্য কৰি প্ৰতিষ্ঠানটোৱে নলা নিষ্কাশনৰ গুৰুত্ব নিদিয়াত এই ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হয় আৰু জনসাধাৰণে অযথা অসুবিধা ভোগ কৰে। জাননীখন লাভ কৰাৰ পৰৱৰ্তী তিনি দিনৰ ভিতৰত প্ৰতিষ্ঠানটোৱে কিয় অনুশাসনমূলক আৰু আইনী ব্যৱস্থা গ্ৰহণ কৰা উচিত নহ'ব, সেই সন্দৰ্ভত সন্তোষজনক উত্তৰ দিব লাগিব। নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত ব্যাখ্যা প্ৰদান কৰিব নোৱাৰিলে প্ৰতিষ্ঠানটোৰ বিৰুদ্ধে বিহিত আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি স্পষ্টভাৱে জনোৱা হৈছে। প্ৰসংগত উল্লেখযোগ্য যে, দেওবাৰে নিশা গুৱাহাটী মহানগৰীত হোৱা ভয়াৱহ কৃত্ৰিম বানত এগৰাকী মহিলা মেনহলত পৰি মৃত্যুমুখত পৰে। পাছলৈ উদ্ধাৰকাৰী দলে আন তিনিটাকৈ মৃতদেহো উদ্ধাৰ কৰে। এই ঘটনাই নগৰৰ নলা-নিষ্কাশন ব্যৱস্থা আৰু প্ৰশাসনিক তত্পৰতাক সন্দেহৰ চকুৰে চাইছে। শেহতীয়াকৈ 'গুৱাহাটী স্মাৰ্ট চিটি'ৰ খিতাপ কঢ়িয়াই থকা নগৰীখনত মাত্ৰ এৰাতিৰ বৰষুণেই কেনেকৈ ভয়াৱহ পৰিস্থিতি সৃষ্টি কৰিব পাৰে, সেই প্ৰশ্নই ৰাইজক ব্যাকুল কৰি তুলিছে। এই প্ৰেক্ষাপটতে প্ৰশাসনৰ কাৰণ দৰ্শোৱাৰ জাননীয়ে প্ৰতিষ্ঠানটোৰ বাবে আইনী জটিলতাৰ সৃষ্টি কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে।

# ভোটগণনাৰ পূৰ্বে অসম কংগ্ৰেছে গঠন কৰিলে ৭টা

৭টা বিশেষ প্ৰতিনিধি দল গঠন কৰি গুৰুত্বপূৰ্ণ দায়িত্ব অৰ্পণ কৰিছে। এই দলসমূহে ২৫ এপ্ৰিলৰ পৰা ৰাজ্যৰ বিভিন্ন জিলা ভ্ৰমণ কৰি সংশ্লিষ্ট অঞ্চলৰ ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰিব, দলীয় প্ৰাৰ্থীসকলক সাক্ষাৎ কৰিব আৰু জিলা প্ৰশাসনৰ সৈতে মত বিনিময় কৰিব। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক তথা অসমৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং আৰু অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ আলোচনা সাপেক্ষে এই প্ৰতিনিধি দলসমূহ গঠন কৰা হৈছে। অসম প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক ৰামান্না বৰুৱাই এক জাননীযোগে এই নিৰ্দেশনা প্ৰদান কৰে। দলসমূহক অঞ্চলভিত্তিক দায়িত্ব বিতৰণ কৰা হৈছে — উজনি অসমৰ জিলাসমূহৰ বাবে দেৱব্ৰত শইকীয়াৰ নেতৃত্বত এটা দলে তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলা ভ্ৰমণ কৰিব। উত্তৰ পাৰৰ জিলাসমূহৰ বাবে ৰিপুন বৰাৰ নেতৃত্বত এটা দলক দায়িত্ব দিয়া হৈছে। মধ্য অসম আৰু পাহাৰীয়া অঞ্চলৰ দায়িত্বত শিৱামণি বৰা আৰু দিগন্ত বৰ্মনৰ লগতে এটা বৃহৎ দলে হোজাই, নগাঁও, মৰিগাঁও, কামৰূপ, কামৰূপ মহানগৰ, নলবাৰীৰ লগতে কাৰ্বি আংলং আৰু ডিমা হাচাও জিলা পৰ্যবেক্ষণ কৰিব। নামনি অসমৰ জিলাসমূহৰ বাবে ৰকিবুল হুছেইনৰ নেতৃত্বত এটা দলক মনোনীত কৰা হৈছে যিয়ে বৰপেটা, বঙাইগাঁও, ধুবুৰী আৰু গোৱালপাৰা জিলা ভ্ৰমণ কৰিব। বৰাক উপত্যকাত অজিত সিঙৰ নেতৃত্বত এটা দলে আৰু বি.টি.এ.ডি. অঞ্চলৰ বাবে মেহেদী আলম বৰাৰ নেতৃত্বত আন এটা দলে দায়িত্ব পালন কৰিব। এই পদক্ষেপৰ জৰিয়তে দলটোৱে ভোটগণনাৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে স্বচ্ছ আৰু নিৰাপদ কৰি তুলিবলৈ আগ্ৰহী বুলি প্ৰকাশ পাইছে।

# আজি কংগ্ৰেছ নেতা পৱন

শুনানিৰ সময়ত দুয়োপক্ষৰ আইনজীৱীয়ে দীৰ্ঘ সময় ধৰি যুক্তি-তৰ্ক উপস্থাপন কৰিছিল। শুনানি সম্পন্ন হোৱাৰ পিছত ন্যায়াধীশ পাৰ্থিৱজ্যোতি শইকীয়াৰ বিচাৰপীঠে ৰায়দান সংৰক্ষিত ৰাখিছিল। এই ঘটনাৰ সূত্ৰপাত হৈছিল অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিনিকী ভূঞা শৰ্মাই দাখিল কৰা অভিযোগৰ ভিত্তিত। অসম পুলিচৰ ক্ৰাইম ব্ৰাঞ্চে পৱন খেড়াৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ বিভিন্ন ধাৰাৰ অধীনত এটা এফ আই আৰ ৰুজু কৰিছিল। খেড়াই ৰিনিকী ভূঞা শৰ্মাৰ বিৰুদ্ধে একাধিক পাছপ'ৰ্ট আৰু বিদেশী সম্পত্তিৰ অভিযোগ উত্থাপন কৰিছিল বুলি কোৱা হয়। পৱন খেড়াৰ হৈ শুনানিত জ্যেষ্ঠ আইনজীৱী অভিষেক মনু সিংহৱী আৰু কমল নয়ন চৌধুৰীয়ে যুক্তি দৰ্শাইছিল। তেওঁলোকে আদালতত কৈছিল যে খেড়া কোনো পলায়নকাৰী নহয় আৰু তেওঁক গ্ৰেপ্তাৰ কৰাৰ কোনো প্ৰয়োজন নাই। আনহাতে, ৰাজ্য চৰকাৰৰ হৈ এডভোকেট জেনেৰেল দেৱজিৎ শইকীয়াই যুক্তি প্ৰতিষ্ঠা কৰিছিল। উচ্চতম ন্যায়ালয়ে পূৰ্বে এই মামলাত ট্ৰেনজিট আগজামিনৰ স্থগিতাদেশ দিছিল আৰু খেড়াক অসমৰ উপযুক্ত আদালতত আবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। তাৰ পিছতেই খেড়াই গুৱাহাটী উচ্চ ন্যায়ালয়ত আগজামিনৰ আবেদন কৰে। আজিৰ তাৰিখলৈকে ৰায় ঘোষণাৰ কোনো স্পষ্ট সময় নিৰ্ধাৰণ কৰা হোৱা নাই, কিন্তু আদালতী সূত্ৰ অনুসৰি কাইলৈ ৰায়দান হোৱাৰ সম্ভাৱনা আছে। এই ৰায়ৰ পিছত ৰাজনৈতিক মহলত উল্লেখযোগ্য প্ৰতিক্ৰিয়াৰ সম্ভাৱনা আছে।

# ভাৰত 'নৰককুণ্ড' বুলি ট্ৰাম্পৰ বিতৰ্কিত মন্তব্য,

বুলি অভিহিত কৰে। লগতে তেওঁ কয় যে, আমেৰিকাত উপনীত হোৱাত পলম হোৱাৰ বাবে কিছুমান মহিলাই 'ন মাহতে কেঁচুৱা প্ৰসৱ কৰে' — এনে অভিযোগো উত্থাপন কৰে ট্ৰাম্পে। 'চেভেজ নেচন' নামৰ এক পডকাষ্ট অনুষ্ঠানত অংশগ্ৰহণ কৰি ট্ৰাম্পে আমেৰিকাৰ উচ্চতম ন্যায়ালয়ে জন্মসূত্ৰে নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থাক তীব্ৰ গৰিহণা দিয়ে। তেওঁ দাবী কৰে যে এই ব্যৱস্থাই অবৈধ অনুপ্ৰৱেশকাৰীক উৎসাহ যোগাইছে। অনুষ্ঠানটোৰ সঞ্চালকগৰাকীয়ে নাগৰিকত্ব সন্দৰ্ভত গণভোট অনুষ্ঠিত কৰাৰ পোষকতা কৰে, যাৰ প্ৰতি ট্ৰাম্পে লিখিতভাৱে নিজৰ সমৰ্থন জ্ঞাপন কৰে। ট্ৰাম্পে পোনপটীয়াকৈ কয়, "ইয়াত (আমেৰিকাত) সন্তান জন্ম হ'লেই লগে লগে সি নাগৰিক হৈ যায়। তাৰ পিছত ভাৰত, চীন বা আন কোনো নৰককুণ্ডৰ পৰা গোটেই পৰিয়ালটো আহি উপস্থিত হয়।" ইয়াৰ উপৰিও ভাৰতীয় আৰু চীনা অনুপ্ৰৱেশকাৰীক তেওঁ 'লেপটপ মাফিয়া' বুলি অভিহিত কৰে। তেওঁৰ দাবী, এই দুখন দেশৰ পৰা অহা অনুপ্ৰৱেশকাৰীসকলে আমেৰিকাত 'জন্ম পৰ্যটন' (birth tourism) চলাই আছে, সমাজ কল্যাণমূলক প্ৰকল্পৰ অপব্যৱহাৰ কৰিছে আৰু তেওঁলোক নিজৰ পতাকাও পদদলিত কৰিছে। ট্ৰাম্পে অধিক তীব্ৰ হৈ কয়, "যদি আপুনি সকলো মাফিয়া পৰিয়ালক ধৰে, তেন্তে তেওঁলোকে (অভিবাসীসকলে) আমেৰিকাৰ আটাইতকৈ বেছি ক্ষতি কৰিছে। মই কোনো লুকঢাক নোহোৱাকৈয়ে ক'ব বিচাৰো — হাতত লেপটপ লৈ ঘূৰা গেংষ্টাৰবোৰে আমাক লুণ্ঠন কৰিছে। তেওঁলোকে আমাৰ সৈতে দ্বিতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে ব্যৱহাৰ কৰিছে।" তেওঁ দাবী কৰে যে আমেৰিকাৰ অভ্যন্তৰীণ বহু কাম-কাজ এনেদৰে সাজি উলিওৱা হৈছে যে সেয়া প্ৰায় ভাৰতীয় আৰু চীনা লোকৰ দ্বাৰাই পৰিচালিত হয়। আমেৰিকাৰ সংবিধানত থকা অনুপ্ৰৱেশ সম্পৰ্কীয় বিধানসমূহক ট্ৰাম্পে 'আওপুৰণি' বুলি আখ্যা দিয়ে। তেওঁ যুক্তি আগবঢ়ায় যে বৰ্তমান সংবিধান লিখাৰ সময়ত বিমান সেৱা, টেলিভিছন, ইণ্টাৰনেট, ৰেডিঅ' একোৱেই নাছিল। মানুহে বিমানত উঠি আহি ৯ মাহত সন্তান জন্ম দিয়া সম্ভৱ নাছিল। সেয়ে সময়ৰ লগে লগে সংবিধান পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা আছে বুলি মত প্ৰকাশ কৰে ট্ৰাম্পে। উল্লেখযোগ্য যে, আমেৰিকাক অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিয়েই দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হয় ট্ৰাম্প। তাৰ পিছৰে পৰা তেওঁৰ চৰকাৰে কেইবাটাও কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আছে। প্ৰব্ৰজনকাৰীক 'এলিয়েন' (অন্য গ্ৰহৰ জীৱ) বুলি সম্বোধন কৰি তেওঁলোকৰ কঁকাল, হাত আৰু ভৰিত শিকলি বান্ধি বিভিন্ন দেশলৈ ঘূৰাই পঠিওৱা হৈছে। ভাৰতীয় অনুপ্ৰৱেশকাৰীক লৈ এখন আমেৰিকাৰ সামৰিক বিমানে ভাৰতত অৱতৰণ কৰোৱাৰ ঘটনাও আলোচিত হৈছিল। সেই ঘটনাই ভাৰত চৰকাৰ তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ বিৰুদ্ধে তীব্ৰ সমালোচনাৰ সৃষ্টি কৰিছিল। ট্ৰাম্পৰ এই সাম্প্ৰতিক বৰ্ণবাদী মন্তব্যৰ প্ৰতি ভাৰত চৰকাৰ অথবা ৰাজনৈতিক দলসমূহৰ হৈ এতিয়ালৈকে আনুষ্ঠানিক কোনো প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। কিন্তু সামাজিক মাধ্যমত এই মন্তব্যৰ তীব্ৰ নিন্দা আৰম্ভ হৈছে। বহু ভাৰতীয় নাগৰিকে ট্ৰাম্পৰ ভাষ্যক ঘৃণাত্মক আৰু ভিত্তিহীন বুলি অভিহিত কৰিছে।

# মেঘালয়ত অসমৰ শ্ৰমিক-ব্যৱসায়ীক নিৰ্যাতন ! আমছুৰ

এই সিদ্ধান্তৰ লগে-লগে আমছু আৰু অসম-মেঘালয় ক্ষুদ্ৰ ব্যৱসায়ী সংগঠনৰ আহ্বানত হাটশিঙিমাৰীত এটা বৃহৎ প্ৰতিবাদমূলক কাৰ্যসূচী অনুষ্ঠিত হয়, যত সহস্ৰাধিক শ্ৰমিক আৰু ক্ষুদ্ৰ ব্যৱসায়ীয়ে অংশগ্ৰহণ কৰে। প্ৰতিবাদকাৰীসকলে জিলা আয়ুক্তৰ কাৰ্যালয় ঘেৰাও কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে সমস্যাৰ দ্ৰুত সমাধানৰ দাবী জনায়। আমছুৰ ঘোষণা অনুসৰি, এতিয়াৰ পৰা অসমৰ পৰা মেঘালয়ৰ গাৰো পাহাৰ জিলালৈ কোনো ধৰণৰ সামগ্ৰী প্ৰেৰণ কৰা নহ'ব। একেদৰে অসমৰ ব্যৱসায়ীসকলে মেঘালয়ৰ পৰা কোনো সামগ্ৰী ক্ৰয়ো নকৰিব। লগতে অসহযোগ আন্দোলনৰ অংশ হিচাপে মেঘালয়ৰ লোকসকল অসমলৈ আহিলে তেওঁলোকক আতিথ্য দিয়া হ'ব যদিও তেওঁলোকৰ সৈতে কোনো বাণিজ্যিক লেনদেন কৰা নহ'ব। আমছুৰ জিলা সাধাৰণ সম্পাদক ফিৰোজ আল ফাৰুক খন্দকাৰে ঘোষণা কৰা মতে, যেতিয়ালৈ মেঘালয়ত অসমীয়া লোকসকলৰ নিৰাপদ প্ৰৱেশ আৰু বাণিজ্যিক কাৰ্যকলাপ পুনৰ আৰম্ভ নহয়, তেতিয়ালৈ এই অৰ্থনৈতিক অৱৰোধ বলবৎ থাকিব। উল্লেখযোগ্য যে, বিগত প্ৰায় তিনি মাহ ধৰি মেঘালয়ৰ গাৰো পাহাৰ অঞ্চলত অসমৰ অনা-গাৰো শ্ৰমিক আৰু ব্যৱসায়িক প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাই। ফলত বহু শ্ৰমিক আৰু ব্যৱসায়ী আৰ্থিক সংকটত পৰি জীৱিকা চলোৱাত অসুবিধাৰ সন্মুখীন হৈছে। এই সমস্যাৰ মূল ঘটনাটো সংঘটিত হৈছিল যোৱা ৯ জানুৱাৰীত। সেইদিনা মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাৰ ৰাজাবালা এলেকাত 'আচিক' নামৰ এটা গাৰো সংগঠনৰ এজন সদস্যক অনা-গাৰো দুষ্কৃতিকাৰী দলটোৱে প্ৰহাৰ কৰাত সদস্যজনৰ মৃত্যু হয়। তাৰ পিছৰে পৰা মেঘালয়ৰ বিভিন্ন স্থানত অসমৰ শ্ৰমিক আৰু ব্যৱসায়ীসকলৰ ওপৰত আক্ৰমণ আৰম্ভ হয়। পৰিস্থিতি ভয়াৱহ হৈ উঠাত ১১ জানুৱাৰীৰ ভিতৰতে হাজাৰ হাজাৰ অসমীয়া শ্ৰমিক আৰু ব্যৱসায়ী গাৰো পাহাৰ এৰি উভতি আহিবলৈ বাধ্য হয়। ঘটনাৰ পাছৰে পৰা একাংশ গাৰো সংগঠনে অসমীয়া লোকক মেঘালয়ত প্ৰৱেশত বাধা দি আহিছে। দুয়োখন ৰাজ্যৰ প্ৰশাসনৰ মাজত কেইবাটাও বৈঠক অনুষ্ঠিত হ'লেও এতিয়ালৈ কোনো স্থায়ী সমাধান ওলোৱা নাই। এই পৰিপ্ৰেক্ষিততে অসমীয়া শ্ৰমিক-ব্যৱসায়ীৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবীত আমছুৱে কঠোৰ অৰ্থনৈতিক অৱৰোধৰ পথ বাছি লৈছে। আনহাতে, অহা ৬ মে'ৰ ভিতৰত সমস্যাৰ সমাধান নহ'লে সমগ্ৰ ৰাজ্যজুৰি মেঘালয়ৰ সৈতে অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচী আৰম্ভ কৰা হ'ব বুলি প্ৰতিবাদত অংশগ্ৰহণ কৰা আমছুৰ ৰাজ্যিক নেতৃত্বই সকীয়াই দিছে।

# পশ্চিমবংগ, তামিলনাডুত

কিন্তু নিৰ্ধাৰিত সময়ৰ আগতে ভোটকেন্দ্ৰত শাৰী পাতি থকা ভোটাৰসকলক ভোটদানৰ সুযোগ দিয়া হয়। প্ৰায় ৩.৬ কোটি ভোটাৰে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰা এই নিৰ্বাচনত কেইবাটাও স্থানত বিক্ষিপ্ত সংঘৰ্ষৰ ঘটনা সংঘটিত হয়। মুৰ্ছিদাবাদত তৃণমূল কংগ্ৰেছ আৰু হুমায়ুন কবীৰৰ সমৰ্থকৰ মাজত হাতাহাতিৰ লগতে দক্ষিণ দিনাজপুৰত বিজেপিৰ এজন প্ৰাৰ্থীক আক্ৰমণ কৰাৰ অভিযোগ উঠে। অৱশ্যে বিচ্ছিন্ন এই ঘটনাৰ বাহিৰে অধিকাংশ ভোটকেন্দ্ৰত ৰাইজৰ দীঘলীয়া শাৰী দেখা যায়। নিৰ্বাচন আয়োগে সামগ্ৰিকভাৱে ভোটগ্ৰহণ শান্তিপূৰ্ণ বুলি দাবী কৰিলেও ভোটাৰক ভয়-ভাবুকি দিয়া আৰু হিংসাত্মক ঘটনাৰ সবিশেষ প্ৰতিবেদন বিচাৰি উলিওৱাৰ নিৰ্দেশ দিছে। অন্যফালে, তামিলনাডুত প্ৰায় ৫.৬৭ কোটি যোগ্য ভোটাৰৰ অংশগ্ৰহণৰ মাজেৰে সম্পূৰ্ণ শান্তিপূৰ্ণ আৰু নীৰৱচ্ছিন্নভাৱে একক পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যখনত শাসকীয় দ্ৰাবিড় মুনেত্ৰ কড়গম (ডিএমকে), প্ৰতিপক্ষী অল ইণ্ডিয়া আন্না দ্ৰাবিড় মুনেত্ৰ কড়গম (এআইএডিএমকে), বিজেপি নেতৃত্বাধীন এনডিএ আৰু অভিনেতা বিজয়ৰ দল তামিলগা বেট্ৰি কড়গম (টিভিকে)ৰ মাজত ত্ৰিকোণীয় প্ৰতিদ্বন্দ্বিতা অনুষ্ঠিত হৈছে। ইমান ব্যাপক ভোটদানে ৰাজ্যখনত গণতান্ত্ৰিক সজাগতাৰ শক্তিশালী প্ৰতিফলন ঘটাই বুলি বিশে-ষকসকলেই মন্তব্য কৰিছে। অভিলেখ ভোটদানৰ পাছত ৰাজনৈতিক দল আৰু নেতাসকলে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে দাবী কৰে যে ৰাইজৰ ব্যাপক সঁহাৰিয়ে স্পষ্ট কৰি দিছে যে তৃণমূল কংগ্ৰেছ ইতিমধ্যে বিজয়ৰ পথত আগবাঢ়িছে। আনফালে, কৃষ্ণনগৰৰ এখন ৰাজহুৱা সভাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগৰ ভোটাৰক অভিনন্দন জনাই কয়, "এয়া পৰিৱৰ্তনৰ সপক্ষে ৰাইজে দিয়া স্পষ্ট ৰায়।" তেওঁ লগতে কয় যে যোৱা ৫০ বছৰৰ ইতিহাসত এইবাৰেই পশ্চিমবংগত নিৰ্বাচনী হিংসা আটাইতকৈ কম পৰিলক্ষিত হৈছে।

# জুবিন গাৰ্গৰ নামত আকৌ

বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ তেওঁৰ স্বামী শ্যামকানু মহন্তই জুবিনক ছিংগাপুৰলৈ লৈ গৈছিল। এই মন্তব্যক তীক্ষ্ণ প্ৰত্যাহ্বান জনাইছে জুবিন গাৰ্গৰ ভগ্নী তথা জনপ্ৰিয় কণ্ঠশিল্পী পামী বৰঠাকুৰে। সামাজিক মাধ্যমত পামীয়ে অনিতা ডেকা মহন্তক স্পষ্টভাৱে কৈছে, 'জুবিন গাৰ্গৰ নামত আকৌ নতুন খেলা আৰম্ভ কৰাৰ চেষ্টা নকৰিব। 'শেহতীয়াকৈ গুৱাহাটীৰ ফাষ্টট্ৰেক আদালতত শ্যামকানু মহন্তৰ জামিন আবেদনৰ শুনানি অনুষ্ঠিত হয়। সেই শুনানিৰ পাছত আদালতৰ সমুখত সংবাদ মাধ্যমৰ সন্মুখত কথা পাতে অনিতা ডেকা মহন্তই। তেওঁ কয়, "স্বামী শ্যামকানু মহন্ত বিগত সাত মাহ ধৰি কাৰাগাৰত বন্দী। তেওঁ কোনো অপৰাধ কৰা নাই। তেওঁৰ একমাত্ৰ সপোন আছিল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংস্কৃতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা। সেই সপোনৰ বাবেই তেওঁ জুবিন গাৰ্গক ছিংগাপুৰলৈ লৈ গৈ আছিল। আমাৰ চহকী সংস্কৃতিক বিশ্ববাসীয়ে যাতে জানিব পাৰে, সেই কামত লাগি আছিল তেওঁ। কিন্তু আজি তেওঁক কিয় কাৰাগাৰত ভৰাই থোৱা হৈছে?" অনিতা ডেকাৰ এই আবেগিক মন্তব্যই চাঞ্চল্যৰ সৃষ্টি কৰে। বিশেষকৈ 'ছিংগাপুৰলৈ লৈ যোৱা'ৰ প্ৰসঙ্গটো লৈ সামাজিক মাধ্যমত তীব্ৰ আলোচনা আৰম্ভ হয়। এই প্ৰসংগতে জুবিন গাৰ্গৰ ভগ্নী পামী বৰঠাকুৰে ফেচবুকত এটা পোষ্ট দি পোনপটীয়াকৈ অনিতাক উদ্দেশ্যি লিখে, "কোনে কাক বিশ্ব দৰবাৰলৈ লৈ গৈছিল? জুবিন গাৰ্গৰ নামত আকৌ নতুন খেলা আৰম্ভ কৰাৰ চেষ্টা নকৰিব! আমাক ন্যায় লাগে জুবিন গাৰ্গৰ হত্যাকাৰীক উপযুক্ত শাস্তি দি, চিধা কথা!" পামী বৰঠাকুৰ প্ৰশ্ন উত্থাপন কৰে যে জুবিন গাৰ্গে নিজৰ প্ৰতিভা বলিয়েই গুৱাহাটী, মুম্বাইৰ পৰা অসমকে ধৰি গোটেই দেশতে নাম কঢ়িয়াইছে — কোনো ব্যক্তিয়ে লৈ গৈ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন নাছিল। পামীৰ এই পোষ্টৰ পাছতে জুবিনৰ অনুৰাগীসকলো দুটা শিবিৰত বিভক্ত হৈ পৰে। এফালে শ্যামকানু মহন্তৰ পত্নীৰ দাবীক সমৰ্থন কৰা শুনা যায়, আনফালে পামী বৰঠাকুৰৰ এই প্ৰত্যাহ্বানক [illegible] জনাইছে [illegible]। উল্লেখ্য যে, চলিত [illegible] এপ্ৰিলত শ্যামকানু মহন্তই গুৱাহাটীৰ ফাষ্টট্ৰেক আদালতত জামিনৰ বাবে আবেদন দাখিল কৰে। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ আদালতত তেওঁৰ জামিন আবেদনৰ শুনানি চলি আছে। আদালতৰ পৰা ওলাই আহি নিজৰ স্বামীৰ নিৰ্দোষিতা দাবী কৰাৰ লগতে তেওঁ জুবিন গাৰ্গৰ সৈতে শ্যামকানুৰ সম্পৰ্কৰ কথাও উল্লেখ কৰে। অনিতাৰ মতে, জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাত তেওঁৰ স্বামী সম্পূৰ্ণ নিৰ্দোষ। ইফালে, জুবিন গাৰ্গৰ মৃত্যুক লৈ এতিয়াও ৰাজ্যজুৰি প্ৰশ্ন চিন থাকি গৈছে। শ্যামকানু মহন্তই জুবিন গাৰ্গৰ মৃত্যুৰ কাৰণ সন্দৰ্ভত এক ৰহস্যজনক পোষ্ট দি সমগ্ৰ ৰাজ্যক আলোড়িত কৰিছিল। তাৰ পাছতেই গুৱাহাটীৰ দোতৰা থানাত গোচৰ ৰুজু হয় আৰু এতিয়ালৈকে শ্যামকানু মহন্ত কাৰাগাৰত। শ্যামকানু মহন্তৰ পত্নীয়ে আদালতত দিয়া এই মন্তব্য আৰু পামী বৰঠাকুৰৰ প্ৰত্যাহ্বানে এতিয়া ৰাজ্যৰ আলোচনাত গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। শেহতীয়াকৈ চৰ্চিত হৈ থকা জুবিন গাৰ্গৰ মৃত্যুৰহস্য, শ্যামকানু মহন্তৰ জামিন শুনানি আৰু এই বাকযুদ্ধই ৰাজ্যৰ ৰাজনৈতিক-সাংস্কৃতিক পটভূমিত এক বিশেষ মাত্ৰা যোগ কৰিছে। আগন্তুক দিনত এই গোচৰৰ নিষ্পত্তিয়ে জুবিন গাৰ্গৰ ভক্ত-অনুৰাগীৰ লগতে চিনেমা-সংগীত জগতত কি প্ৰতিক্ৰিয়া সৃষ্টি কৰে, সেইফালে ৰাইজৰ দৃষ্টি ৰৈছে।

# ২৮ এপ্ৰিলত ঘোষণা হ'ব উচ্চতৰ মাধ্যমিক চূড়ান্ত

সামাজিক মাধ্যমযোগে এই তাৰিখ স্পষ্ট কৰে। মুখ্যমন্ত্ৰীয়ে নিজৰ এক্স হেণ্ডেলত (পূৰ্বৰ টুইটাৰ) পোষ্ট কৰি কয়, "উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফল ২৮ এপ্ৰিলত ঘোষণা কৰা হ'ব। পৰীক্ষাত অৱতীৰ্ণ হোৱা সকলো শিক্ষাৰ্থীক মোৰ শুভেচ্ছা জনাইছো।" উক্ত পোষ্টত তেওঁ আগতীয়াকৈ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা ১১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হৈছিল। সময়সূচী অনুসৰি প্ৰত্যেকটো পৰীক্ষা দিনৰ ১: ৩০ বজাৰ পৰা বিয়লি ৪: ৩০ বজালৈ অনুষ্ঠিত হয়। ১৬ মাৰ্চত এই পৰীক্ষাৰ সামৰণি পৰে। পৰীক্ষা শুশ্ৰূষা তথা সুকলমে সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছিল। প্ৰতিটো পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে বলৱৎ কৰা হৈছিল ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰা। লগতে পৰীক্ষাগৃহসমূহত চিচিটিভি কেমেৰা স্থাপন কৰি ফ্লাইং স্কোৱাড নিয়োগ কৰা হৈছিল। সমগ্ৰ ৰাজ্যৰ মুঠ ৮২১টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হয়। তথ্য অনুসৰি চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা, বাণিজ্য, বিজ্ঞান আৰু বৃত্তিমুখী — এই চাৰিটা শাখাত একেলগে মুঠ ৩, ৩০, ৭৪৪ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। কলা শাখাৰ মুঠ পৰীক্ষাৰ্থী ২, ৪৭, ৮৬৫ গৰাকী। ইয়াৰ ভিতৰত ছাত্ৰ ১, ০২, ৬৪৮ গৰাকী, ছাত্ৰী ১, ৪৫, ২১৬ গৰাকী আৰু এগৰাকী তৃতীয় লিংগৰ পৰীক্ষাৰ্থী। বিজ্ঞান শাখাৰ মুঠ পৰীক্ষাৰ্থী ৬১, ৫৬৮ গৰাকী। ইয়াৰ ভিতৰত ছাত্ৰ ৩৪, ৮০১ গৰাকী, ছাত্ৰী ২৬, ৭৬৬ গৰাকী আৰু এগৰাকী তৃতীয় লিংগৰ পৰীক্ষাৰ্থী। বাণিজ্য শাখাৰ মুঠ পৰীক্ষাৰ্থী ১৯, ৮০৬ গৰাকী। ইয়াৰ ভিতৰত ছাত্ৰ ১৩, ৭৮২ গৰাকী আৰু ছাত্ৰী ৬, ০২৪ গৰাকী। বৃত্তিমুখী শাখাৰ মুঠ পৰীক্ষাৰ্থী ১, ৫০৫ গৰাকী। ইয়াৰ ভিতৰত ছাত্ৰ ৮৮৭ গৰাকী আৰু ছাত্ৰী ৬১৮ গৰাকী। পূৰ্বতে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে (AHSEC) এই পৰীক্ষা অনুষ্ঠিত কৰিছিল। কিন্তু গত বৰ্ষৰ পৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে (ASSEB) উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ লগতে পূৰ্বৰ AHSEC আৰু SEBA বিলুপ্ত কৰি চৰকাৰে একত্ৰিতভাৱে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ গঠন কৰে। নতুন পৰিষদটোৱে মেট্ৰিক (HSLC) আৰু উচ্চতৰ মাধ্যমিক (HS) উভয় পৰীক্ষা অনুষ্ঠিত কৰাৰ দায়িত্ব লাভ কৰে। শিক্ষাৰ্থীসকলে নিৰ্ধাৰিত তাৰিখত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ আনুষ্ঠানিক ৱেবছাইটৰ জৰিয়তে নিজৰ ফলাফল চাব পাৰিব। ফলাফল ঘোষণাৰ লগে লগে তাৰ পিছত উত্তৰৰ প্ৰতিলিপি (মাৰ্কশ্বীট) আৰু পাছযোগ্যতাৰ প্ৰমাণপত্ৰ বিতৰণৰ বিষয়েও শীঘ্ৰে বিজ্ঞপ্তি প্ৰকাশ পাব বুলি আশা কৰা হৈছে।

# 'ঝালমুৰি মই খালোঁ, জ্বলা-পোৰা অনুভৱ টিএমচিৰ হৈছে'

মমতা বেনাৰ্জীক লক্ষ্য কৰি এক তীক্ষ্ণ কটাক্ষ কৰে। ৰাজহুৱা সভাত ভাষণ দি প্ৰধানমন্ত্ৰী গৰাকীয়ে কয়, "ঝালমুৰি মই খাইছিলো, কিন্তু জ্বলা-পোৰা অনুভৱ টিএমচিয়ে কৰিছে।" তেওঁ টিএমচি চৰকাৰৰ নীতি-নিয়মৰ তীব্ৰ সমালোচনা কৰি ৰাইজক আহ্বান জনায় যে এইবাৰ ভোটদানৰ নতুন অভিলেখ গঢ়িব লাগে। প্ৰধানমন্ত্ৰীৰ এই মন্তব্যৰ পাছত পৰিস্থিতি গৰম হৈ তোলাৰ ইতিহাস আছে। শেহতীয়াকৈ পশ্চিমবংগৰ এখন দোকানত মোদীয়ে ঝালমুৰি খোৱাৰ ঘটনাই ৰাজ্যজুৰি চৰ্চা লাভ কৰিছিল। সেই ঘটনাক লৈ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কটাক্ষ কৰি কৈছিল যে এইখন এটা পৰিকল্পিত নাটক আছিল। তেওঁ দাবী কৰে যে ঝালমুৰিৰ দোকানখনত মাইক্ৰ'ফোন আৰু এছ পি জি লগোৱা আছিল যাতে নাটকখন মঞ্চস্থ কৰিব পৰা যায়। মমতা বেনাৰ্জীৰ ভাষ্য অনুসৰি, "কেতিয়াবা নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰী গুহালৈ যায়, কেতিয়াবা নিজকে 'চাইৱালা' বুলি বৰ্ণনা কৰে। তেওঁ ১০ টকা দি ঝালমুৰি খালে — কল্পনা কৰকচোন। সকলোবোৰ নাটক আছিল।" এই সমালোচনাৰ প্ৰত্যুত্তৰতেই প্ৰধানমন্ত্ৰী মোদীয়ে কৃষ্ণনগৰৰ সভাত দৃঢ়তাৰে কয়, "৪ মে'ত মিঠাই বিতৰণ কৰা হ'ব আৰু ঝালমুৰিও বিতৰণ কৰা হ'ব।" তেওঁ টিএমচি চৰকাৰৰ ওপৰত আক্ৰমণ চলাই গোটেই বংগবাসীক আহ্বান জনায় যে এটা শক্তিশালী চৰকাৰ গঠন কৰাৰ সময় আহি পাইছে। পশ্চিমবংগত এইবাৰ নিৰ্বাচনী পৰিৱেশ অত্যন্ত উত্তপ্ত, আৰু ঝালমুৰি-মিঠাইৰ এই বাক-বিতণ্ডাই ৰাজনৈতিক মহলত নতুন মেৰ পেলাইছে।

# ৰেড ক্ৰছ ছ'চাইটিৰ উদ্যোগত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সভা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, পেঙেৰী, ২২ এপ্ৰিল ঃ** ভাৰতীয় ৰেডক্ৰছ ছ'চাইটীৰ মাৰ্ঘেৰিটা শাখাৰ উদ্যোগত তৈলনগৰী ডিগবৈস্থিত সৌমাৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত নিচাযুক্ত দ্ৰব্য বিৰুদ্ধে এখনি সজাগতা সভা অনুষ্ঠিত হয়। ছ'চাইটীৰ মাৰ্ঘেৰিটা শাখাৰ সাধাৰণ সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে উদ্দেশ্য ব্যাখ্যা কৰি নিচাযুক্ত দ্ৰব্য সেৱন আৰু অবৈধ সৰবৰাহে সামাজিক, শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে নিচাযুক্ত দ্ৰব্য সেৱনৰ জৰিয়তে কেনেকৈ মানৱ জীৱন তিল তিলকৈ নিঃশেষ হৈছে, সেই সম্পৰ্কত ছাত্ৰ-ছাত্ৰী সকলক বিশেষভাৱে অৱগত কৰায়। সজাগতা সভাৰ সমল ব্যক্তি হিচাপে বিশিষ্ট স্নায়ু আৰু মানসিক ৰোগৰ চিকিৎসক ডাঃ বিশ্ব দীপ বৰঠাকুৰে নিচাযুক্ত দ্ৰব্য বিশেষকৈ মদ, ভাং, কানি, গুটখা পৰা ড্ৰাগছলৈকে বিভিন্ন প্ৰকাৰৰ নিচাযুক্ত দ্ৰব্য সেৱনৰ ফলত হ'ব পৰা বিভিন্ন ৰোগ আৰু ইয়াৰ ভয়াৱহতাৰ কথা দৃশ্য-শ্ৰাব্য মাধ্যমেৰে দাঙি ধৰে। সভাত ডাঃ বৰঠাকুৰৰ ভাষ্য আৰু দৃশ্য দেখি-শুনি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে যুঁজ দিবলৈ সংকল্পবদ্ধ হয়। ডিগবৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° অৰুণ চন্দ্ৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাত সৌমাৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দিনেশ ভাণ্ডাৰীৰ লগতে লগতে বহুকেইখন ব্যক্তি বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ছ'চাইটিৰ সম্পাদক পবিত্ৰ বৰগোহাঞিয়ে অনাগত সময়ত তিনিচুকীয়া জিলাৰ প্ৰতিখন বিদ্যালয় আৰু মহাবিদ্যালয়ত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মত প্ৰকাশ কৰে। সজাগতা সভাৰ অন্তত সৌমাৰ বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰেড ক্ৰছ ছ'চাইটিৰ জুনিয়ৰ ৰেড ক্ৰছৰ এটি শাখা গঠন কৰি নিলোৎপল গোস্বামী আৰু নন্দিনী গোস্বামী বৰঠাকুৰক তত্ত্বাৱধায়কৰ দায়িত্ব দিয়া হয়।

**৯৬ শতাংশ নম্বৰ প্ৰাপ্তিৰে প্ৰথম বিভাগত উত্তীৰ্ণ**

# চিবিএছইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত পুৰণিগুদাম মিকিৰহাটৰ ৰিতুস্মিন বৰাৰ সাফল্য

**অসম বাৰ্তা, পুৰণিগুদাম, ২২ এপ্ৰিল ঃ** সদ্যঘোষিত চি বি এছ ইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত নগাঁও জিলাৰ পুৰণিগুদাম আলিছিঙা মিকিৰহাটৰ এজন মেধাৱী ছাত্ৰই অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰৰ অধীনৰ সূতাৰগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত পুৰণিগুদাম আলিছিঙা মিকিৰহাটৰ নিবাসী চন্দ্ৰজ্যোতি বৰা আৰু অণিমা বৰাৰ একমাত্ৰ পুত্ৰ ৰিতুস্মিন বৰাই চি বি এছ ইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত ৯৬ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। জানিব পৰা মতে, পি এম শ্ৰী কেন্দ্ৰীয় বিদ্যালয়, মিছা কেণ্টত অধ্যয়নৰত মেধাৱী ছাত্ৰ ৰিতুস্মিন বৰাই সদ্যঘোষিত পৰীক্ষাৰ ফলাফলত আটাইকেইটা বিষয়তেই লেটাৰ নম্বৰ লাভ কৰি সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ পুৰণিগুদাম অঞ্চলৰ লগতে অধ্যয়নৰত বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱাত উৎফুল্ল হৈ পৰিছে পৰিয়ালবৰ্গ আৰু বিদ্যালয় খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকল। মেধাৱী ছাত্ৰজনৰ এই সফলতাৰ পাছত তেওঁৰ বাসগৃহত বহু গুণমুগ্ধ উপস্থিত হৈ শুভেচ্ছা জনোৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰি উজ্জ্বল ভৱিষ্যৎ কামনা কৰে।

# লাহৰীঘাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ বৃহৎ অভিযান

## বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুই মহিলাৰ লগতে গ্ৰেপ্তাৰ চাৰি সৰবৰাহকাৰী

**অসম বাৰ্তা, লাহৰীঘাট, ২৩ এপ্ৰিল** ঃলাহৰীঘাটৰ বৰবৰীত আজি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ নিসিদ্ধ ড্ৰাগছসহ দুগৰাকী মহিলাৰ লগতে চাৰি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লাহৰীঘাট সমজিলা আৰক্ষী অধীক্ষক অমৰজ্যোতি শইকীয়া আৰু লাহৰীঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আদিত্য বৰাৰ নেতৃত্বত লাহৰীঘাটৰ বৰবৰীত চলাই এই বৃহৎ অভিযান। লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বৰবৰি গাঁৱৰ আচৰ আলী নামৰ এজন ব্যক্তিৰ ঘৰৰ অভিযান চলাই ড্ৰাগছ ভৰ্তি ৯৫ কণ্টেইনাৰ, এটা চাবোনৰ বাকচৰ লগতে ১২ টাকৈ মোবাইল, নগদ ধনৰ লগতে বহু আপত্তিজনক নথিপত্ৰ জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ দুগৰাকী মহিলাৰ লগতে আন দুই সৰবৰাহকাৰী গ্ৰেপ্তাৰ হয়। ধৃত সৰবাহকাৰী কেইটা ক্ৰমে আচৰ আলীৰ পত্নী ফুলবানু (৪২), আমৰাণ হুছেইন(২৩), ছুসমা বেগম (১৯)আৰু মহিবুৰ ৰহমান(২৮) বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, বৰবৰী গাঁৱৰ আচৰ আলীৰ পৰিয়ালটোৱে দীৰ্ঘ দিন ধৰি নিষিদ্ধ ড্ৰাগছৰ ব্যৱসায় চলাই আহিছিল বুলি স্থানীয় ৰাইজৰ অভিযোগ কৰি আহিছিল। অৱশেষত আজি আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ হাতে হাতে লোটে ধৰা পেলাই আচৰ আলীৰ পত্নী ফুলবানু, দুই সন্তানক আৰু মহিবুৰ ৰহমান নামৰ আন এক সৰবৰাহকাৰীক। লাহৰীঘাট সমজিলা আৰক্ষী অধীক্ষক অমৰজ্যোতি শইকীয়াৰ নেতৃত্বত চলাইড্ৰাগছবিৰোধী সফল অভিযানক স্থানীয় ৰাইজে প্ৰশংসা কৰে।

# কপিলী সাহিত্য-সংস্কৃতি সমন্বয় মঞ্চৰ ২০২৬ বৰ্ষৰ পৰিচালনা সমিতি গঠন

**অসম বাৰ্তা, লংকা, ২৩ এপ্ৰিল** ঃ অসমৰ সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু নবীন প্ৰতিভাসমূহক উৎসাহিত কৰাৰ লক্ষ্যৰে ২০২১ চনত একাংশ উদীয়মান কবি-সাহিত্যিকৰ প্ৰচেষ্টাত গঢ় লৈ উঠা সংস্থাটোৱে বিগত কিছু বছৰত বিভিন্ন সাহিত্য-সাংস্কৃতিক কাৰ্যসূচীৰ জৰিয়তে বিশেষ সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। সংস্থাটোৱে নিয়মীয়াকৈ কবিতা প্ৰতিযোগিতা, গল্প লিখন প্ৰতিযোগিতা, অনলাইন সাহিত্য সভা, সাংস্কৃতিক অনুষ্ঠান আদি আয়োজন কৰি বহু নতুন প্ৰতিভাক আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই ধাৰাবাহিকতাত, সংস্থাটোৰ ২০২৬ বৰ্ষৰ বাবে নতুন পৰিচালনা সমিতি গঠন কৰা হৈছে। সদ্য অনুষ্ঠিত এখন সভাত সৰ্বসন্মতিক্ৰমে ১৫ জনীয়া নতুন সমিতিখন নিৰ্বাচিত কৰা হয়। নতুন সমিতিত উপদেষ্টা হিচাপে কুসুম কোঁৱৰক মনোনীত কৰা হৈছে। সভাপতি হিচাপে নিৰ্বাচিত হৈছে কমলেশ্বৰ কলিতা আৰু মুখ্য সম্পাদকৰ দায়িত্ব লাভ কৰিছে আবু ছোফিয়ান বেগে। ইয়াৰ উপৰিও সাংস্কৃতিক সম্পাদিকা হিচাপে প্ৰতীক্ষা শৰ্মা, সাহিত্য সম্পাদক হিচাপে নুৰ আহমদ বৰভূঞা আৰু নাছৰিণ চুলতানা, প্ৰচাৰ সম্পাদক হিচাপে প্ৰাণজিৎ দাস, ৰাজুল আহমেদ, প্ৰিন্স ফাহিমক নিৰ্বাচিত কৰা হৈছে। সমিতিৰ সদস্য হিচাপে ফাৰজিনা বেগম, সোণটি কলিতা, মাইনা শইকীয়া, তৃষ্ণা দত্ত, সনাতন তালুকদাৰ, চাহিদুল আলম চৌধুৰী সহ মুঠ ১৫জন সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। কপিলী সাহিত্য-সংস্কৃতি সমন্বয় মঞ্চৰ শুভাকাংক্ষী আৰু সদস্যসকলে আশা প্ৰকাশ কৰে যে নতুন সমিতিখনে আগন্তুক দিনত সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰি সমাজত ইতিবাচক অৱদান আগবঢ়াব।

# মাকুমত বীৰ লাচিত সেনা মাকুম আঞ্চলিক সমিতিৰ ৰঙালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, মাকুম, ২৩ এপ্ৰিল** ঃ ৰাজ্যৰ চৌদিশে বাপতি সাহোন ৰঙালী বিহুৰ উল্লাহ উদ্দীপনা, বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰা হৈছে ৰঙালী বিহু। তাৰ সমান্তৰালভাৱে পোনপ্ৰথমবাৰ বীৰ লাচিত সেনা অসম তিনিচুকীয়া জিলাৰ সৌজন্যত মাকুম আঞ্চলিক সমিতিৰ উদ্যোগত আৰু মাকুম বাসী ৰাইজৰ সহযোগত মাকুম জ্যোতিনগৰ বিহুতলীত আজি এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰঙালী বিহু উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ কৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গ আৰু গণ শিল্পী ৰাজীৱ শদিয়াৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। তাৰ পাছতে মুকলি মঞ্চ উদ্বোধন কৰি বিহু নাচ, ঢোল বাদন আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি নিশা চৰাইদেউ হুঁচৰি দল আৰু ৰংঘৰ হুঁচৰি দলৰ প্ৰদৰ্শনী কৰা হয়। পোনপ্ৰথমবাৰ ৰঙালী বিহু উদ্‌যাপন কৰাত ৰাইজে সহযোগিতা আগবঢ়োৱাত অভ্যৰ্থনা সমিতিৰ সভাপতি মদন মৰাণ, সম্পাদক অভিজিৎ দাস আৰু বীৰ লাচিত সেনা মাকুম আঞ্চলিক সমিতিৰ সভাপতি সন্দীপ সিংহ, সম্পাদক মৃণ্ময় চুতীয়াই সংবাদ মাধ্যমৰ যোগেদি ধন্যবাদ জ্ঞাপন কৰে।

# ঢেকীয়াজুলিত দুই মটৰচাইকেলৰ মুখামুখি সংঘৰ্ষ; সংকটজনক অৱস্থাত ২২ বছৰীয়া যুৱক

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২৩ এপ্ৰিল** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ ২ নং ৰঙাগড়া গাঁৱত সংঘটিত হৈছে এক ভয়ংকৰ পথ দুৰ্ঘটনা। এই দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে ২২ বছৰীয়া ইকবাল হুছেইন নামৰ এগৰাকী যুৱক। প্ৰাপ্ত তথ্য অনুসৰি ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ ২ নং ৰঙাগড়া অঞ্চলত দুখন মটৰচাইকেলৰ মুখামুখি সংঘৰ্ষ ঘটে। সংঘৰ্ষটো ইমানেই ভয়ংকৰ আছিল যে গাঁওখনৰ বাসিন্দা চুবেদ আলীৰ পুত্ৰ ইকবাল হুছেইন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। দুৰ্ঘটনাৰ পিছত স্থানীয় ৰাইজে ততাতৈয়াকৈ যুৱকজনক উদ্ধাৰ কৰি প্ৰথমে নিকটৱৰ্তী চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰে। পিছত তেওঁৰ অৱস্থা অধিক সংকটজনক হৈ পৰাত ততাতৈয়াকৈ গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বৰ্তমান ইকবাল হুছেইন সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। চিকিৎসাৰ বাবে বহুত টকাৰ প্ৰয়োজন হোৱা হেতুকে অতিকৈ দৰিদ্ৰ পৰিয়ালটোৱে গভীৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে। এই পৰিস্থিতিত যুৱকজনৰ চিকিৎসাৰ বাবে আৰ্থিক সহায় আগবঢ়াবলৈ সদাশয় ৰাইজৰ ওচৰত আবেদন জনাইছে পৰিয়ালটোৱে। সহৃদয় ব্যক্তিসকলক আগবাঢ়ি আহি সহায় কৰাৰ বাবে অনুৰোধ জনোৱা হৈছে। এই দুৰ্ঘটনাই পুনৰ এবাৰ পথ সুৰক্ষাৰ প্ৰতি সচেতন হোৱাৰ গুৰুত্ব দিয়াৰ বিষয়টো চৰ্চিত হৈছে।

# শদিয়া মহাবিদ্যালয়ত চাইবাৰ সুৰক্ষা বিষয়ত সজাগতা কাৰ্যসূচী অনুষ্ঠিত

**অসম বাৰ্তা, শদিয়া, ২৩ এপ্ৰিল** ঃ তিনিচুকীয়া জিলাৰ শদিয়া মহাবিদ্যালয়ত আজি চাইবাৰ সুৰক্ষা বিষয়ক এখনি ডিজিটেল সজাগতা তথা প্ৰচাৰ কাৰ্যসূচী অনুষ্ঠিত হয়। অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত, অসম বিজ্ঞান সমিতিৰ দ্বাৰা আয়োজিত (শদিয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সহযোগত) "কলেজ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চাইবাৰ সুৰক্ষাৰ ওপৰত ডিজিটেল প্ৰসাৰণ" শীৰ্ষক কাৰ্যসূচীত মুখ্য অতিথি হিচাপে এ চি এছ বিষয়া নীলিম গায়ন উপস্থিত থাকে। 'বিজ্ঞান প্ৰচাৰৰ বাবে ডিজিটেল প্লেটফৰ্মৰ প্ৰয়োগ' প্ৰকল্পৰ অধীনত মহাবিদ্যালয়খনৰ সভাকক্ষত অনুষ্ঠিত কাৰ্যসূচীৰ আৰম্ভণিতে অধ্যক্ষ ড° ভূপেন চুতীয়াই আদৰণি ভাষণ আগবঢ়ায়। মুখ্য অতিথি হিচাপে উপস্থিত থকা এ চি এছ বিষয়া নীলিম গায়নে বৰ্তমান সময়ত বৃদ্ধি পোৱা চাইবাৰ অপৰাধ আৰু অনলাইন প্ৰৱঞ্চনা তথা ঠগবাজিৰ ভয়াবহতাৰ বিষয়ে আলোকপাত কৰি ছাত্ৰ-ছাত্ৰীসকলক সতৰ্ক আৰু সচেতন হৈ ডিজিটেল মাধ্যম ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি শদিয়া আৰক্ষী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্মৃতি আঞ্চল চৌহানে চাইবাৰ অপৰাধ ৰোধত সজাগতা আৰু দায়িত্বশীল আচৰণৰ গুৰুত্ব সম্পৰ্কে উল্লেখ কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডিগেন দাসে চাইবাৰ সুৰক্ষাৰ প্ৰাথমিক ধাৰণা আৰু সাধাৰণ চাইবাৰ বিপদসমূহৰ বিষয়ে বক্তব্য ৰাখে। তাৰ পিছতে ভাৰতীয় ষ্টেট বেংকৰ চপাখোৱা শাখাৰ মুখ্য প্ৰবন্ধক চন্দন কুমাৰ বৰাই অনলাইন আৰ্থিক ঠগবাজি, সুৰক্ষা আৰু প্ৰতিৰোধৰ ব্যৱস্থাসমূহৰ বিষয়ে বিশদ ব্যাখ্যা আগবঢ়ায়। ইয়াৰ পিছত শদিয়া আৰক্ষী জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুণিমা ভূঞাই চাইবাৰ আইন, নৈতিকতা আৰু চাইবাৰ অপৰাধৰ অভিযোগ দাখিল কৰাৰ প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা কৰে। অনুষ্ঠানৰ শেষত মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (এন এছ এছ) ৰ কাৰ্যসূচী বিষয়া নকুল নেওগে অনুষ্ঠানত উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

■ কোনো কাৰণ নোহোৱাকৈ কৰ্মৰ পৰা নিলম্বন ■

# পুনৰ বহিৰাগত বণিয়াই খিলঞ্জীয়াক অপমান বণিয়া গোষ্ঠীৰ

**অসম বাৰ্তা, মাকুম, ২৩ এপ্ৰিল** ঃ পুনৰ এইখন অসমতে খিলঞ্জীয়াক বহিৰাগত বণিয়াই কৰিলে তিৰস্কাৰ। শিলিগুড়ি বণিয়াৰ অসমত দপদপনী। বণিয়া গোষ্ঠীৰ মইমতালিত আলৈ আথানি অৱস্থা একাংশ মহিলা শ্ৰমিকৰ লগতে চাহ কাৰখানাৰ পৰিচালকৰ। অভিযোগ অনুসৰি মাকুম ছ'টা হাপজান ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ সমীপত অৱস্থিত এম.এচ কিষাণলাল ৰুক্মণীদেৱী টি প্ৰাইভেট লিমিটেড নামৰ চাহপাত কাৰখানাটোৰ পূৰ্বৰ স্বত্বাধিকাৰী গৰাকীয়ে চলিত বৰ্ষতে শিলিগুড়িৰ দুজন বণিয়া ক্ৰমে নৰেশ বাঞ্চাল আৰু ঋষভ আগৰৱালাক কাৰখানাটো হস্তান্তৰ কৰিছিল। চাহপাত কাৰখানাটোৰ নতুনকৈ দায়িত্বভাৰ লোৱাৰ পাছতে দুই বণিয়াই প্ৰথমে কাৰখানাটোত কৰ্মৰত শ্ৰমিক মহিলা সকলক দৈনিক মজুৰি প্ৰদান কৰাত খেলি-মেলি যেনে ১২ ঘণ্টা কাম কৰাৰ বিনিময়ত ২৬৫ টকাৰ পৰিৱৰ্তে ২২০ টকা লগতে অন্যান্য সা-সুবিধা, মেডিকেলৰ ব্যৱস্থা আদিৰ পৰা বঞ্চিত কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰে শ্ৰমিক মহিলা সকলে। তদুপৰি পৰিচালক হিচাপে কৰ্মৰত প্ৰদীপ গগৈ ওৰফে পিংকু গগৈক কোনোধৰণৰ জাননী প্ৰেৰণ নকৰাকৈ চাকৰিৰ পৰা নিলম্বিত কৰা হৈছেবুলি অভিযোগ কৰে পৰিচালক গৰাকীয়ে। বহিৰাগত বণিয়াৰ এনেধৰণৰ মইমতালিক লৈ এক হুলস্থুলীয়া পৰিৱেশ সৃষ্টি হোৱাত স্থানীয় মাকুম আৰক্ষী থানাৰ আৰক্ষীৰ দল উপস্থিত হোৱাৰ লগতে কেওটা দল-সংগঠনৰ বিষয়ববীয়া সকল উপস্থিত হয়। এই সম্পূৰ্ণ বিষয়টোৰ ওপৰত বৰ্তমানৰ মালিক পক্ষই কোনোধৰণৰ আলোচনা আদি নকৰাকৈ কাৰখানাটোৰ পৰা আঁতৰি যোৱা পৰিলক্ষিত হয়। বাৰংবাৰ বহিৰাগত বণিয়াৰ আগত অসমীয়াই লাঞ্চিত-বাঞ্চিত হোৱাকলৈ উপস্থিত থকা দল-সংগঠনৰ বিষয়ববীয়া সকলে ক্ষোভিত হৈ নিৰপেক্ষভাৱে এই বিষয়টোৰ ওপৰত বিচাৰ হ'ব লাগিব অন্যথা কাৰখানাটো বন্ধ কৰি দিয়া হ'ব বুলি হুংকাৰ প্ৰদান কৰাৰ লগতে শ্ৰমিক মহিলা সকলৰ সকলো যাৱতীয় ব্যৱস্থাৰ লগতে মজুৰি সঠিক ভাৱে প্ৰদান কৰিবলৈ সংবাদ মাধ্যমৰ যোগেদি জিলা শ্ৰমিক আয়োগলৈ আহ্বান জনায়।

# গোলকগঞ্জ স্থল বন্দৰত লিংগ সংবেদনশীলতাৰ ওপৰত কৰ্মশালা



**অসম বাৰ্তা, গোলকগঞ্জ, ২৩ এপ্ৰিল** ঃ গোলকগঞ্জস্থিত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য কেন্দ্ৰ তথা লেণ্ড পোৰ্ট অৰ্থোৰিটি অফ ইণ্ডিয়াৰ (LPAI) কাৰ্যালয়ত আজি "লিংগ সংবেদনশীলতা" বিষয়ক এখন গুৰুত্বপূৰ্ণ কৰ্মশালা সফলভাৱে অনুষ্ঠিত হয়। "সজাগতাৰ পৰা কৰ্মলৈ" এই মূল শ্লোগান লৈ অনুষ্ঠিত কৰ্মশালাখনে কৰ্মক্ষেত্ৰত এক সুৰক্ষিত, সন্মানজনক আৰু লিংগ-সমতা ভিত্তিক পৰিৱেশ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উক্ত কাৰ্যসূচীত সীমান্ত সুৰক্ষা বাহিনী (BSF)-ৰ ডি আই জি উপেন্দ্ৰ ৰাই, লেফ্‌টেনেণ্ট কৰ্নেল প্ৰদীপ কুমাৰ, কেপ্টেইন সুশীল কুমাৰ সিং, কমাণ্ডেণ্ট ৮৯ বেটেলিয়ন বিএছএফৰ ডাঃ অভিষেক শৰ্মা, কেপ্টেইন ৰণজিৎ কুমাৰ, কৰ্নেল ঋষি শেঠী, কৰ্নেল কামাখ্যা কুমাৰ, ধুবুৰী উকিল সন্থাৰ সভাপতি, দীপজ্যোতি শৰ্মা, কাষ্টমছ বিষয়াৰ লগতে ব্যৱসায়িক প্ৰতিনিধি আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। কৰ্মশালাত কৰ্মচাৰীসকলক POSH আইন (কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন প্ৰতিৰোধ, নিষেধ আৰু প্ৰতিকাৰ আইন) সন্দৰ্ভত বিস্তৃতভাৱে অৱগত কৰা হয়। LPAI-ৰ বিত্ত সদস্যা ৰেখা ৰাইকৱৰে গুগল মীটৰ জৰিয়তে বক্তব্য ৰাখি কয় যে এই আইনখনে মহিলাসকলক কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ পৰা সুৰক্ষা প্ৰদান কৰাৰ লগতে এনে ঘটনা প্ৰতিৰোধৰ বাবে এক শক্তিশালী আইনী কাঠামো প্ৰদান কৰে। কৰ্মশালাত লিংগ সমতা, পাৰস্পৰিক সন্মান, যৌন নিৰ্যাতন চিনাক্তকৰণ, অভিযোগ দাখিলৰ প্ৰক্ৰিয়া আৰু সহায় ব্যৱস্থাৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিশদ আলোচনা কৰা হয়। অংশগ্ৰহণকাৰীসকলেও সক্ৰিয়ভাৱে অংশ লৈ নিজৰ মতামত প্ৰকাশ কৰে। আয়োজক পক্ষই জনায় যে এনে ধৰণৰ সজাগতামূলক কৰ্মশালাইকৰ্মক্ষেত্ৰত এক সুস্থ, সুৰক্ষিত আৰু সমতা ভিত্তিক পৰিৱেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

চাৰিটা লেবাৰ কোড অনুসৰি প্ৰস্তুত হৈছে ৰোডমেপ

# ৰেল'ৱেৰ মাল গুদামৰ শ্ৰমিকৰ বাবে নতুন ব্যৱস্থা শীঘ্ৰে কাৰ্যকৰী

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৩ এপ্ৰিল** ঃ উত্তৰ-পূৰ্ব সীমান্ত ৰেল'ৱেৰ মাল গুদামসমূহত কৰ্মৰত হাজাৰ হাজাৰ শ্ৰমিকৰ বাবে এটা ঐতিহাসিক পৰিৱৰ্তনৰ ভেটি স্থাপন হৈছে। নতুন, শক্তিশালী, স্বচ্ছ আৰু সংগঠিত ব্যৱস্থা ৰূপায়ণৰ প্ৰক্ৰিয়া এতিয়া অন্তিম পৰ্যায়ত উপনীত হৈছে। দীৰ্ঘদিন ধৰি চাকৰিৰ সুৰক্ষা, পৰিচয়, স্বচ্ছতা আৰু সামাজিক সুৰক্ষাৰ দাবী জনাই অহা শ্ৰমিক সকলৰ বাবে এই পদক্ষেপে এক গুৰুত্বপূৰ্ণ আৰু নিৰ্ণায়ক ভূমিকা পালন কৰিব বুলিও আশা কৰা হৈছে। বৰ্তমান আৰু ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰমিক প্ৰতিনিধি আৰু সংশ্লিষ্ট পক্ষসমূহৰ সহযোগত এক দৃঢ় প্ৰশাসনিক আৰু আইনী প্ৰক্ৰিয়াৰ মাধ্যমেৰে লোৱা হৈছে উক্ত পদক্ষেপ সমূহ। এই সমগ্ৰ ব্যৱস্থাটো ভাৰত চৰকাৰে প্ৰণয়ন কৰা চাৰিটা মুখ্য লেবাৰ কোড— বেতন সংহিতা, উদ্যোগিক সম্পৰ্ক সংহিতা, সামাজিক সুৰক্ষা সংহিতা, পেছাগত সুৰক্ষা, স্বাস্থ্য আৰু কৰ্ম পৰিস্থিতি সংহিতাৰ— লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে সামঞ্জস্য ৰাখি প্ৰস্তুত কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে শ্ৰমিকসকলক ন্যূনতম বেতন, আইনী সুৰক্ষা, সামাজিক সুৰক্ষা তথা সুৰক্ষিত আৰু মৰ্যাদাপূৰ্ণ কৰ্ম পৰিৱেশ নিশ্চিত কৰা। ৰেল'ৱেৰ উচ্চ পদস্থ বিষয়াসকলৰ লগত হোৱা আলচনামৰ্মে আৰু উচ্চ প্ৰাধিকৰণৰ দিশ-নিৰ্দেশনা অনুসৰি, ভাৰতীয় ৰে'লৱেৰ সকলো নীতি-নিয়ম মানি এন এফ ৰে'লৱে জ'নৰ তিনিটাকৈ মাল গুদামত প্ৰাথমিক পৰ্যায়ত পৰীক্ষা মূলকভাৱে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰাৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। এই কেন্দ্ৰসমূহৰ জৰিয়তে শ্ৰমিকসকলক শীঘ্ৰে আধুনিক আৰু সুশৃংখলিত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব, যাৰ ফলত তেওঁলোকৰ কাৰ্যদক্ষতা, সুৰক্ষা সজাগতা আৰু পেছাগত ভাৱে দৈনিক ২৪/৭ৰ কৰ্মৰ বাবে সাজু কৰি তোলা হ'ব। ৰে'লৱেৰ নিৰ্ধাৰিত নিয়ম, নীতিক লক্ষ্য ৰাখি এই ব্যৱস্থাৰ সকলো প্ৰস্তুতি ইতিমধ্যেই সম্পূৰ্ণ হৈছে, মাত্ৰ কিছু প্ৰযুক্তিগত আৰু আনুষ্ঠানিক প্ৰক্ৰিয়াহে বাকী আছে। উক্ত প্ৰক্ৰিয়া সমূহ সম্পূৰ্ণ হোৱাৰ পাছতেই আনুষ্ঠানিক ঘোষণাসহ এক বিস্তৃত আৰু দায়িত্বশীল পদক্ষেপৰ জৰিয়তে সকলো বিষয় ৰাজহুৱা কৰা হ'ব বুলি শ্ৰমজীৱী গুডশেড কৰ্পোৰেচনৰ ডেপুটি ডাইৰেক্টৰ বিজিপ কুমাৰ টায়ে সদৰী কৰে। ইয়াৰ লগতে, আঞ্চলিক আৰু একক স্তৰৰ নেতৃত্বক এক প্ৰতিবেদন প্ৰস্তুত কৰি শ্ৰমিক সকলৰ সকলো যাৱতীয় নথি পত্ৰ কৰ্পোৰেচনৰ হাতত জৰুৰীভাৱে দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে, যাতে পৰৱৰ্তী প্ৰক্ৰিয়া সময়মতে আৰু সুচাৰুৰূপে আগবঢ়াব পাৰি। এই পদক্ষেপৰ বাবে শ্ৰমিক সমাজৰ মাজত দেখা আনন্দ-উৎসাহ তথা ইতিবাচক পৰিৱেশে আমাক অনুপ্ৰাণিত কৰিছে।

# নলবাৰী জিলা কাৰাগাৰৰ ভিতৰত কাৰাবন্দীৰ মৃত্যুক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

**অসম বাৰ্তা, নলবাৰী, ২৩ এপ্ৰিল** ঃ নলবাৰী জিলা কাৰাগাৰৰ ভিতৰত সংঘটিত এক দুৰ্ভাগ্যজনক ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্য আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তামোলপুৰ জিলাৰ কাৰখেলা ভিলেজৰ বাসিন্দা শুক্ৰা কামাৰ (লধা) নামৰ এজন কাৰাবন্দীৰ অস্বাভাৱিক মৃত্যুক কেন্দ্ৰ কৰি নানা প্ৰশ্ন উত্থাপন হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ২০১১ চনত সংঘটিত এক হত্যাৰ গোচৰত দোষী সাব্যস্ত হৈ শুক্ৰা কামাৰ নলবাৰী জিলা কাৰাগাৰত বন্দী হৈ আছিল। কালি নিশা নলবাৰী জিলা কাৰাগাৰৰ ভিতৰত তেওঁ আত্মহননৰ চেষ্টা চলাইছিল বুলি অভিযোগ উত্থাপিত হৈছে। লগে লগে তেওঁক উদ্ধাৰ কৰি ততাতৈয়াকৈ নলবাৰী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স প্ৰায় ৪৭ বছৰ বুলি জানিব পৰা গৈছে। ইফালে, মৃতকৰ পৰিয়ালৰ লোকে ঘটনাটোক ৰহস্যজনক বুলি আখ্যা দি সন্দেহ প্ৰকাশ কৰিছে। পৰিয়ালৰ বক্তব্য অনুসৰি, "এই মাহৰ শেষভাগত তেওঁ মুক্তি পাই ঘৰলৈ ওভতাৰ কথা আছিল। এনে পৰিস্থিতিত তেওঁ কেনেকৈ আৰু কিয় এই ধৰণৰ পদক্ষেপ ল'লে, সেয়া আমাৰ বাবে বুজিবলৈ অসুবিধা হৈছে বুলি উল্লেখ কৰে।" লগতে জেলৰ ভিতৰত তেওঁ কেনেদৰে এই কাম কৰিবলৈ সক্ষম হ'ল, সেই বিষয়েও পৰিয়ালৰ লোকে প্ৰশ্ন উত্থাপন কৰিছে। ঘটনাটোৱে জেলৰ সুৰক্ষা ব্যৱস্থা আৰু বন্দীসকলৰ নিৰাপত্তা সন্দৰ্ভত গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰাৰ লগতে স্থানীয় লোকসকলৰ মাজতো উদ্বেগৰ সৃষ্টি কৰিছে। ইতিমধ্যে আৰক্ষী তথা সংশ্লিষ্ট কৰ্তৃপক্ষই ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

## মণ্ডল উপ-সভাপতি পংকজ কলিতাৰ বিৰুদ্ধে 'চিপৰাং ৰাজনীতি'ৰ অভিযোগ, ভাইৰেল অডিঅ' ক্লিপ

# হাজোত এন.ডি.এ.ৰ অভ্যন্তৰত তীব্ৰ অন্তঃকন্দল

**অসম বাৰ্তা, হাজো, ২৩ এপ্ৰিল** ঃ নিৰ্বাচনী গৰম বতাহৰ মাজতে হাজো-শুৱালকুছি সমষ্টিৰ এন.ডি.এ. (NDA) শিবিৰত এক ভয়ংকৰ বিস্ফোৰণে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে হাজো শুৱালকুছি সমষ্টিত। এন ডি এ মিত্ৰজোঁটৰ অগপ প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসৰ বিৰুদ্ধে বিজেপি দলৰ একাংশ নেতা 'অন্তৰ্ঘাত' বা 'চিপৰাং ৰাজনীতি'ত লিপ্ত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ হাজো মণ্ডল বিজেপিৰ উপ-সভাপতি তথা বামুণ্দীৰ প্ৰভাৱশালী নেতা পংকজ কলিতাৰ এটা ফোন কল ভাইৰেল হৈ পৰাৰ পাছতে এতিয়া বিজেপি-অগপৰ মিত্ৰতাৰ ফাঁট মেলিবলৈ আৰম্ভ কৰিছে। মন কৰিবলগীয়া যে, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হাজোৰ এখন বিশাল নিৰ্বাচনী সভাত বিজেপি আৰু অগপৰ বন্ধুত্বক 'বুন্দিয়া-ভুজিয়া'ৰ দৰে অভিন্ন বুলি অভিহিত কৰিছিল। কিন্তু সেই মিত্ৰতাক একপ্ৰকাৰ প্ৰত্যাহ্বান জনাই পংকজ কলিতাই অগপ দলৰ প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসৰ বিৰুদ্ধে গোপন ৰণনীতি ৰচনা কৰাৰ অভিযোগ উঠিছে। ভাইৰেল হোৱা ফোন কলটোত নেতাগৰাকীয়ে দলীয় কাৰ্যকৰ্তাসকলক মুকলিকৈ প্ৰকাশ চন্দ্ৰ দাসৰ বিৰোধিতা কৰিবলৈ উচটনি দিয়াৰ লগতে কুমন্ত্ৰণা ৰচনা কৰা শুনা গৈছে। কেৱল প্ৰাৰ্থীৰ বিৰোধিতাই কৰাই নহয়, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ দৰে হেভিৱেইট নেতা উপস্থিত থকা গুৰুত্বপূৰ্ণ নিৰ্বাচনী সভাও ব্যৰ্থ কৰিবলৈ পংকজ কলিতাই চেষ্টা চলোৱাৰ চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। ভাইৰেল হোৱা কথোপকথনত হাজো-শুৱালকুছি সমষ্টিৰ নিৰ্বাচনী সমিতিৰ সভাপতি বিপুল দাসৰ নামো সাঙোৰ খাই পৰিছে, যিয়ে সমগ্ৰ বিষয়টোক অধিক ৰহস্যজনক কৰি তুলিছে। এই ঘটনা ফাদিল হোৱাৰ পাছতে হাজোৰ এন.ডি.এ. কৰ্মীসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। সমষ্টিটোৰ প্ৰতিজন ভোটাৰৰ মোবাইলত এতিয়া এই অডিঅ' ক্লিপটোৱে যথেষ্ট চৰ্চা লাভ কৰিছে। দলীয় প্ৰাৰ্থীৰ বিৰুদ্ধে ঘৰৰ শত্ৰুৰে বিভীষণৰ দৰে কৰা এই আচৰণৰ বাবে দলটোৰ নিৰ্বাচনী ফলাফলত কিবা প্ৰভাৱ পৰিব নেকি, তাক লৈ চিন্তিত হৈ পৰিছে শুভাকাঙ্ক্ষীসকল। এতিয়া প্ৰশ্ন হয়, দলত থাকি নিজৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী গৰাকীৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰা এনে নেতাসকলৰ বিৰুদ্ধে বিজেপিৰ শীৰ্ষ নেতৃত্বই কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব!

# গোলাঘাট শাখা সাহিত্য সভাৰ উদ্যোগত বিশ্ব গ্ৰন্থ দিৱস উদ্‌যাপন

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২৩ এপ্ৰিল** ঃ শতবৰ্ষ গৰকা গোলাঘাট শাখা সাহিত্য সভাৰ ৰামধেনু উপ-সমিতিৰ উদ্যোগত আজি বিশ্ব গ্ৰন্থ দিৱস উদ্‌যাপন কৰা হয়। গোলাঘাট শাখা সাহিত্য সভাৰ কাৰ্যালয় পণ্ডিত হেমচন্দ্ৰ গোস্বামী স্মৃতি ভৱনত শাখা সাহিত্য সভাৰ সভাপতি তিলেশ্বৰ তামোলীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা 'গ্ৰন্থ অধ্যয়ন জীৱনৰ সঞ্জীৱনী সুধা' শীৰ্ষক বক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰি বিশিষ্ট লেখক তথা 'তোৰে মোৰে আলোকৰে যাত্ৰা'ৰ উদ্যোক্তা তৰুণ চন্দ্ৰ শইকীয়াই গ্ৰন্থ অধ্যয়নৰ গুৰুত্ব আৰু তাৎপৰ্য নিজৰ অভিজ্ঞতাৰ ভিত্তিত বিশদভাৱে আলোচনা কৰে। তেখেতে নিজৰ বিস্তৃত দেশ বিদেশ ভ্ৰমণ আৰু অধ্যয়নৰ ভিত্তিত গ্ৰন্থ সম্পৰ্কে কৰা আলোচনাই সকলোকে আপ্লুত কৰে। তেখেতে পঠনীয় ২৫খন গ্ৰন্থৰ নামো উল্লেখ কৰে। এই বক্তৃতানুষ্ঠানৰ পূৰ্বে নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হৈছিল 'গ্ৰন্থ অধ্যয়ন ডিজিটেল মাধ্যমতকৈ শ্ৰেষ্ঠ' বিষয়ত তৰ্ক প্ৰতিযোগিতা। কছাৰীহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰেৱকান্ত শইকীয়াই অধ্যক্ষতা কৰা প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল শিক্ষয়িত্ৰী পাৰিজাত বৰুৱা আৰু অধিবক্তা মৌচম হাজৰিকা। প্ৰতিযোগিতাত প্ৰথম স্থান জিছান বিকাশ নাথ গোলাঘাট জাতীয় বিদ্যালয়, দ্বিতীয় স্থান প্ৰিয়াক্ষী হাজৰিকা, মহাত্মা বাল্য ভৱন, তৃতীয় স্থান কনকনা বৰা, গোলাঘাট জাতীয় বিদ্যালয় আৰু উদগনি বঁটা তৰালি বৰুৱা, মহাত্মা বাল্য ভৱন বিদ্যালয়ে লাভ কৰে। আজিৰ সভা শাখাৰ সদস্যাসকলৰ দ্বাৰা পৰিবেশিত চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভণি হোৱা সভাৰ আদৰণি বক্তব্য প্ৰদান কৰে প্ৰাক্তন সভাপতি ৰাজিদুৰ ৰহমানে। শলাগৰ শৰাই আগবঢ়ায় সহকাৰী সম্পাদক মঞ্জুলিকা নেওগ শইকীয়াই। অনুষ্ঠানত উপদেষ্টা ডাঃ অজিত বৰুৱা, পুণ্যেশ্বৰ পূজাৰী, ক্ষীৰোদ কুমাৰ গোস্বামী, পদ্মা বৰা আদি বিশিষ্ট ব্যক্তি আৰু কৰ্মকৰ্তা সকল সভাত উপস্থিত আছিল।

## সাত বছৰীয়া শিশুসহ এজন নিহত

# চামগুৰিৰ আমনিত পথ দুৰ্ঘটনা

**অসম বাৰ্তা, পুৰণিগুদাম, ২৩ এপ্ৰিল** ঃ নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাই পথত আজি সংঘটিত হোৱা এক পথ দুৰ্ঘটনাত এটি সাত বছৰীয়া শিশুসহ এজন লোক নিহত হয়। জানিব পৰা মতে, গুৱাহাটীৰ পৰা ধেমাজী অভিমুখে আহি থকা এএছ-০১-টি-চি-০৯১৩ নম্বৰৰ চুপাৰ খনে আজি চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমনি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত মোৱামাৰী অঞ্চলৰ ওমৰ আলী (৬২) নামৰ লোকজনৰ লগতে মহাবুল নামৰ সাত বছৰীয়া শিশুটিক মহতিয়াই নিয়ে। ফলত লোকজনৰ লগতে সাত বছৰীয়া শিশুটি গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত স্থানীয় লোকৰ লগতে চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ সংকটজনক অৱস্থাত দুয়োজনকে চিকিৎসাৰ বাবে নগাঁৱলৈ নিয়ে যদিও পথতে শিশুটিসহ লোকজনৰ মৃত্যু হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। পথ দুৰ্ঘটনাত নিহত হোৱা শিশুটোসহ লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে আৰক্ষীয়ে নগাঁও মেডিকেল কলেজ আৰু হাস্পতাললৈ প্ৰেৰণ কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন